# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Jotindra Nath Goswami | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saahaitya Sabhaa Patraikaa | |
| Translated Title: Magazine of Assam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Assam Sahitya Sabha - Jorhat |
| Year: 1961 (1883 Sak) | Edition: |
| Size: 23½ cms. 92+79+54 pages | Genre: Magazine |
| Volumes: 20 - 3 issues | Condition of the original: Brittle |
| Remarks: Old. 1st vol. published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

বিংশ বছৰ ॥ ॥ তৃতীয় সংখ্যা

১৮৮৩ শক

সম্পাদক :—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

# সূচীপত্ৰ


| | | |
|---|---|---|
| মেছোপটামিয়াৰ প্ৰাচীন সভ্যতাত এভুমুকি—শ্ৰীসদানন্দ চলিহা, এম্-এ | ... | ১ |
| বড়ো-কছাৰী জাতিৰ দৰ্শন—শ্ৰীৰাজমোহন নাথ, বি-ই, তত্ত্বভূষণ | ... | ৯ |
| চুটিয়া জাতি—শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰ, বি-এ | ... | ১২ |
| মাধৱ কন্দলি আৰু মহামাণিক্য ক'ৰ ?—শ্ৰীলীলা গগৈ, বি-এ | ... | ২২ |
| উৰ্ব্বশী—শ্ৰীললিতকুমাৰ বক্সী | ... | ২৬ |
| গাৰো ভাষাত অসমীয়া শব্দ—শ্ৰীকটিকচন্দ্ৰ গগৈ | ... | ৩১ |
| অসমীয়া ভাষাৰ সন্ধি—শ্ৰীপ্ৰিয়দাস তালুকদাৰ | ... | ৩৭ |
| পুথি পৰিচয় | ... | ৪১ |
| অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ পঞ্চম অধিৱেশন | ... | ৪৬ |
| সম্পাদকৰ হুআৰাৰ | ... | ৫৩ |


---


**পত্ৰিকা সম্পাদনা উপ-সমিতি :—**

(১) শ্ৰীহৰিপ্ৰসাদ নেওগ, এম-এ
(২) শ্ৰীলীলা গগৈ, বি-এ
(৩) শ্ৰীঅৱনীন্দ্ৰ চন্দ্ৰ বৰা, এম-এ
(৪) শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, এম-এ
(৫) প্ৰধান সম্পাদক
(৬) পত্ৰিকা সম্পাদক


# অসম সাহিত্য সভা পত্ৰিকা

# অসম সাহিত্য সভা পত্ৰিকা

বিংশ বছৰ | ১৮৮৩ শক, পুহ—চত | তৃতীয় সংখ্যা

## মেছোপটামিয়াৰ প্ৰাচীন সভ্যতাত এভুমুকি

(পূৰ্ব্বানুবৃত্তি)

(২)

শ্ৰীসদানন্দ চলিহা

বেবিলনত খামুৰাবিৰ ফৈদৰ ৰাজপাট ভোগ উকলি যোৱাৰ লগে লগে—আনুমানিক খ্ৰীষ্ট পূৰ্ব্ব ১৩০০ চনত—এছীৰিয়াৰ উত্থান হয়। এছীৰিয়া হল উত্তৰ মেছোপটামিয়াত। ইয়াৰ ঘাই নগৰবোৰৰ ভিতৰত তিনিখনৰ নাম উল্লেখ কৰিব পাৰি—অছুৰ, কালা' আৰু নিনেভা। অছুৰ নগৰখন বেবিলনৰ উত্তৰ পশ্চিমে ; দুয়োখন নগৰৰ মাজত ব্যৱধান দুশ মাইলৰো বেছি। এতিয়াৰ কালাৎ-ছেৰকাট্ বোলা ঠাইতে অছুৰ নগৰখন আছিল। কালা' নগৰখন বৰ্ত্তমান নিমৰ'ড নামে জনাজাত। নিনেভা আছিল অছুৰৰো অলপ উত্তৰলৈ ; এতিয়াৰ মছুল বোলা নগৰখনৰ ঠিক বিপৰীতে। জেন'ফনে খ্ৰীষ্ট পূৰ্ব্ব তৃতীয় শতাব্দীত নিনেভাৰ একো চিন-চাব দেখা পোৱা নাছিল। গতিকে তাৰ বহুত কালৰ আগতে নিনেভা লুপ্ত হল। প্ৰত্নতত্ত্ববিদসকলে কয়ুঞ্জিক আৰু নেবি-য়ুনুছৰ টিলা দুটা খান্দি এই নগৰখনৰ ধ্বংসাৱশেষ উলিয়াইছে।

এছীৰীয়সকলো ছেমিটিক গোষ্ঠীৰ লোক। তেওঁলোক যে বেবিলন তথা চালডিয়াৰ ফালৰ পৰাই মধ্য টাইগ্ৰীছ উপত্যকালৈ গৈছিল, সেইটো

বাইবেলেই সপ্ৰমাণ কৰিছে। জেনেছিছৰ প্ৰামাণ্য অনুযায়ী নোৱাৰ পুতেক হল কুছ, কুছৰ পুতেক নিমৃৰড। নিমৰডৰ ৰাজ্যৰ আৰম্ভনি হল ছিনাৰ দেশত বাবেল, ইৰেখ, আক্কাড আৰু কালনে। সেই দেশৰ পৰা (অৰ্থাৎ ছিনাৰ দেশৰ পৰা) অছুৰ ওলাই যায় আৰু নিনেভা প্ৰতিষ্ঠা কৰেগৈ। তেওঁ স্থাপন কৰা অন্য দুখন নগৰ হল ৰেহবথ আৰু কালা'। নিনেভা আৰু কালা'ৰ মাজত আন এখন নগৰ হল ৰে-ছেন (১)। গতিকে দেখা যায় যে জাতিগত ভাৱে এছীৰীয়সকল বেবিলনীয়সকলৰ পৰা মূলতঃ বিভিন্ন নাছিল। তেওঁলোকৰ আদি পীঠ ছিনাৰ দেশ—চালডিয়া অৰ্থাৎ বেবিলন। বেবিলন আৰু এছীৰিয়াৰ মাজত যুজ-বাগৰৰ কোনো কালে অন্ত পৰা নাছিল যদিও মিত্ৰতাৰ উপলক্ষ্য কিছুমানো মাজে সময়ে আহি নপৰাকৈ থকা নাছিল। এছীৰিয়াৰ ৰজা অছুৰ-উবালিটে কুৰি-গালজু নামে তেওঁৰ নাতিয়েক এজনক বেবিলনৰ ৰাজপাটত বহুৱায় (খ্ৰীষ্ট পূৰ্ব্ব দ্বাদশ শতাব্দী); কিন্তু কুৰিগালজুৱে পাচত স্বাধীনতা ঘোষণা কৰে আৰু ফলত দুয়ো দেশৰ মাজত বহুকাল ধৰি যুদ্ধ চলে। এনে উদাহৰণ আৰু বহুতো আছে।

এছীৰিয়াৰ বুৰঞ্জী মোটামুটি ভাৱে তিনিটা যুগত ভগোৱা হয়—আদি যুগ (আনুমানিক খ্ৰীষ্ট পূৰ্ব্ব ২৫০০—১৩০০ চন), পুৰণি সাম্ৰাজ্যৰ যুগ (খ্ৰীষ্ট পূৰ্ব্ব ১৩০০—৭৪৫ চন) আৰু নতুন সাম্ৰাজ্যৰ যুগ (খ্ৰীষ্ট পূৰ্ব্ব ৭৪৫—৬২৬ চন)। দ্বিতীয়টো যুগৰ আটাইতকৈ উল্লেখযোগ্য ৰজাজন হ'ল অছুৰ নাছিৰ-পাল আৰু একেবাৰে শেষৰটো যুগৰ লেখত লব লগীয়া ৰজা কেইজন হল ছাৰ্গন, ছেনাচেৰিব, ইছাৰহাডন আৰু অছুৰ-বানি-পাল। খ্ৰীষ্ট পূৰ্ব্ব ৬২৬ চনত অছুৰ-বানি-পালৰ মৃত্যু ঘটাৰ লগে লগে এছীৰিয়াই ধ্বংসৰ ফাললৈ গতি কৰে। খ্ৰীষ্ট পূৰ্ব্ব ৬১২ চনত স্কাইথীয় আক্ৰমণত নিনেভা বিধ্বস্ত হল আৰু লগে লগে এছীৰিয়াৰ বুৰঞ্জীৰো অন্ত পৰিল।

কথিত আছে যে বেল-ছুমিলি-কাপি নামে এজন লোক এছীৰীয় ৰাজফৈদৰ প্ৰতিষ্ঠাতা। অছুৰলৈ এছীৰিয়াৰ ৰাজধানী তুলি নিয়ে প্ৰথম টিগ্‌লথ্‌ পিলেছাৰে। গ্ৰীক ভাষাত বিকৃত হৈ পৰাত এছীৰিয়াৰ ৰজাসকলৰ নামবোৰ মূলৰ পৰা বহুতো আঁতৰি গৈছে। 'টিগলথ দিলেছাৰ' নামটোৱেই ইয়াৰ এটা ভাল দৃষ্টান্ত। গ্ৰীকসকলে যিজন ৰজাক টিগলথ পিলেছাৰ বুলিছিল, তেওঁৰ আচল নাম হৈছে 'টুকুল্টি পাল-ই-ছছু'; তাৰ অৰ্থ হ'ল "ই-ছছুৰ্ব মই পুত্ৰ, সেয়ে মোৰ ভাৰষা।" ই-ছছু হ'ল এবিষ্টি নগৰীৰ অধিষ্ঠাতা দেৱতা।

প্ৰথম টিগলথ পিলেছাৰৰ পিচত প্ৰায় এশ বছৰ ধৰি এছীৰিয়া সুপ্ত অৱস্থাত আছিল। খ্ৰীষ্ট পূৰ্ব্ব অষ্টম শতাব্দীত এছীৰিয়াৰ পুনৰুত্থান হয়। দ্বিতীয় টিগলথ্‌ পিলেছাৰ, দ্বিতীয় আদদ্‌ নিৰাৰি, দ্বিতীয় টুকুল্টি এনুৰ্টা, অছুৰ-নাছিৰ-পাল, তৃতীয় ছালমেনাছাৰ প্ৰমুখ্যে ৰজাসকলৰ দিনত এছীৰিয়া উন্নতিৰ সৰ্ব্বোচ্চ শিখৰ পায়গৈ। অছুৰ-নাছিৰ-পালৰ পিচৰ ৰজা কেইজনৰ ভিতৰত সৰ্ব্বপ্ৰধান হল তৃতীয় টিগলথ পিলেছাৰ (খ্ৰীঃ পূঃ ৭৪৫-৭২৭), ছাৰ্গন (খ্ৰীঃ পূঃ ৭২২-৭০৫), ছেনাচেৰিব (খ্ৰীঃ পূঃ

(১) And the beginning of his kingdom was Babel, and Erech, and Accad, and Calneh, in the land of Shinar.

Out of that land went forth Asshur, and builded Nineveh, and the city Rehoboth, and Calah.

And Re-sen between Nineveh and calah: the same is a great city.

Genesis, X, 10-12



৭০৫-৬৮১), ইছাৰহাডন (খ্ৰীঃ পূঃ ৬৮১-৬২৬) আৰু অছুৰ-বানি-পাল (খ্ৰীঃ পূঃ ৬৬৯-৬২৬)।

এছীৰীয়সকলৰ বিশেষত্ব আছিল যুদ্ধ-বিদ্যা। শৌৰ্য্য-বীৰ্য্যত কোনো জাতি এছীৰীয়সকলৰ সমকক্ষ হব পৰা নাছিল। যুদ্ধ আছিল তেওঁলোকৰ প্ৰধানতম উদ্যোগ আৰু কলা। পদাতিক, অশ্বাৰোহী আৰু ৰথীৰ সমভিব্যাহাৰত যুদ্ধ চালনা কৰি শত্ৰু পক্ষক একেবাৰে নিৰ্ম্মূল কৰি পেলোৱাৰ যি ক্ষয়ঙ্কৰ ৰণ-কৌশল অছুৰ-নাছিৰ-পালে (খ্ৰীষ্ট পূৰ্ব্ব ৮৮৪-৮৫৯) প্ৰৱৰ্ত্তন কৰিলে, সি একাধাৰে এছীৰিয়াৰ গৌৰৱ আৰু কলঙ্ক। নিয়মিত সৈন্যবলৰ উপৰিও এছীৰিয়াৰ প্ৰতিজন সাবালক। লোককে আৱশ্যক হলে যুদ্ধলৈ যাবৰ বাবে সষ্টম কৰি ৰখা হৈছিল। প্ৰতিপক্ষৰ দুৰ্গ অৱৰোধ কৰাৰ তেওঁলোকে কিছুমান যন্ত্ৰও উদ্ভাৱন কৰিছিল। প্ৰচণ্ড বেগেৰে চলাই নি দুৰ্গৰ প্ৰাচীৰ খুন্দা মাৰি খহাই পেলাব পৰা চাৰিটা বা ছটা চকৰী লগোৱা যন্ত্ৰ এটাৰ সহায়ত তেওঁলোকে বিপক্ষৰ দুৰ্গ ভেদ কৰিছিল। তদুপৰি দুৰ্গৰ ওপৰত দূৰৰ পৰাই প্ৰকাণ্ড প্ৰকাণ্ড শিল পেলাব পৰা যন্ত্ৰ এটাৰো তেওঁলোকে সহায় লৈছিল। এছীৰিয়াৰ ভাস্কৰ্য্যত প্ৰায়ে দেখা যায় যুদ্ধৰ দৃশ্য, আৰু যুদ্ধ নেথাকিলে সিংহ-চিকাৰৰ চিত্ৰ। এছীৰিয়াৰ ৰজাসকলৰ জীৱন প্ৰকৃতপক্ষে তেনেই আছিল। শত্ৰু যদি ওলায়, তেন্তে তেওঁলোক যুদ্ধলৈ যাব আৰু শত্ৰুক সাঙ্গোপাঙ্গে শেষ কৰি গৈ আহিব। শত্ৰু যদি নোলায়, তেন্তে সিংহ বা বনৰীয়া ষাঁড় চিকাৰ কৰিবৰ বাবে অৰণ্যলৈ যাব। যুদ্ধত ৰাপ বৰ বেছি আছিল দেখি স্থাপত্য আৰু কিছুমান ব্যৱহাৰ্য্য কলাৰ বাহিৰে সূক্ষ্ম বা সুকোমল অনুভূতি জাগৰিত কৰিব পৰা কলাত তেওঁলোকে বিশেষ পাৰ্গতালি দেখুৱাব পৰা নাছিল। এছীৰিয়াৰ ৰজাসকলৰ যুদ্ধই আছিল ঘাই ধৰ্ম্ম; যুদ্ধত বা চিকাৰত সাফল্য অৰ্জ্জন কৰা বাবে তেওঁলোকে নিজ নিজ ইষ্ট দেৱতাৰ গুণগান কৰা দেখা যায়। অছুৰ-বানি-পালৰ এখন লিপিত আছে, "জাতিবৰ্গৰ ৰজা—এছীৰিয়াৰ ৰজা, মই—অছুৰ-বানি-পালে—অসীম সাহস দেখুৱাই মাটিৰ পৰাই ভয়ঙ্কৰ আকৃতিৰ সিংহ এটাৰ লগত যুঁজি, ৰণদেৱী অছুৰ আৰু ইষ্টাৰৰ কৃপাত, ডাক কাণখনত ধৰি লৈ মোৰ হাতত থকা যাঠী ডালেৰে খটম কৰি দিলোঁ।" এছীৰিয়াৰ ৰজাসকল কেনে ধাতুৰ লোক আছিল, এই প্ৰশস্তিয়েই তাৰ এটা আভাস দিয়ে।

এছীৰীয়সকল বল-বিক্ৰমত যিদৰে আছিল অতুলনীয়, সেইদৰে বৰ্ব্বৰতা আৰু নৃশংসতাতো আছিল চূড়ান্ত। প্ৰাচীন কালত সুসভ্য বুলি পৰিচিত কোনো জাতি তেওঁলোকৰ সমান প্ৰতিহিংসাপৰায়ণ নাছিল। বিপক্ষৰ প্ৰতি তেওঁলোকে যি নিষ্ঠুৰতাৰ পৰাকাষ্ঠা দেখুৱালে, সি পুৰণি বুৰঞ্জীৰ এক লোমহৰ্ষক কাহিনী। প্ৰতিপক্ষীয় মানুহ মাৰি মূৰবোৰ কাটি লৈ ৰজাক দেখুৱাব পাৰিলে বঁটা দিয়া হৈছিল। বিজিত সেনানায়ক আৰু দুই এজন সম্মানিত ব্যক্তিক হয়তো কেতিয়াবা অব্যাহতি দিয়া হৈছিল; বাকী সকলোবোৰৰ সমূলে উৎপাটন কৰা হৈছিল। নিৰীহ লৰাছোৱালীয়েও তেওঁলোকৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা পৰা নাছিল। অছুৰ-নাছিৰ-পাল আৰু অছুৰ-বানি-পাল আছিল এই বিষয়ত আন কেইজনতকৈও একাঠী চৰা। এই সৰ্ব্বগ্ৰাসী ৰণ-বিজ্ঞানত ছাৰ্গনে আন এটা নতুনত্বৰ সঞ্চাৰ কৰে। তেওঁ অধিকৃত দেশৰ সমুদায় বাসিন্দাক ধৰি জোৰ কৰি দেশান্তৰিত কৰিবলৈ লয়। ভৱিষ্যতে সম্ভাব্য বিদ্ৰোহৰ কণ-কঠীয়া মাৰি পেলাবলৈকে বিজিত জনসাধাৰণক ছেদেলি-ভেদেলি কৰি অ'ত ত'ত বহুওৱা হৈছিল। তেনে কৰোঁতে অধিকাংশ

লোকেই মৃত্যুৰ মুখত পৰিছিল যদিও তাৰ্লৈ ছাৰ্গন বা তেওঁৰ বংশধৰসকলে ভ্ৰূক্ষেপ কৰা নাছিল। বন্দীক ধৰি পিণ্ডত দিয়া, লোহাৰ মুদ্গৰেৰে মূৰত মাৰ শোধাই মৰা, ডিঙিত ঘাপ দি দুচেও কৰা, তৰোৱালেৰে টুকুৰাটুকুৰকৈ কটা, তপত লোহাৰ শলাৰে চকু ঘুকি উলিয়াই পেলোৱা, নাক কটা, কাণ কটা আৰু জিভাখন টানি উলিয়াই আনি গুৰিতে কাটি পেলোৱা আদি অকথ্য শাস্তিৰ বিধান কৰি এছীৰীয়সকলে অসীম আনন্দ উপভোগ কৰিছিল। অছুৰ-বানি-পালৰ এক শিলাখণ্ডত বন্দী এজনৰ দুৰৱস্থা চিত্ৰিত হৈছে। এজন এছীৰীয় চাওদাঙে বন্দীৰ মূৰটো ধৰি আছে আৰু আনজনে মুখত হাত ভৰাই জিভাখন কাটিবৰ বাবে টানি উলিয়াইছে। এছীৰীয়সকলে কোনোবাখন ঠাই অধিকাৰ কৰিলে তাৰ সমস্ত সম্পত্তি লুট কৰি লৈ আহে, মানুহবোৰ পাৰিলে কাটি-মাৰি খাস্তাং কৰে আৰু নোৱাৰিলে ধৰি আনি শিল কঢ়িওৱাত বা ইটা তৈয়াৰ কৰাত লগাই দিয়ে। এইবোৰ মানুহৰ প্ৰতি দয়া-মমতা দেখুৱাটো এছীৰীয় ধৰ্ম্মৰ নীতিৰ বাহিৰত। এছীৰিয়াৰ সুবৃহৎ অট্টালিকা আৰু নগৰবোৰ নিৰ্ম্মাণ কৰিবৰ বাবে শ্ৰমবল এনে ধৰণেই সংগ্ৰহ কৰা হৈছিল। এনেদৰে বন্দী কৰি অনা মানুহবোৰ খটুৱাই অছুৰ-নাছিৰ-পালে অতি কম সময়ৰ ভিতৰতে কালা' নগৰখন এছীৰিয়াৰ এক ৰম্য পুৰীত পৰিণত কৰে। এছীৰীয়সকলৰ দৰে অহঙ্কাৰী আৰু বিশ্বাসঘাতক জাতি এটাও সতকাই বিচাৰি উলিওৱা টান।

সেইবুলি এই অপ্ৰীতিকৰ দিশটোৰ ওপৰত বিশেষ জোৰ দিলে নচলিব। এছীৰীয়সকলৰ গৃহ-নিৰ্ম্মাণ আৰু নগৰ পৰিকল্পনা সেই কালৰ অন্যান্য যি কোনো জাতিতকৈ উন্নততৰ আছিল। তেওঁলোক ভাস্কৰ্য্যৰ বিশেষকৈ মাটিৰ পৰা অলপ ওখ কৰি শিল বা ইটাৰ স্তম্ভত খোদাই কৰা মূৰ্ত্তি—অতিশয় মনোমোহা। নানান দেশ জয় কৰি অসংখ্য বন্দী-বেটী আৰু অপাৰ ধন-ৰত্ন আনি থুপাই লোৱা বাবে এছীৰীয়সকলে লাহ-বিলাহ আৰু আমোদ-প্ৰমোদত দিন কটাব পাৰিছিল। বিশাল অট্টালিকা সাজি প্ৰতিটো কোঠাতে মজিয়াৰ তলত নৰ্দ্দমা দি তাত নলা বহুৱাই পানী-চুনী বা জাবৰ-জোথৰ বাহিৰ কৰি পেলোৱাৰ তেওঁলোকে সুব্যৱস্থা কৰিছিল। ঘৰবোৰত খিড়িকী নাছিল; ঘৰৰ চাল কাঠৰ তক্তাৰে দিয়া হৈছিল। শাৰী শাৰী তক্তাৰ মাজৰ সুৰুঙাইদি পোহৰ আৰু বতাহ সোমাব পৰা কৰি লোৱা হৈছিল। ৰাজপ্ৰাসাদবোৰৰ দুৱাৰ-মুখত পাখী লগা মানুহৰূপী ষাঁড় আৰু সিংহৰ প্ৰকাণ্ড প্ৰকাণ্ড মূৰ্ত্তি স্থাপন কৰা হৈছিল। সিংহ আৰু ষাঁড়বোৰৰ ঠেং আছিল পাঁচোটাকৈ; অথচ এনে ধৰণে সজোৱা হৈছিল যে যি ফালৰ পৰাই চোৱা যায়, সেই ফালৰ পৰাই মাথোন চাৰিটাহে ঠেং দেখা যায়। প্ৰাচীৰত বা তোৰণত যুদ্ধৰত অৱস্থাত থকা ড্ৰেগনৰ ছবি চিত্ৰিত কৰি থোৱা হৈছিল। ইছাৰহাডনৰ প্ৰতিমূৰ্ত্তি, টাইগ্ৰীছ নদীত চেনাচেৰিবৰ জাহাজবোৰৰ চিত্ৰ, অছুৰ-নাছিৰ পালৰ সিংহ চিকাৰ, শত্ৰু পক্ষৰ দুৰ্গ অৱৰোধ, ৰথত উঠি যুদ্ধলৈ বা মৃগয়ালৈ যোৱা চিত্ৰ, পৰাজিত দেশৰ পৰা ভাৰ-ভেটী বহন কৰি অনা কটকী—এছীৰীয় ভাস্কৰ্য্যৰ বিস্তৰ নিদৰ্শনৰ ভিতৰত এই কেইটাৰে উল্লেখ কৰিব পাৰি। তেওঁলোকৰ ভাস্কৰ্য্যত আদৰ্শ ৰূপায়িত হোৱা নাছিল; সি আছিল বাস্তৱৰ তেনেই হুবহু প্ৰতিকৃতি। দৰ্শকৰ মনত সৌন্দৰ্য্যৰ অনুভূতি জাগৰিত নকৰি ত্ৰাসৰ সঞ্চাৰ কৰাটোৱেই এছীৰীয় কলাৰ অভিপ্ৰেত উদ্দেশ্য আছিল যেন লাগে।



দৰ্শন বা গভীৰ চিন্তাধাৰাত এছীৰীয়সকলৰ অৱদান বিশেষ নাই; যুদ্ধ-বিদ্যা, স্থাপত্য, ভাস্কৰ্য্য আৰু জীৱন আৰামদায়ক কৰিবৰ অৰ্থে আৱশ্যক হোৱা অন্যান্য ব্যৱহাৰ্য্য কলাতহে তেওঁলোকৰ বিশেষত্বৰ সন্ধান পোৱা গৈছিল।

খ্ৰীষ্ট পূৰ্ব্ব ৮১০ চনত এচীৰিয়াৰ সম্ৰাট তৃতীয় ছালমেনাছাৰে বেবিলন দখল কৰে। তেতিয়াৰ পৰা প্ৰায় দুশ বছৰ ধৰি এছীৰিয়া আৰু বেবিলনিয়াৰ ভিতৰত সততে যুদ্ধ-বিগ্ৰহ চলি আহিছিল। খ্ৰীষ্ট পূৰ্ব্ব ৬৬৮ চনত বেবিলনে এছীৰীয় সম্ৰাট ইছাৰহাডনৰ কৱলৰ পৰা মুক্তি লভে। সেই সময়ৰ পৰা ধৰি খ্ৰীষ্ট পূৰ্ব্ব ৫৩৯ চনৰ পাৰ্চীসকলৰ দখললৈ নোযোৱা পৰ্য্যন্ত বেবিলনেই আছিল মেছোপটামিয়াৰ ঘাই ৰাজশক্তি। এই সময়ছোৱাৰ সভ্যতাকে পৰৱৰ্ত্তী বেচিলনীয় সভ্যতা বোলা হয়। খ্ৰীষ্ট পূৰ্ব্ব ৬১২ চনত স্কাইথীয় আক্ৰমণত নিনেভা বিধ্বস্ত হলত বেবিলনেই মেছোপটামিয়াৰ প্ৰাচীন ঐতিহ্যৰ একমাত্ৰ অধিকাৰী হয়।

বেবিলনৰ এই পুনৰুত্থান সম্ভৱপৰ হয় নাবপলাছাৰ আৰু তেওঁৰ সুযোগ্য পুত্ৰ দ্বিতীয় নাবুকাডৰেজাৰৰ ঐকান্তিক চেষ্টাত। নাবুকাডৰেজাৰৰ (খ্ৰীষ্ট পূৰ্ব্ব ৬০৪—৫৬২) দিনতে বেবিলন উন্নতিৰ সৰ্ব্বোচ্চ শিখৰ পায়গৈ। নাবুকাডৰেজাৰে মিছৰৰ সীমালৈকে নিজ ৰাজ্য বহলায়। কেৱল যোদ্ধা হিচাবেই নহয়, নিৰ্ম্মাতা হিচাবেও নাবুকাডৰেজাৰে বুৰঞ্জীৰ পাতত অক্ষয় কীৰ্ত্তি ৰাখি থৈ গৈছে। নাবুকাডৰেজাৰে এছীৰীয়সকলৰ কল-কৌশলকে অৱলম্বন কৰিছিল। বিভিন্ন দেশ জয় কৰি তাৰ মানুহবোৰ ধৰি আনি বেবিলনৰ অ'ত ত'ত বিক্ষিপ্ত ভাবে বসতি কৰিবলৈ দিয়া হৈছিল। দ'ল-দেৱালয় বন্ধাত এইবোৰ মানুহকে নিয়োজিত কৰা হছিল।

নাবুকাডৰেজাৰে বেবিলনৰ বিখ্যাত প্ৰাচীৰ নিৰ্ম্মাণ কৰোৱায়। বেবিলনৰ চৌহদৰ প্ৰাচীৰ দুখন—ইমগুৰ-বেল আৰু নিমিট্টি-বেল। প্ৰথমখন ভিতৰৰ আৰু দ্বিতীয়খন বাহিৰৰ। এই দেৱালৰ নিৰ্ম্মাণ-কাৰ্য্য আৰম্ভ কৰিছিল নাবপলাছাৰে; কিন্তু শেষ কৰিলেগৈ নাবুকাডৰেজাৰে। এই বিখ্যাত প্ৰাচীৰ ৭৫ ফুট ওখ আৰু ৩২ ফুট বহল। প্ৰাচীৰখন ইটাৰে গথা, একোডোখৰ ইটা আছিল ৩৪ ইঞ্চি ডাঠ আৰু আয়তনত হব প্ৰায় এক বৰ্গ ফুট। তেওঁ বহুতো নতুন নতুন অট্টালিকা সজায় আৰু পুৰণি প্ৰাসাদবোৰ মেৰামতি কৰে। বেবিলনৰ অধিষ্ঠাতা দেৱতা বেলৰ মন্দিৰটো তেওঁ মেৰামতি কৰায় আৰু তাৰ দেৱালত নানান কাৰুকাৰ্য্য খচিত কৰে। ছিপ্পাৰাত তেওঁ ১৪০ মাইল জোৰা পুখুৰী এটা খন্দায়। এই পুখুৰীটো ১৮০ ফুট দ আছিল। ইয়াৰ পৰা পানী নি ওচৰৰ খেতিৰ মাটি সাৰুৱা কৰিবৰ বাবে নহৰ খান্দি দিয়া হৈছিল আৰু নহৰৰ মুখত সঁচাৰ-কাঠী মাৰি পানীৰ গতি নিয়ন্ত্ৰিত কৰা হৈছিল। ইউফ্ৰেট্‌ছ আৰু টাইগ্ৰীছ নদী সংযুক্ত কৰি তেওঁ এটা খাল খন্দাইছিল। এই খালটোকে "নহৰ-মল্‌চা" (অৰ্থাৎ 'ৰাজকীয় নদী') বোলা হৈছিল। পাৰস্য উপসাগৰৰ পাৰত ঠায়ে ঠায়ে কুপ খান্দি পানী জমা ৰাখি খেতিৰ মাটিলৈ উলিয়াই নিয়াৰ তেওঁ সুব্যৱস্থা কৰাই দিছিল। নাবুকাডৰেজাৰে পাৰশ্য উপসাগৰৰ পাৰত ডিৰিদটিছ বা টেৰেডন নামে নতুন নগৰ এখনো স্থাপন কৰিছিল।

বেবিলনৰ আলাস উদ্যান নাবুকাডৰেজাৰৰ আটাইতকৈ ডাঙৰ সাফল্য। এমিটিছ নামে মিডিয়াৰ ৰাজকন্যা এগৰাকীৰ তেওঁ পাণি গ্ৰহণ কৰিছিল আৰু এই মেডীয় ৰাণীৰ মনোৰঞ্জনৰ অৰ্থে প্ৰাকৃতিক শোভা আৰু স্থাপত্য-বিজ্ঞানৰ

একত্ৰ সমাহাৰ কৰি তেওঁ বেবিলনৰ আলাস উদ্যান নিৰ্ম্মাণ কৰিছিল। গ্ৰীকসকলৰ দৃষ্টিত ই পৃথিৱীৰ সপ্তম আশ্চৰ্য্যৰ অন্যতম হিচাবে পৰিগণিত হৈছিল। গ্ৰীক পৰ্য্যটক আৰু ঐতিহাসিকসকলৰ বৰ্ণনাৰ পৰা জনা যায় যে এই উদ্যান আছিল এক বৰ্গক্ষেত্ৰ ; প্ৰতিটো সীমাৰেখা দীঘে প্ৰায় চাৰি শ ফুট। প্ৰকাণ্ড ধেনুভিৰীয়া ইটাৰ মেৰ বা খিলান কিছুমান মাটিৰ পৰা ইটোৰ ওপৰত সিটোকৈ ঠাক ঠাক কৰি সজোৱা হৈছিল। প্ৰথমটো ঠাকৰ ওপৰত এখন মঞ্চ বা চাং দিয়া হৈছিল। সেইখন চাঙৰ ওপৰত আন এঠাক খিলান ; সেই ঠাক খিলানৰ ওপৰত আকৌ এখন চাং এনে ধৰণে নি নি উদ্যানখন ৭৫ ফুট ওখ কৰা হৈছিল। একেবাৰে ওপৰৰ চাংখনত মাটি সমানকৈ ঢালি মিডিয়াৰ প্ৰাকৃতিক দৃশ্যাৱলীৰ অনুকৰণত নানা তৃণ-তৰু-লতা লগোৱা হৈছিল। গ্ৰীক ঐতিহাসিকসকলৰ বৰ্ণনাৰ পৰা জনা যায় যে ওপৰ মহলত ৰোৱা একো-জোপা গছৰ কালি ১২ ফুট। চকৰী লগোৱা যন্ত্ৰৰ সহায়ত নলীৰে ইউফ্ৰেট্ছ নদীৰ পানী ওপৰৰ টেঙ্কি এটালৈ তোলা হৈছিল আৰু তাৰ পৰা নমাই গোটেই ফুলনিতে সিঁচি দিয়া হৈছিল। এই পানীৰ টেঙ্কি আৰু পানী তোলা যন্ত্ৰটো ফুলনিৰ সোঁ-মাজতে আছিল। ফুলনিলৈ উঠিবৰ বাবে খটখটী আছিল।

দ্বিতীয় নাবুকাডৰেজাৰৰ মৃত্যুৰ ( খ্ৰীঃ পূঃ ৫৬২ ) পিচৰ পৰাই বেবিলনৰ পতন আৰম্ভ হয়। তেওঁৰ তিনিজন দুৰ্ব্বল বংশধৰে মুঠ ছবছৰ মাত্ৰ ৰাজপাট ভোগ কৰে। অৱশেষত বেবিলনৰ পুৰোহিত আৰু যাজক শ্ৰেণীয়ে নাবুনাইড্ বা নাবনিডাছ নামে এজন লোকক সিংহাসনত বহুৱায়। নাবনিডাছ সুপণ্ডিত আৰু পুৰাতত্ত্ববিদ আছিল যদিও শাসনকৰ্ত্তা হিচাবে নিতান্ত অলায়ক প্ৰমাণিত হয়। তেওঁ শাসন-ভাৰ পুতেক বেলছাৰুছুৰক গতাই দি নিজে মন্দিৰ নিৰ্ম্মাণ আৰু প্ৰাচীন কীৰ্ত্তিৰাশি সংৰক্ষণত একাণপতীয়াকৈ লাগি যায়। হিব্ৰুসকলৰ ওচৰত বেলছাৰুছুৰ 'বেলছাজাৰ' নামে জনাজাত। এই 'উঠি' ৰজাজনকে হিব্ৰুসকলে বেবিলনৰ যথাৰ্থ ৰজা বুলি ভাবিছিল। পাৰ্চীসকলে এওঁকে অতৰ্কিত ভাবে আক্ৰমণ কৰি খ্ৰীষ্ট পূৰ্ব্ব ৫৩৯ চনত বেবিলন দখল কৰে।

বেবিলনীয়সকলে অসংখ্য দেৱ-দেৱীৰ পূজাপাতল কৰিছিল। নগৰে নগৰে বেলেগ বেলেগ অধিষ্ঠাতা দেৱতা একোজন থকাৰ উপৰিও ৰাজফৈদ-বোৰৰ নিজস্ব একোজন কুলদেৱতাও আছিল। একো একোজন দেৱতাৰ নামেৰেই ৰজাসকলৰো নামকৰণ হৈছিল ; যেনে 'মাৰ্ড্কৰ সেৱক', 'বেলৰ তনয়', 'মেৰডাকৰ প্ৰিয়পাত্ৰ'...ইত্যাদি। এছীৰিয়া আৰু বেবিলনিয়াৰ দেৱ-দেৱী প্ৰায় অভিন্ন ; তথাপি এছীৰীয়সকলৰ দেৱ-দেৱীৰ ভিতৰত মুখ্য আছিল অছুৰ, ইষ্টাৰ, বেল আৰু ই-ছছু ; বেবিলনীয়সকলৰ ঘাই উপাস্য দেৱতা হ'ল বেল, মাৰ্ড্ক আৰু মেৰডাক ( মেৰডাচ )। নাবুকাডৰেজাৰ সকলো দেৱ-দেৱীৰে এজন ডাঙৰ পৃষ্ঠপোষক আছিল। অৱশ্যে মেৰডাকৰ প্ৰতি তেওঁৰ আসক্তি অলপ বেছি আছিল বুলি জনা যায়। মেৰডাক হ'ল গ্ৰহসকলৰ গুৰু বৃহস্পতি ; ভক্তক অপায়-অমঙ্গলৰ পৰা তেওঁ ৰক্ষা কৰে। তত্ৰাচ তেওঁক বেবিলনীয়সকলৰ ঘাই দেৱতা বুলিব নোৱাৰি। সেই সন্মান এলৰহে প্ৰাপ্য।

বেবিলনীয়সকলৰ আদিদেৱ হল এল্ ( El ) বা ইল্ ( Il )। দেশখনৰ নাম--ছেমিটিক 'বাবেল' আৰু গ্ৰীক 'বেবিলন'—এইজন দেৱতাৰ পৰাই ওলাইছে। 'বাব' মানে তোৰণ বা প্ৰবেশ-দ্বাৰ আৰু 'এল' হল দেৱতাজনৰ নাম ; গতিকে 'বাবেল' মানে "এলৰ তোৰণ"। 'বাবেল' বা 'বেবিলন' নামটোৰ উৎপত্তি হল কেনেকৈ, সেই সম্বন্ধে বেৰছছে কৈছে, "পৃথিৱীখন তেতিয়াও আছিল একেটা ভাষাৰ। নিজৰ শক্তি-সামৰ্থ্যত মদগৰ্ব্বী হৈ উঠি আদিম মানৱে দেৱতাসকলক নিকৃষ্টতৰ বুলি ঘৃণা কৰিবলৈ ললে আৰু স্বৰ্গলৈ উঠি যোৱাৰ অভিলাসেৰে মহোত্তুঙ্গ চূড়া এটা নিৰ্ম্মাণ কৰিলে। চূড়াটো গৈ গৈ স্বৰ্গ পায় মানে দেৱতাসকলে বতাহ বলাই দিয়ালে। ফলত মানুহৰ ওপৰতে চূড়াটো ভাগি পৰিল আৰু বেলেগ বেলেগ ভাষাত মানুহে কথা কব লগা হল। সেইদেখি নগৰখনক বেবিলন বোলা হয়।"

জেনেছিছত পোৱা হিব্ৰু আখ্যানটোত যে বেৰছছৰ বৃত্তান্তৰে প্ৰতিধ্বনি উঠিছে, সেইটো উল্লেখ নকৰিলেও হব। হিব্ৰুসকলৰ উপাস্য দেৱতা 'এলহিম' ( Elohim ; উচ্চাৰণ কৰোতে 'এলয়িম' ) আৰু মুছলমানসকলৰ আৰবী 'আল্লা' নাম দুটাও বেবিলনীয় 'এল'ৰ পৰাই অহা। 'এল' মানে ঈশ্বৰ বা পৰমেশ্বৰ। এইজন দেৱতাৰে মিছৰীয় সংস্কৰণ হ'ল 'ৰা' ( Ra ) ; কিন্তু মিছৰীয়সকলে এওঁক কেৱল সূৰ্য্যদেৱতা বুলিয়েই জানে। বেবিলনীয়সকলৰ অৱশ্যে বেলেগ সূৰ্য্যদেৱতা এজন আছিল। তেওঁকে 'ছামাছ', 'ছান' বা 'ছান্সি' বোলা হৈছিল।

এলৰ পিচতে উল্লেখযোগ্য হল অন্যান্য তিনিজন দেৱতা—'এনা' বা 'অনু', 'বিল'বা 'বিল' আৰু 'হিৱা' বা 'হৱা'। এনা হল দেৱতাসকলৰ পিতৃস্বৰূপ ; তেওঁৰ আবাস নীলিম গগনত। মৰ্ত্ত্যলোকত তেওঁৰ ঘাই থানখন আছিল ইৰেখ ( বৰ্ত্তমান 'ৱৰ্কা' ) নগৰীত ; তেওঁৰ অৰ্দ্ধাঙ্গিনী হল 'এনাট'বা 'অনাটা'।

বেল হল পালনকৰ্ত্তা বা প্ৰভু। আমাৰ বিষ্ণুৰ লগত এওঁৰ বিশেষ ভাবে মিল আছে। স্বধৰ্ম্মী-সকলক ত্ৰাণ কৰিব পৰা কোনোবা বীৰপুঙ্গৱ ওলালেই তেওঁক বেলৰ অৱতাৰী পুৰুষ বুলি ধৰা হয়। বেলৰ মন্দিৰ কেবা ঠাইতো আছিল যদিও কাল্নে ( বৰ্ত্তমান 'নিফাৰ' ) নগৰখনেই আছিল তেওঁৰ উপাসনাৰ ঘাই কেন্দ্ৰ। হিৰডটাছ আৰু অন্যান্য গ্ৰীক ঐতিহাসিকসকলৰ লেখাৰ পৰা বেবিলনত থকা বেলৰ মন্দিৰটোৰ সবিশেষ জনা যায়। এই মন্দিৰটো আছিল আঠ খলপা ওখ এটা 'জিগুৰাট' বা চূড়া। একেবাৰে ওপৰৰ খলপাত বেলৰ সিংহাসন স্থাপিত হৈছিল। মন্দিৰৰ চৌহদ পোৱা মাইল জুৰি আছিল। বেলৰ অৰ্দ্ধাঙ্গিনী হল 'বেল্টিছ' বা 'মুলিতা' দেৱী। সময়ত তেওঁক বেলৰ লগত একেলগে আৰু সময়ত বেলেগে পূজা কৰা হৈছিল।

'হিৱা' বা 'হৱা' সাগৰ-দেৱতা বা জল-দেৱতা। বোধ হয় তেওঁ আদিকালৰ মৎস্যৰূপী 'অৱান' বা 'অৱানেছ' বোলা অৰ্দ্ধাসুৰজনৰে পৰিমাৰ্জ্জিত সংস্কৰণ। হিৱা হল কৃষি, জলসিঞ্চন, কলা-বিজ্ঞান, লিখা-পঢ়া আদিৰ কৰ্ত্তা। তেওঁৰ প্ৰতীক হ'ল সাপ। সাপৰ ৰূপ লৈয়ে তেওঁ হেনো বেবিলনীয়সকলক অক্ষৰজ্ঞান দান কৰিছিল। এছীৰিয়াৰ ৰজাসকলে কালা' আৰু অছুৰত হিৱাৰ পূজাৰ মিমিত্তে ডাঙৰ ডাঙৰ মন্দিৰ নিৰ্ম্মাণ কৰাই দিছিল। হিৱাৰ অৰ্দ্ধাঙ্গিনী হল 'ডাওকিনা' বা 'ডামকিনা'।

এছীৰিয়া আৰু বেবিলনিয়াৰ প্ৰায় সকলোবোৰ দেৱ-দেৱীৰ মন্দিৰেই আছিল একো একোটা খলপা-খলপী চূড়া। চূড়াবোৰ অভ্ৰভেদী কৰাটো তেওঁ-লোকৰ বিঘোষিত উদ্দেশ্য। একেবাৰে তলৰ খলপাতকৈ ওপৰৰটো অলপ সৰু হয়। এনেদৰে ক্ৰমান্বয়ে চিয়া কৰি খলপাবোৰ ওপৰলৈকে বান্ধি নিয়া হয়। দেৱতাৰ বেদীখন একেবাৰে ওপৰৰ খলপাত থাকেগৈ আৰু তালৈ উঠি যাবৰ বাবে একাষে নাইবা পিচফালৰ পৰা খটখটী তৈয়াৰ কৰি দিয়া হয়। খটখটীয়েদি ওপৰলৈ যাওঁতে এই

খলপা-খলপা চূড়াৰ প্ৰতিটো খলপাৰ চৌপাশে ঘূৰি ঘূৰি উঠিব লগা হয়। এনে ধৰণৰ স্থাপত্যকে 'জিগুৰাট' ( Ziggurat ) বা চূড়া বোলা হয়। গতিকে এছীৰিয়া-বেবিলনৰ জিগুৰাট্‌বোৰ আমি সচৰাচৰ বুজা বিধৰ মিনাৰ বা স্তম্ভ নহয় : সেইবোৰ হল চূড়াকৃতিৰ মন্দিৰ। দক্ষিণ ভাৰতৰ চোল ৰজাসকলে গগনচুম্বী 'বিমান' দি সু-উচ্চ 'গোপুৰম' কিছুমান নিৰ্ম্মাণ কৰিছিল। বেবিলনীয় জিগুৰাট-বোৰ এই বিমান-শোভিত গোপুৰমবোৰৰ নিচিনাও নহয়। বৰ্গক্ষেত্ৰাকাৰ কৰি ইটাৰে ওখ ভেটী এটা বন্ধা হয়। তাৰ ওপৰত ঠিক সিমানেই ওখ অথচ অপেক্ষাকৃত ভাবে সৰু আন এখলপা ইটাৰ বান্ধ দিয়া হয়। এনে ধৰণে খলপা-খলপে নি নি বেছ বুজন ধৰণে ওখ হোৱাৰ পিচত—অৰ্থাৎ আকাশ-লজ্ঘী হোৱাৰ পিচত—একেবাৰে ওপৰৰ খলপাত ছায়ামৰা এখন উভি বিগ্ৰহ স্থাপন কৰা হয়।

স্থাপত্য আৰু ভাস্কৰ্য্যৰ বাহিৰেও জ্যোতিষ, মৃৎশিল্প আৰু বাণিজ্যত বেবিলনীয়সকলৰ কৃতিত্ব ফুটি উঠিছিল। আমোদ-প্ৰমোদ পোছাক-পৰিচ্ছদ আৰু কায়িক সৌন্দৰ্য্য-সাধনাৰ প্ৰসাধনতো তেওঁলোক আগবঢ়া আছিল। হস্তৰেখা বিদ্যা আৰু স্বপ্নতত্ত্বৰ প্ৰতি তেওঁলোকৰ প্ৰবল আকৰ্ষণ আছিল। সেই-বুলি তেওঁলোকৰ সমাজত নাৰীৰ মৰ্য্যাদা বৰ উচ্চতৰ নাছিল। বেবিলনীয় নাৰী মাত্ৰেই জীৱনত অন্ততঃ এবাৰ বেল্টিছৰ মন্দিৰত দেৱদাসী হিচাবে খাটি দিব লগা হৈছিল। বিদেশী পৰ্য্যটকক আকৰ্ষণ কৰিবৰ বাবে হেনো এনে বিধান প্ৰৱৰ্ত্তন কৰা হৈছিল। বিবাহোপযোগী হোৱা ছোৱালী বাৰোৱাৰী মণ্ডপত ডাকত বা নীলামত দিয়া হৈছিল। অৱশ্যে এই অপ্ৰীতিকৰ দিশটোৱে তেওঁলোকৰ সংস্কৃতিক গৌৰৱ বিশেষ ম্লান নকৰে।

পোনতে বেবিলন আছিল এখন পৌৰ ৰাজ্য—গ্ৰীচৰ এথেন্স বা স্পাৰ্টাৰ নিচিনা। এই বৃহৎ নগৰখনে ইউফ্ৰেটিছ নদীৰ দুয়োপাৰৰ এক বিস্তীৰ্ণ এলেকা সামৰি লৈছিল। নগৰীৰ অধিকাংশ অৱশ্যে ইউফ্ৰেটিছৰ পূবলৈ পৰিছিল। এতিয়াৰ হিল্লা বোলা নগৰখনৰ পাঁচ মাইল উজনিৰ পৰা ধৰি প্ৰায় তিনি মাইল নামনিলৈকে এই নগৰৰ ধ্বংসাৱ-শেষ পোৱা গৈছে। বাবিল, এল্‌কাছ্‌ৰ আৰু আমৰান্—এই তিনিটা টিলাতে বেবিলনীয় স্থাপত্য আৰু ভাস্কৰ্য্যৰ সৰহ ভাগ নিদৰ্শন পোৱা গৈছে।*

---

* প্ৰবন্ধ-সংকলন কৰোঁতে ৰ'লিনছন, হল, জেষ্ট্ৰ, উলী প্ৰমুখ্যে কেবাজনো ৰচয়িতাৰ গ্ৰন্থাৱলীৰ সহায় লোৱা হৈছে।

তেজপুৰ অ. ভা. উ. সা. সভাৰ আলোচনা চক্ৰত পঠিত। —লেখক

# বড়ো-কছাৰী জাতিৰ দৰ্শন

( পূৰ্ব্বানুবৃত্তি )

শ্ৰীৰাজমোহন নাথ

## হিড়িম্বা ৰাক্ষসী

আগতে উল্লেখ কৰা পৃথিবীৰ উৰ্ব্বৰতা শক্তি ইড়্‌মা আৰু বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি-কাৰিণী-অদিতি-হিড়্‌মাৰ সদায় দুটা ৰূপ। এটা ৰূপত তেওঁ গৰ্ভধাৰিণী, সন্তান-প্ৰসৱিনী আৰু নিজৰ বুকুৰ পিয়াহ খুৱাই সেই সন্তানক বৰ্দ্ধন-কাৰিণী; আৰু আন এটা ৰূপত তেৱেঁই সেই সন্তানক ভক্ষণ কৰোতা ৰাক্ষসী। পৃথিবীৰ গৰ্ভৰ পৰা শস্য উপজি ডাঙৰ দীঘল হয়, ফুল ফুলে, ফল ধৰে আৰু পৃথিবীৰ বুকুৰ শোভা বঢ়াই বিৰাজ কৰে। কিন্তু সেই শস্য পকি গলে বা গছবোৰ বুঢ়া হলে আকৌ মৰি শুকাই সেই মাতৃৰ পেটত বাহ লয়। আকাশৰ শক্তিৰ গৰ্ভৰ পৰা জগতৰ জীৱ-জন্তু আদি সকলো ওপজে আৰু তাতে সেই আকাশৰ বায়ু, বৰষুণ, সূৰ্য্যৰ ৰশ্মিৰূপ বুকুৰ পিয়াহ খাই ডাঙৰ দীঘল হৈ কিছুমান দিন বিৰাজ কৰাৰ পিচত আকৌ মৰি শুকাই যায়, আৰু তাৰ প্ৰাণ দেহাৰ পঞ্চভূতৰ তত্ত্বৰে সৈতে সেই আকাশত থাকে। পৃথিবী আইৰ আচৰণ সাজ্ঘাতিক আৰু জঘন্য যেন লাগে। প্ৰথম বছৰ আহাৰ মাহৰ বৰষুণ পাই তেওঁ ৰসৱতী বা ৰজস্বলা হয়; তাৰ পিচত শস্যৰ বীজ গৰ্ভত ধাৰণ কৰে। যথাসময়ত সেই বীজটো গৰ্ভত ধাৰণ কৰি সময়ত বৃক্ষৰূপ সন্তান প্ৰসৱ কৰে। সেই সন্তানটো আকৌ বীজৱন্ত হয়। যেতিয়া সেই বীজটো পকে, তেতিয়াই তেওঁ সেই সন্তানটো বধ কৰি খাই পেলায়, আৰু পিছৰ বছৰ সেই সন্তানৰ বীজটো গৰ্ভত ধাৰণ কৰি আকৌ গৰ্ভৱতী হয়। স্নেহময়ী আই পৃথিবীৰ চণ্ডালিনী বৃত্তি;—প্ৰতি বছৰ বিহুৰ সময়ত তেওঁৰ নতুন স্বামীৰ লগত বিয়া হয়, নতুনকৈ কৰ্ষণ অৰ্থাৎ ৰতিক্ৰীড়া আৱশ্যক আৰু নতুন স্বামীৰ বীজৰ দ্বাৰা গৰ্ভৱতী হব লাগে। কথাটো শুনোতে অশ্লীল কিন্তু বাস্তৱ প্ৰাকৃতিক অৱস্থাত ই বৈজ্ঞানিক চিৰন্তন সত্য।

হিন্দু তান্ত্ৰিকসকলে এনেহেন মহামায়াক মহাকালী বুলি পূজা কৰে। মহাকালীৰ মূৰ্ত্তিৰ চাৰি হাত; একহাতত খড়্গ আৰু আন হাতত অভয়-মুদ্ৰা। আন দুটা হাতৰ এক হাতেৰে নিজৰ জননেন্দ্ৰিয়ৰ পৰা এটি সন্তান উলিয়াইছে, আৰু আন হাতেৰে আন এটা সন্তানক নিজৰ মুখত ভৰাইছে। প্ৰতি বছৰ দীপালিৰ ৰাতি পূজা কৰা কালী মূৰ্ত্তিৰো চাৰি হাত—একহাতত খড়্গ আৰু আন হাতত মানুহৰ কটা মুণ্ড। আন দুটা হাতৰ এক হাতত বৰমুদ্ৰা আৰু আন হাতত অভয় মুদ্ৰা। ঋগ্বেদতো বিশ্ব ব্ৰহ্মাণ্ড-স্ৰজনকাৰিণী আদ্যাশক্তি বাক্‌দেৱী সম্পৰ্কে কোৱা হৈছে যে,—ইহলোক আৰু পৰলোকৰ সকলো বস্তু একেলগে তেওঁৰ যোনিৰ ভিতৰত বান্ধ

থাই আছে—“অমৰ্ত্ত্যো মৰ্ত্ত্যেনা স-যোনিঃ” ( ঋ ১।১৬৪।৩০ )।*

আগতে কোৱা হৈছে যে, আগৰ দিনত ৰাজ্যৰ গৰাকী আৰু গৰাকিনী আছিল দেৱতাৰ পুৰোহিত, ৰাজ্যপাল বা পালিকা আৰু সাক্ষাৎ দেৱতা বা দেৱী। আৰু কোৱা হৈছে যে, ক্ৰীট দ্বীপৰ ৰজাৰ জীয়ৰী আছিল—সাক্ষাৎ পৃথিৱী দেৱী। ক্ৰীট-দ্বীপ আৰু গ্ৰীচৰ মাজত থকা প্ৰতিটো দ্বীপৰ গৰাকিনী আছিল একোজনী নাৰী ৰাজ্যপালিকা আৰু সাক্ষাৎ পৃথিৱী দেৱী। সেই দেৱীয়ে বছৰি বিহুৰ দিনা এজন স্বামী গ্ৰহণ কৰিছিল আৰু গোটেই বছৰ তেওঁৰ লগত স্বামী-স্ত্ৰীৰূপে বাস কৰিছিল। বছৰ পূৰ হলে, আকৌ নতুন বছৰৰ বিহুৰ দিনা আগৰ স্বামীজনক বধ কৰি নতুনকৈ এজন স্বামী গ্ৰহণ কৰিছিল। যিবোৰ দেশত পুৰুষ ৰাজ্যপাল আছিল, তাত প্ৰতি বছৰ বিহুৰদিনা এজন প্ৰজাক এদিনৰ কাৰণে ৰাজমুকুট পিন্ধাই, ৰাজসিংহাসনত বহুৱাই আৰু ৰজাৰ দৰে সকলো সুখ সম্ভোগ ভোগ কৰোৱাই ৰাতিপুৱাৰ লগে লগে বধ কৰা হৈছিল। ই যেন পুৰণি বছৰৰ প্ৰতীকক বধ কৰি নতুন বছৰক বৰণ কৰাৰ অভিনয়। উত্তৰ আমেৰিকাৰ আদিম অধিবাসী মায়া আৰু আজতেক জাতিৰ মাজত বছৰি খেতিৰ আগত সৰ্পদেৱতাৰ আগত এজন পুৰুষক আৰু শস্য কটাৰ আগত পৃথিৱীৰ আগত এজনী গাভৰুক বলিদিয়াৰ বিধান আছিল। বৈদিক আৰ্য্যসকলৰ মাজত ঘোঁৰা বলি দি অশ্বমেধ যজ্ঞ কৰাৰ বিধান আছিল। গ্ৰীচ দেশতো পছিডন নাম অশ্বদেৱতাৰ উদ্দেশ্যে ঘোঁৰাবলি দিয়াৰ বিধান আছিল। গ্ৰীক পুৰাণত লিখা আছে যে, চিচিলি দ্বীপৰ ওচৰৰ ট্ৰইজেন দ্বীপৰ ৰাজকোঁৱৰ বীৰ থিচিয়ুচে এথেন্সলৈ যোৱাৰ সময়ত বাটৰ চেলামিচ দ্বীপৰ গৰাকিনী পৃথিৱীদেৱীয়ে তেওঁৰ ৰূপ-যৌৱনত মোহগৈ, বিহুৰ সময়ত যথাৰীতি আগৰ স্বামী জনক বধ কৰি থিচিয়ুচক নতুন বছৰৰ কাৰণে স্বামীৰূপে বৰণ কৰে। থিচিয়ুচে সেই দেৱী-ৰাণীৰ শাসন কাৰ্য্য পৰিচালনা-কৰোঁতা কৰ্কায়েকক যুদ্ধত বধ কৰি ৰোমলৈ পলাই যায়, আৰু তাৰ পৰা সৈন্য সামন্ত লৈ আহি সেই ৰাণীৰ ৰাজ্য জয় কৰে, আৰু প্ৰাচীনকলীয়া স্বামী-বলি দিয়াৰ ৰীতিৰ ওৰ পেলায়। ক্ৰীট দ্বীপৰ পৃথিৱী-দেৱী আৰু সৰ্পদেৱতাৰ আগত বলি দিয়াৰ কাৰণে বছৰি তলতীয়া ৰোম ৰাজ্যৰ পৰা মানুহ নিয়াৰ বিধান আছিল। এই বিধান অনুসৰি থিচিয়ুচক ক্ৰীট দ্বীপলৈ নিয়া হয়। কিন্তু মীনস্ ৰজাৰ জীয়ৰী-

* শ্ৰীমদ্ভগবদ্ গীতাৰ এঠাইত পৰমপুৰুষ শ্ৰীকৃষ্ণকো ৰাক্ষসৰূপে বৰ্ণনা কৰা হৈছে।

“বক্ত্ৰাণি তে ত্বৰমাণা বিশন্তি
দ্ৰংষ্ট্ৰাকৰালানি ভয়ানকানি।
কেচিদ্ বিলগ্না দশনান্তৰেষু
সংদৃশ্যন্তে চুৰ্ণিতৈকত্তমাঙ্গৈঃ॥ (গীতা-১১।২৭)

—যোদ্ধাসকল প্ৰবল বেগেৰে তোমাৰ কৰাল দন্তযুক্ত মুখলৈ সোমাইছে। কাৰো মূৰ চূড়মাৰ হৈ তোমাৰ দাঁতত লাগি আছে যেন দেখা পাইছোঁ।

“যথা প্ৰদীপ্তং জ্বলনং পতঙ্গা
বিশন্তি নাশায় সমৃদ্ধবেগাঃ।
তথৈৱ নাশায় বিশন্তি লোকা—
—স্তবাপি বক্ত্ৰাণি সমৃদ্ধবেগাঃ॥ ( গীতা ১১।২৯)

ফৰিংবোৰে যেনেকৈ মৰিবলৈ প্ৰদীপ্ত জুইৰ মাজত বেগেৰে সোমায়গৈ, তেনেকৈ প্ৰাণীবোৰেও বেগেৰে তোমাৰ মুখলৈ প্ৰৱেশ কৰিছে।

শাক্তৰ দুৰ্গাৰ আন এটা নাম উগ্ৰচণ্ডা; এই ৰূপত তেওঁৰ ওঠৰ হাত। উগ্ৰচণ্ডাই পোহৰ আৰু এন্ধাৰ এই দুয়োৰ প্ৰতীক শুম্ভ আৰু নিশুম্ভ নামৰ দুয়োটা অসুৰক বধ কৰে। ৰণ-চণ্ডী সদাই এক পক্ষৰ মঙ্গলদায়িকা আৰু আন পক্ষৰ সৰ্ব্বনাশ কাৰিণী ৰাক্ষসী। ৰাক্ষসী নামাঙ্কিলে মঙ্গলদায়িকা হব্বই নোৱাৰে।



পৃথিৱী-দেৱী আড্ৰিয়ানাই থিচিয়ুচৰ ৰূপ-যৌৱন দেখি মোহ গৈ তেওঁক আত্মদান কৰে, আৰু তেওঁৰ লগত ৰোমলৈ যাবলৈ পলাই আহে। থিচিয়ুচে কিন্তু আড্ৰিয়ানাক ৰোমলৈ নিনি, বাটত এজনী পৃথিৱী দেৱীৰ দ্বীপ-ৰাজ্যত এৰি থৈ যায়। এই থিচিয়ুচ অশ্বদেৱতা পছিডনৰ (Poseidon) সন্তান আছিল বুলি বিশ্বাস কৰা হৈছিল।*

এতিয়া মহাভাৰতত বৰ্ণোৱা হিড়িম্বা ৰাক্ষসী আৰু আন ঠাইত পাল অনুসৰি প্ৰতি পৰিয়াৰৰ পৰা নি মানুহ খোৱা ৰাক্ষসৰ কাহিনীৰ প্ৰতি মন কৰা যাওক। মহাভাৰতৰ আদি পৰ্ব্বত লিখা আছে যে ( ১৫১-১৫৫ অধ্যায় ), ইন্দ্ৰপ্ৰস্থ অৰ্থাৎ বৰ্ত্তমান দিল্লীৰ উত্তৰত থকা বাৰণাৱত নগৰৰ জতুগৃহ দাহ হোৱাৰ সময়ত পঞ্চপাণ্ডৱে তেওঁলোকৰ মাতৃৰ সৈতে উত্তৰ পিনে দি পলাই গৈ ৰাতি গঙ্গা নদী পাৰ হয়, আৰু পিচত উত্তৰ পিনেদি গৈ এখন অটব্য হাবিত প্ৰৱেশ কৰে। সেই অৰণ্য-ৰাজ্যৰ গৰাকী আছিল হিড়িম্ব ৰাক্ষস। তেওঁ পাণ্ডৱসকলক বধ কৰিবলৈ তুমলীয়া ভণীয়েক হিড়িম্বাক আদেশ কৰে। হিড়িম্বাই মধ্যম পাণ্ডৱ ভীমৰ ৰূপ-যৌৱন দেখি মোহ গৈ তেওঁক আত্মদান কৰে; আৰু ককায়েকৰ পৰা তেওঁলোকক ৰক্ষা কৰিবলৈ গাত লয়। ককায়েক হিড়িম্বই এই কথা গম পাই পাণ্ডৱসকলক আক্ৰমণ কৰে, আৰু যুদ্ধত ঘাটি ভীমৰ হাতত মৃত্যু বৰণ কৰে। পিচত ভীমৰ ঔৰসত হিড়িম্বাৰ গৰ্ভত ঘটোৎকচ নামে এটি ল’ৰা ওপজাৰ পিচতপাণ্ডৱ সকলে হিড়িম্বাক পুত্ৰেৰে সৈতে নিজৰ ৰাজ্যত এৰিথৈ অইন দেশলৈ গুছি যায়।

হিড়িম্বা ৰাক্ষসীৰ অৰণ্য ৰাজ্যৰ পৰা ওলাই পাণ্ডৱসকলে প্ৰথমতে ত্ৰিগৰ্ত্ত অৰ্থাৎ বৰ্ত্তমান জলন্ধৰ জিলা, পাঞ্চাল অৰ্থাৎ বৰ্ত্তমান পূৰ্ব্ব পাঞ্জাব ঘূৰি ফুৰি শেষত আগতে উল্লেখ কৰা ব্যাসদেৱৰ আশ্ৰমলৈ যায়। তাৰ পিচত ব্যাসদেৱৰ পৰামৰ্শ অনুসৰি ওচৰৰ একচক্ৰা নগৰলৈ যায়। এই এক-চক্ৰা নগৰ বৰ্ত্তমান কাঙ্গৰা জিলাৰ নগৰ মহকুমাৰ চহৰ। ইয়াত এজন ব্ৰাহ্মণৰ ঘৰৰ পৰা বছৰেকীয়া পাল অনুসৰি বলি দিয়াৰ কাৰণে মানুহ এজনক নিব খোঁজা ৰাক্ষস এজন ভীমে বধ কৰে।

আগতে কোৱা হৈছে যে, মহামায়া আৰু পৃথিৱী তথা ৰাজ্যৰ ঈশ্বৰীৰ সদাই দুটা ৰূপ—স্নেহময়ী আৰু ৰাক্ষসী। ভিন্ ভিন্ সম্প্ৰদায়ে ৰুচি অনুসৰি তেওঁৰ দুয়োটা ৰূপৰ পূজা কৰে। হিন্দুৰ ভীমা, মহাকালী, উগ্ৰচণ্ডা, ৰণচণ্ডী আদিৰ তেজ-মঙহ খোৱা ৰাক্ষসী ৰূপ; লক্ষ্মী, সৰস্বতী, তাৰা, দুৰ্গা আদি শান্ত আৰু শান্ত—উগ্ৰমিহলি ৰূপ। প্ৰাচীন কালত যিসকলে দেৱীৰ ৰাক্ষসী ৰূপৰ পূজা কৰিছিল, তেওঁলোক ৰাক্ষস নামে জনাজাত আছিল; তেওঁলোকৰ জীৱন-মৰণ আৰু ৰাজ্যৰ শক্তি আছিল হিড়্মা ৰাক্ষসী। সেই দেৱীৰ পূজাৰিণী তথা ৰাজ্যৰ গৰাকিনী আছিল নাৰী, আৰু তেৰোঁ সেই দেৱীৰ সাক্ষাৎ প্ৰতীক বুলি হিড়্মা-ৰাক্ষসী নামে জনাজাত আছিল। হিমাচল প্ৰদেশৰ কুলু মহকুমাৰ পাৰ্ব্বত্য অঞ্চলত যে আজিলৈকে হিন্দু আৰু জনজাতিসকলে মহামায়া দেৱীৰূপে পূজা কৰা হিড়্মা দেৱীৰ মন্দিৰ, মূৰ্ত্তি আৰু পূজা-পাৰ্ব্বণ জীয়াই আছে,—ই আগতে বৰ্ণোৱা হৈছে। গতিকে মহাভাৰতত বৰ্ণোৱা হিড়িম্বা ৰাক্ষসী সঁচাকৈয়ে জীয়া মানুহৰ কেঁচা মঙহ খোৱা জানোৱাৰ প্ৰকৃতিৰ পিশাচিনী নাছিল, তেওঁ আছিল এখন ৰাজ্যৰ গৰাকিনী, পূজাৰিণী আৰু পৃথিৱী দেৱীৰ জীৱন্ত প্ৰতিমা। মহাভাৰতৰ ঘটনাটো বৰ্ত্তমান হিমাচল প্ৰদেশৰ কুলু উপত্যকাত সেই অঞ্চলৰ গৰাকিনী হিড়্মাৰ লগত। কিন্তু যতে সেই ধৰ্ম্মমতাৱলম্বী

* The king must die—by Mary Renault (Longman Green & Co.) কিতাপত এই পৌৰাণিক কাহিনীটো বহলভাৱে বৰ্ণনা কৰা হৈছে।—লেখক

মানুহৰ বসতি আছিল, ততে সেই মানুহসকলৰ জীৱন-মৰণ আৰু ৰাজ্যৰ গৰাকিনীৰূপে ঈশ্বৰী হিড়ম্বা বা হেড়ম্বেশ্বৰী আছিল। যি ৰাজ্যত পুৰুষ ৰাজ্যপালক আছিল, সেই ৰাজ্যত হিড়ম্বা মন্দিৰত সেৱিতা মূৰ্ত্তি; আৰু যি ৰাজ্যত নাৰী ৰাজ্যপালিকা আছিল, সেই ৰাজ্যত মন্দিৰত থকা মূৰ্ত্তিৰ পূজাৰিণী-ৰূপে ৰাজ্যপালিকাও আছিল স্বয়ং হিড়ম্বা দেৱী। এই কাৰণেই অসমত ডিমাপুৰ আৰু খাচপুৰত কছাৰী ৰজাৰ ৰাজকাৰেওৰ দেৱী হেড়ম্বেশ্বৰী বা হিড়িম্বা; ৰাজ্যৰ নামো হেড়ম্ব ৰাজ্য। ইংৰাজ-অধিকাৰৰ আগছোৰাত বৰ্ত্তমান কাছাড় জিলাৰ নাম চৰকাৰী চিলমোহৰ তো জিলা হেড়ম্ব আছিল।

সমাপ্ত

---

# চুটিয়া জাতি

( পূৰ্ব্বানুবৃত্তি )

**শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰ**

**চুটিয়া ৰজা**—বি. চি. এলেনে (B. C. Allen, C. S.) ১৯০৫ খ্ৰীঃত সম্পাদন কৰা শিৱসাগৰ ডিষ্ট্ৰিক্ট গেজেটিয়াৰ (Sibsagar District Gazetter), চাৰ এডোৱাৰ্ড গেইট চাহাবৰ অসম বুৰঞ্জী আৰু ডঃ সূৰ্য্যকুমাৰ ভূঞাদেৱে সম্পাদন কৰা "দেওধাই অসম বুৰঞ্জী" মতে চুটিয়াসকলৰ প্ৰথম ৰজা বীৰপাল বা বিৰৰ। আদিতে চুটিয়া বিলাকে আবৰ আৰু মিৰিৰ কাষতে সোৱনশিৰী নদীৰ পৰ্ব্বতত বাস কৰিছিল। দেওধাই অসম বুৰঞ্জীৰ মতে বীৰপালে ১১১১ শকত অৰ্থাৎ ১১৮৯ খ্ৰীঃত সোনাগিৰী পৰ্ব্বতৰ আগত থকা ৬০ ঘৰ চুটিয়াৰ ওপৰত ৰজা হৈ গয়াপাল নাম ললে। তেওঁৰ ভাৰ্য্যা ৰূপৱতীৰ লগত কুবেৰৰ মিলনৰ কথা ওপৰত কোৱা হৈছে। শিৱসাগৰ ডিষ্ট্ৰিক্ট গেজেটিয়াৰত পোৱা যায় যে বিৰৰ আৰু তেওঁৰ পুতেকে হাবিতলীয়া উপজাতিবিলাকক জয় কৰি ব্ৰহ্মপুত্ৰলৈকে ৰাজ্য বিস্তাৰ কৰিছিল আৰু ভদ্ৰসেন ৰজাক ১২০৪ খ্ৰীঃৰ আগতে পৰাস্ত কৰিছিল। গেইটৰ বুৰঞ্জীৰ মতে বীৰপালৰ পুতেক সোনাগিৰি পাল বা গৌৰী নাৰায়ণৰ ৰাঙলগিৰি, নীলগিৰি আৰু চন্দ্ৰগিৰিত নগৰ আছিল আৰু তেওঁ ভদ্ৰসেন ৰজাক যুদ্ধত ঘটুৱাই ৰত্নপুৰত নগৰ নিৰ্ম্মাণ কৰি ৰত্নধ্বজ পাল নাম ললে। দেওধাই অসম বুৰঞ্জীয়ে কয় যে গৌৰীনাৰায়ণে কালগিৰি, নীলগিৰি, ধৱলগিৰি আৰু চন্দ্ৰগিৰিত থকা সকলো চুটিয়াকে বশ কৰি, শ্বেতগিৰি পৰ্ব্বতৰ ভদ্ৰসেন ৰজাৰ ৰাজ্য অধিকাৰ কৰি দৈৱজ্ঞ, তাঁতী, সোনাৰী, ব্ৰাহ্মণ, সূতাৰ, কমাৰ আদি অনেক মানুহ পালে আৰু ভদ্ৰসেনৰ পুতেকক তেওঁৰ কৰতলীয়া ৰজা পাতিলে আৰু ৰত্নপুৰত নগৰ পাতিছিল। এই ৰত্নপুৰ বা ৰতনপুৰ শিৱসাগৰ ডিষ্ট্ৰিক্ট গেজেটিয়াৰৰ মতে উত্তৰ লক্ষীমপুৰ বা মাজুলীত আছিল। ১৭৫০ খ্ৰীঃৰ আগতে মাজুলী নাছিল বুলি ওপৰত কোৱা হৈছে। আমি উত্তৰ লক্ষীমপুৰক উত্তৰ-পাৰ বোলোঁ, কিন্তু বৰ্ত্তমান মাজুলী উত্তৰ পাৰত ( ব্ৰহ্মপুত্ৰৰ ) হোৱা সত্ত্বেও ইয়াক উত্তৰ পাৰ বোলা নাযায়। এই কথায়ো সমৰ্থন কৰে যে অতীজতে অসমত মাজুলী নাছিল। ভ্ৰমৰ চন্দ্ৰ শইকীয়াই অষ্টম বছৰৰ দশম সংখ্যা আৱাহনত "চুতীয়া ৰজা সত্য নাৰায়ণৰ ৰাজ্য আৰু নগৰ" নামে প্ৰবন্ধত লিখিছে যে মাজুলীৰ পূব অংশ আৰু হাবি অঞ্চলৰ দক্ষিণাংশ হাবুং আৰু হাবুঙৰ উত্তৰ অংশত সদয়পুৰ নগৰ আৰু হাবিৰ কাষত ৰত্নপুৰ নগৰ আছিল। হাবুং* আৰু হাবি ক'ত সঠিক জনা নাযায়। তেখেতে এই কথাবোৰ কিহৰ ওপৰত ভিত্তি কৰি লিখিছে জনা নাযায়। মুঠতে ৰত্নপুৰ উজনি অসমৰ কোন ঠাইত আছিল সঠিককৈ ক'ব নোৱাৰি যদিও এসময়ত লুইতত পৰা সোৱণশিৰী আৰু দিহিং নদীৰ আগলিত হব। আমি গাঁও—"শিয়ালী এ নাহিবি ৰাতি, তোৰে কাণে কাটি লগাম বাটি! শিয়ালীৰ মূৰবে মকৰা ফুল, গৈ গৈ পালেগৈ ৰতনপুৰ"। "ঢোলবায় ক'ত? ৰতনপুৰত। খোলবায় ক'ত? ৰতনপুৰত"। এইবিলাক কথাৰ পৰা ৰত্নপুৰ এসময়ত প্ৰতাপী বা সমৃদ্ধিশালী নগৰ আছিল বুলি অনুমান হয়।

গেইটৰ অসম বুৰঞ্জী, শিৱসাগৰ ডিষ্ট্ৰিক্ট গেজেটিয়াৰ আৰু দেওধাই অসম বুৰঞ্জীয়ে ভদ্ৰসেন ৰজাৰ পৰিচয় দিয়া নাই। ভ্ৰমৰ চন্দ্ৰ শইকীয়াই ওপৰোক্ত প্ৰবন্ধত লিখিছে যে চুটিয়াসকলৰ আদি ৰজা সুৱৰ্ধ্বজ আৰু সুৱৰ্ধ্বজৰ পুতেক গিৰিধ্বজ, তেওঁৰ পুতেক দেৱধ্বজ আৰু তেওঁৰ পুতেক সত্যধ্বজ বা সত্যনাৰায়ণ। তেওঁবিলাক ইজনৰ পাচত সিজন ৰজা হৈছিল। সত্যধ্বজৰ পুতেক নথকাত তেওঁৰ বৰ কুঁৱৰীৰ ভায়েক ভদ্ৰসেন ৰজা হয় কিন্তু তেওঁক সত্যধ্বজৰ ভতিজাক বীৰপালে পৰাস্ত কৰি ৰাজ্য কাঢ়ি লৈছিল। শইকীয়াৰ এই কথাবিলাক কিহৰ ওপৰত প্ৰতিষ্ঠিত জনা নাযায়। সেই কাৰণে তেখেতৰ কথাবিলাক প্ৰমাণ সাপেক্ষ। এতেকে আমি বিৰৰ বা বীৰপালকে চুটিয়াসকলৰ প্ৰথম ৰজা বুলি বৰ্ত্তমান ধৰিব লাগিব। ভদ্ৰসেন ৰজাক বীৰপালে পৰাস্ত কৰা কথা বুৰঞ্জী-সম্মত।

ভ্ৰমৰ চন্দ্ৰ শইকীয়াৰ প্ৰবন্ধত তলৰ কথাবিলাক পোৱা যায়—

"গৌড়ীয় পাল ৰজাই চুটিয়াৰ আদি ৰজা সুৱৰ্ধ্বজক আক্ৰমণ কৰিছিল। চুটিয়া ৰজাৰ পুত্ৰ গিৰিধ্বজে গৌড়ৰজাৰ লগত যুদ্ধ কৰি গোড়েশ্বৰত চুয়োৰাজ্যৰ সীমা পাতিছিল। গিৰিধ্বজৰ পুত্ৰ দেৱধ্বজে গৌড়ৰজাৰ লগত যুদ্ধ কৰি বৰনদীকে চুয়োৰাজ্যৰ সীমা পাতিছিল। দেৱধ্বজৰ পুত্ৰ সত্যধ্বজ বা সত্য নাৰায়ণ

---

* হাবুং বুৰঞ্জী-প্ৰসিদ্ধ স্থান হলেও এই স্থান কত সঠিক জনা নাযায়। ডাঃ ৱেদৰ মতে হাবুং, ৩০×১৫ বৰ্গমাইল আৰু চামপাৰা আৰু সোৱণশিৰী নদীৰ সঙ্গম স্থলত। ডাঃ ৱেদৰ মাইলবিলাক অনুমানিক। তেওঁ লিখা বিৱৰণ-বিলাক পঢ়িলে তেওঁ দিয়া মাইলবিলাক ভুল বুলি ধাৰণা হয়। স্বৰ্গদেৱ চুকাফাই ( ১২২৮-৬৮ খ্ৰীঃত ) হাবুঙত ৰাজধানী পাতিছিল। সেই ঠাই পদ। তাত বানপানী হোৱাত স্বৰ্গদেৱ চুকাফাই সেই ঠাই ত্যাগ কৰিলে। স্বৰ্গদেৱ চাওফা ত্যাও খামতি ( ১৩৭৮ বা ১৩৮০ পৰা ১৩৮৯খ্ৰীঃ ) ৰজা হৈ ৰাজ্যভাৰ অপুত্ৰকা বৰকুঁৱৰীৰ হাতত গতাই থৈ চুটিয়া ৰজাৰ লগত যুদ্ধ কৰিবলৈ যায়। সতিনীৰ পুত্ৰ ৰজা হব বুলি ভাবি বৰকুঁৱৰীয়ে সগৰ্ভা সৰুকুঁৱৰীৰ কোনো দোষ উলিয়াই মৃত্যুদণ্ড দিলে। মন্ত্ৰী-সকলে সৰুকুঁৱৰীক হত্যা নকৰি ভুৰত তুলি দিহিং নদীত উটুৱাই দিলে। সেই কালত মাজুলী নাছিল আৰু দিহিং নদী বৰ্ত্তমান য'ত ব্ৰহ্মপুত্ৰত পৰিছে তাৰ কিছু ভাটিত আৰু সোৱণশিৰী নদী বৰ্ত্তমান য'ত ব্ৰহ্মপুত্ৰত পৰিছে তাৰ কিছু ভাটিত আৰু সোৱণশিৰী নদী বৰ্ত্তমান য'ত লুইতত ( বৰ্ত্তমান গড়মূৰৰ উজনিত সোৱণশিৰী লুইতত পৰিছে ) পৰিছে তাৰ কিছু উজনিত লুইতত পৰিছিল। সৰুকুঁৱৰীৰ ভুৰ দিহিং নদীয়েদি গৈ হাবুং পাইছিলগৈ আৰু তাতে তেওঁক এজন বামুণে আশ্ৰয় দিলে। সৰুকুঁৱৰীয়ে তাতে এটি পুত্ৰ সন্তান প্ৰসব কৰি মৃত্যুৰ মুখত পৰিল। ১৩৯৭ খ্ৰীঃত সৰুকুঁৱৰীৰ পুত্ৰ চাওফা চুদাংফা বা বামুনীকোঁৱৰ আহোম ৰাজসিংহাসনত উঠিল।

১৫৬২ খ্ৰীঃত স্বৰ্গদেৱ চুখামফা বা খোৰা ৰজাই হাবুঙৰ মানুহক লিগুণ পিন্ধাই গৰুত তুলি বামুণ সজাই চিলাৰায়ৰ বিপক্ষে যুদ্ধ কৰাইছিল। এতেকে এই হাবুং বৰ্ত্তমান সোৱণ-শিৰী আৰু লুইতৰ সঙ্গমস্থলৰ উজনিত লুইতৰ উত্তৰ পাৰত ( এই খণ্ড এতিয়াও দ ঠাই ) আছিল।

ৰজাৰ পুত্ৰ নথকাত তেওঁৰ বৰকুঁৱৰীৰ ভায়েক ভদ্ৰসেন ৰজা হ'ল। ভদ্ৰসেনক বীৰপালে পৰাস্ত কৰি ৰজাহৈ ৰঙানদীকে তেওঁৰ ৰাজ্যৰ পশ্চিম সীমা পাতিলে।"

শইকীয়াই উল্লেখ কৰা গোড়েশ্বৰক যদি গৌড় বুলি ধৰা হয় তেনে এই স্থান বৰ্ত্তমানৰ পূৰ্ব্ব পাকিস্থানত অৰ্থাৎ বঙ্গদেশত পৰিব। শঙ্কলাদিয়ে লক্ষ্মাৱতী বা গৌড়নগৰ প্ৰতিষ্ঠা কৰিছিল আৰু এই নগৰ প্ৰায় দুহেজাৰ বছৰ বঙ্গদেশৰ ৰাজধানী আছিল। এতেকে শইকীয়াই উল্লেখ কৰা গোড়েশ্বৰ অসমৰ পশ্চিমে বঙ্গদেশত হব। এয়ে যদি নহয় তেনে কামৰূপৰ গোড়েশ্বৰো হ'ব পাৰে। বৰনদী হ'ল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে আৰু বৰ্ত্তমান এই নদী কামৰূপ আৰু দৰং জিলাৰ সীমা। ৰঙানদী উত্তৰ লক্ষীমপুৰ মহকুমাত আৰু উত্তৰ লক্ষীমপুৰ নগৰৰ চাৰিমাইল পশ্চিমে। এতেকে দেখা গল যে চুটিয়া ৰাজ্যই প্ৰথমে অসমৰ বা বৰনদীৰ সীমা পাৰ হৈ গৈ পাচত দুইকি আহি উত্তৰ লক্ষীমপুৰ পালেহি। বুৰঞ্জীয়ে কয় যে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে চুটিয়া ৰাজ্যৰ পশ্চিমে বাৰভূঞাৰ ৰাজ্য আৰু তেওঁলোকৰ পশ্চিমে কমতাপুৰ ৰাজ্য আৰু কমতাপুৰ পাৰ হৈহে গৌড়ৰাজ্য পোৱা গৈছিল। গৌড় আৰু চুটিয়া ৰজাৰ মাজত হোৱা যুদ্ধত কমতাপুৰ আৰু বাৰভূঞাসকলৰ ৰাজ্যৰ উল্লেখ নাই। ইত্যাদি কাৰণত শইকীয়াৰ কথাবিলাক প্ৰমাণ সাপেক্ষ।

সোনাগিৰি পাল বা গৌৰীনাৰায়ণ বা ৰত্নধ্বজ পালে তেওঁৰ ৰাজ্যৰ কাষত থকা কোনো ন্যায়পাল নামে; ৰজাক যুদ্ধত ঘটুৱাই তেওঁৰ জীয়েকক বিয়া কৰাইছিল। তাৰ পাচত তেওঁ কমতাপুৰ ৰাজ্য আক্ৰমণ কৰি কমতেশ্বৰক তেওঁলৈ জীয়েকক বিয়া দিবলৈ বাধ্য কৰালে। তেওঁ গৌড়ৰাজ্য আক্ৰমণ কৰিবলৈ যোৱাত গৌড়ৰজাই তেওঁৰ লগত সখি পাতিলে আৰু দিনে সাতঘটি গঙ্গাজল তেওঁলৈ পঠাবলৈ গাত লৈছিল আৰু তাৰ বিনিময়ত গোড়েশ্বৰে পৰশুৰাম কুণ্ডৰ পানী খুজিছিল। ৰত্নধ্বজ পালে তেওঁৰ এজন পুতেকক বিদ্যা আৰ্জ্জনৰ কাৰণে গৌড়ত থৈছিল কিন্তু তেওঁৰ তাতে মৃত্যু হ'ল। গোড়েশ্বৰে শটো ৰত্নধ্বজ পাললৈ পঠাই দিলে। ৰত্নধ্বজে সিদ্ধক্ষেত্ৰত তীৰ্থ কৰিবলৈ যাওঁতে পুতেকৰ শ সেই ঠাই পালেহি। সেইকাৰণে তেওঁ সেই ঠাইৰ নাম "শ দিয়া পাট" ৰাখিলে। কালক্ৰমত সেই ঠাইৰ নাম "সদিয়া" হল। "শিৱসাগৰ ডিষ্ট্ৰিক্ট গজেটিয়াৰ"ত লিখিছে যে তেওঁ ভালেমান পুখুৰী খনাইছিল আৰু মন্দিৰ নিৰ্ম্মাণ কৰাইছিল আৰু সীমান্তবিলাকত গড় মৰাইছিল। তেওঁ খনোৱা পুখুৰী আৰু নিৰ্ম্মাণ কৰোৱা মন্দিৰ আৰু গড়ৰ বিৱৰণ পোৱা নাযায়। উত্তৰ পাৰে বহুত পুখুৰী পোৱা যায়। সেই পুখুৰীবিলাক আৰিমত্ত ৰজাই খনোৱা বুলি তাৰ মানুহে কয়। চুটিয়া আৰু বাৰভূঞা ৰাজ্যৰ সীমান্তত বা চুটিয়া ৰাজ্যৰ পশ্চিম অংশত পোৱা মন্দিৰবিলাকৰ কথা ওপৰত উল্লেখ কৰা হৈছে। সেইবিলাক হিন্দু মন্দিৰ কোনে নিৰ্ম্মাণ কৰাইছিল পাবলৈ নাই। ৰত্নধ্বজ পাল বা গৌৰী নাৰায়ণ বা সোনাগিৰি পাল হিন্দু নাম। এই নাম-বিলাক আৰু গঙ্গাজল আৰু পৰশুৰাম কুণ্ডৰ জল বিনিময়ৰ পৰা তেওঁক হিন্দু বুলিব পাৰি। তেওঁ হিন্দুধৰ্ম্ম গ্ৰহণ কৰিছিল নে নাই সঠিক জনা নাযায়। ভদ্ৰসেনৰ ৰাজ্যত তেওঁ চুটিয়া ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। ভদ্ৰসেনৰ ৰাজ্যত দৈৱজ্ঞ আৰু ব্ৰাহ্মণ আছিল। সেই কাৰণে হয়তো হিন্দু প্ৰজাবিলাকেও তেওঁক হিন্দু নাম দিব পাৰে।

দেওধাই অসম বুৰঞ্জীৰ মতে চুটিয়া ৰজাসকলৰ নাম তলত দিয়া হ'ল—



| চুটিয়া সকলৰ নাম— | ৰজাহোৱা শক | ভোগকৰা সময় | মৃত্যুৰ শক |
|---|---|---|---|
| ১। বিবৰ বা বীৰ পাল— | ১১১১ | ৩৫ | ১১৪৬ |
| ২। গৌৰীনাৰায়ণ বা ৰত্নধ্বজ পাল — | ১১৪৬ | ৮০ | ১২২৬ |
| ৩। শিৱ নাৰায়ণ বা বিজয়াধ্বজ পাল— | ১২২৬ | ৬১ | ১২৮৭ |
| ৪। জগত নাৰায়ণ বা বিক্ৰমধ্বজ পাল— | ১২৮৭ | ৩৪ | ১৩২১ |
| ৫। প্ৰমত্ত নাৰায়ণ বা গৰুড়ধ্বজ পাল— | ১৩২১ | ৪৫ | ১৩৬৬ |
| ৬। হৰিনাৰায়ণ বা শঙ্খধ্বজ পাল— | ১৩৬৬ | ৪৪ | ১৪১০ |
| ৭। গোলোকনাৰায়ণ বা মউৰধ্বজ পাল— | ১৪১০ | ৪১ | ১৪৫১ |
| ৮। ব্ৰজনাৰায়ণ বা জয়ধ্বজ পাল— | ১৪৫১ | ৪৮ | ১৪৯৯ |
| ৯। সত্যনাৰায়ণ বা কৰ্ম্মধ্বজ পাল— | ১৪৯৯ | ৫৪ | ১৫৫৩ |
| ১০। ধীৰ নাৰায়ণ বা ধৰ্ম্মধ্বজ পাল— | ১৫৫৩ | ৪৩ | ১৫৯৫ |
| ১১। জামাতা নিত্যপাল আৰু পুত্ৰ সাধক নাৰায়ণ— | ১৫৯৫ | ২ | ১৫৯৮* |

তৃতীয়জন চুটিয়া ৰজাৰ পৰা শেষৰ জনলৈকে আহোমৰ লগত চুটিয়া ৰজাসকলৰ সম্বন্ধৰ বাহিৰে তেওঁলোকৰ অন্য কথা পাবলৈ নাই।

স্বৰ্গদেৱ চুতুফাই ( ১৩৬৪—৭৬ খ্ৰীঃ ) সম্ভৱ চুটিয়া ৰজা গোলোকনাৰায়ণৰ দিনত চুটিয়া ৰাজ্য আক্ৰমণ কৰিছিল। তেওঁ চুটিয়া ৰজাক যুদ্ধত বলে নোৱাৰি তেওঁৰ লগত সন্ধি কৰি সখি পাতিলে। চুটিয়া ৰজাই স্বৰ্গদেৱক চ'ৰানাও খেলিবলৈ মাতি নি, ১৩৭৬ খ্ৰীঃত চক্ৰাই নৈত বিশ্বাস দটকতা কৰি অন্যায়-ভাৱে হত্যা কৰিলে।

ককায়েকক হত্যাকৰাৰ প্ৰতিশোধ লবৰ অৰ্থে স্বৰ্গদেও ত্যাওখামাঠিয়ে ( ১৩৮০—৮৯ খ্ৰীঃ ) চুটিয়া ৰাজ্য আক্ৰমণ কৰি, চুটিয়া ৰজাক পৰাস্ত কৰি নিজৰ ৰাজ্যলৈ ঘূৰি আহিল।

স্বৰ্গদেৱ চুহুম্মুঙৰ দিনত ১৫১২ খ্ৰীঃত (চুটিয়া ৰজা ধীৰ নাৰায়ণৰ দিনত ) চুটিয়া ৰাজ্যৰ হাবুং খণ্ড আহোম ৰাজ্যত চামিল কৰা হ'ল।

গেইটৰ বুৰঞ্জী আৰু দেওধাই অসম বুৰঞ্জীৰ মতে ৰত্নধ্বজৰ পাচত অষ্টমজন চুটিয়া ৰজাৰ নাম ধীৰনাৰায়ণ আৰু সাধনী তেওঁৰ একমাত্ৰ কন্যা আৰু সাধকনাৰায়ণ তেওঁৰ পুত্ৰ। শিৱসাগৰ ডিষ্ট্ৰিক্ট গেজেটিয়াৰৰ মতে সাধনীৰ পিতাকৰ নাম কৰ্ম্মধ্বজ আৰু তেওঁ ৰত্নধ্বজৰ পাচত পঞ্চম ৰজা। দেওধাই অসম বুৰঞ্জীমতে কৰ্ম্মধ্বজ ধীৰনাৰায়ণৰ পিতাক। বহুতৰ মতে ধীৰনাৰায়ণ আৰু ধৰ্ম্মধ্বজ দুজন পৃথক মানুহ।

সাধনীৰ উপযুক্ত দৰা নেপাই চুটিয়া ৰজাই তেওঁৰ সয়ম্বৰ পাতিলে। পূৰ্ব্বৰ এজন চুটিয়া ৰজাৰ মৰিশালিত এটা কেৰ্কেটুৱা অহা যোৱা কৰি থাকে আৰু খেদিলেও সেই ঠাই এৰি নগৈছিল। ৰজাই প্ৰতিজ্ঞা কৰিলে যে যি সেই কেৰ্কেটুৱাটো এপাত কাঁড় মাৰি

---

* এইচিন দিয়া শক অন্য বুৰঞ্জীৰ লগত নিমিলে। অন্য বুৰঞ্জীৰ মতে ১৫২৩ খ্ৰীঃত চুটিয়া ৰাজ্য আহোম ৰাজ্যত চামিল হৈছিল। এই বুৰঞ্জীমতে ১৫৯৮ শক অৰ্থাৎ ১৬৭৬ খ্ৰীঃতহে অৰ্থাৎ ১৫৩ বছৰৰ পাচতহে চুটিয়া ৰাজ্য আহোম ৰাজ্যৰ লগত চামিল হৈছিল—লেখক

মাৰিব পাৰিব তেওঁলৈকে সাধনীক বিয়া দিব। নিতাই নামে এটা গৰখীয়াই কাঁড় মাৰি কেৰ্কেটুৱাটো মাৰি সাধনীক লাভ কৰিলে। শহুৰেকৰ মৃত্যুৰ পাচত নিতাই ৰজা হৈ নীতিপাল নাম ল'লে। তেওঁ সুচাৰুৰূপে ৰাজ্য শাসন কৰিব পৰা নাছিল।

ডাঃ ৰেড্ চাহাবৰ বুৰঞ্জীত ( An Account of Assam ) চুটিয়া ৰাজ্য জয় কৰা সম্পৰ্কে তলত দিয়া দৰে আছে—

১৫১৩ খ্ৰীঃত ( স্বৰ্গদেৱ চুহুমুদং বা স্বৰ্গ নাৰায়ণ বা দিহিঙ্গীয়া ৰজা—১৪৯৭—১৫৩৯ খ্ৰীঃ ) চুটিয়া ৰজাৰ বংশৰ (১) ধীৰনাৰায়ণে এদল সৈন্যলৈ দিখৌ মুখলৈ (২) আগবাঢ়ি আহিল। স্বৰ্গদেৱে তেওঁৰ বিপক্ষে চাওচিখেন [ Saoseekhen ] আৰু তাওমুৰেই লুঙ্গক (৩) [Taoomooreil ungh] পঠোৱাত তেওঁ পলাই গ'ল (৪)। স্বৰ্গদেৱে হাবুং আৰু পানবাৰী * দখল কৰি দিহিঙলৈ উভতি যোৱাত ধীৰ নাৰায়ণে আনবাটে (৫) দিহিঙলৈ আগবাঢ়িল। যুদ্ধত আইওমুঙ্গ (৬) ( Aloomoong ) পৰাত স্বৰ্গদেৱে অন্য এজন সেনাপতি (৭) পঠাই (৮) নিজে পাচ ললে। ধীৰনাৰায়ণে পোনতে দিহিঙ্গলৈ আৰু তাৰ পাচত ডিক্ৰুলৈ পলাই গ'ল। স্বৰ্গদেৱে এদল সৈন্য লৈ চেচা নদীৰ মুখলৈ যাত্ৰা কৰিলে। স্বৰ্গদেৱৰ সেন্যাধক্ষসকলে ডিক্ৰুত কোঁঠ মাৰিলে। চুটিয়া ৰজা লুধুপুৰাহলৈ [ Ladhoo-purrah ][১] পলাই গ'ল আৰু তাৰ পাচত সদিয়া [ Khuddea ] পালেগৈ। স্বৰ্গদেৱৰ সৈন্যই [ থাও মুনচেঙ্গ আৰু কিলুঙ্গৰ তলে ] বামে আৰু পানীয়ে তেওঁলোকৰ পাচ লোৱাত চুটিয়া ৰজাই সদিয়া এৰি অন্য এটা দুৰ্গত আশ্ৰয় লৈ[২] দুডাল সোণৰ হাৰ, দুটা হাতী দাঁতৰ কঠ[৩] আৰু দুজোৰা কড়িয়া উপহাৰ পঠালে। স্বৰ্গদেৱলৈ এই কথা জনালত স্বৰ্গদেৱে চুটিয়া ৰজাৰ কুবেৰ-প্ৰদত্ত সম্পত্তি সোণৰ সিংহাসন, সোণৰ পতাকা আৰু সোণৰ খেকুৰী[৪] আৰু চুটিয়াৰ ৰাণী সহ দহোটা হাতী দাবি কৰিছিল[৫]। চুটিয়া ৰজাই দহোটা হাতী সহ ৰাণীক দিবলৈ গাত ললে, কিন্তু কুবেৰ-প্ৰদত্ত সম্পত্তি দিবলৈ অস্বীকাৰ কৰি সেই সম্পত্তিৰ চানেকীৰে সম্পত্তি কৰাই দিবলৈ স্বৰ্গদেৱলৈ সময় খুজি পঠালে[৬]। স্বৰ্গদেৱে সম্মতি জনালে।

(১) চুটিয়া ৰজা। দেঃ অঃ বুঃ—১৫ পৃঃ। ধীৰ নাৰায়ণে দিপৌ মুখ লয়। আহোম বুঃ।

(২) দিখৌমুখত পচলাৰে গড় বান্ধে। দেঃ অঃ বুঃ—১৫ পৃঃ।

(৩) থাওমুং বানলু। পুঃ অঃ বুঃ। Chao Shukhring আৰু দুজন Ralungia গোঁহাই। আঃ বুঃ

(৪) চুখিং, চুচং, আওমুং, ৰাইলুং, এই চাৰিজনক পঠোৱাত তেওঁবিলাক নংকংমুংবিলৰ কাষত চুটিয়াক যুদ্ধত পৰাস্ত কৰে। দেঃ অঃ বুঃ—১৫ পৃঃ।

* উত্তৰ লক্ষীমপুৰ মহকুমাৰ দিক্ৰং নদীৰ পশ্চিমে নাৰায়ণ-পুৰ মৌজাত পানবাৰী নামে এটি অঞ্চল আছে।—লেখক।

(৫) মুংগেঙ্গত কোঁঠ দিয়ে। দেঃ অঃ বুঃ—১৫ পৃঃ।

(৬) এওমুঙ্গ পুঃ অঃ বুঃ। খেনমুঙ্গ—দেঃ অঃ বুঃ—১ পৃঃ; আৰু আহোম বুৰঞ্জী।

(৭) ১৫২২ খ্ৰীষ্টাব্দত Phrashenmung Bargohain আৰু Klinglun Rajmantri ক টিকৌলৈ পঠালে। —আহোম বুৰঞ্জী।

(৮) চেকৰা কটালৈ—পুঃ অঃ বুঃ। নংকংমুঙ্গলৈ—দেঃ অঃ বুঃ—১৬ পৃঃ।

১। লাদপাৰলৈ। পুঃ অঃ বুঃ।

২। "আলগি চেটিয়া এ চুটিয়াৰ কাঁজি তোৰাক গেদি নিলে।" পুঃ অঃ বুঃ।

৩। চাৰিটা পাটি। ( পুঃ অঃ বুঃ ) স্বৰ্গদেৱলৈ সোণৰ পিৰা আৰু দুজোৰ কম্বল আৰু বৰগোহাঁই আৰু ৰাজমন্ত্ৰীলৈ সোণৰ পিৰা আৰু কম্বল পঠালে। আহোম বুঃ

৪। সোণৰ দণ্ড, সোণৰ খাট আৰু সোণৰ মেকুৰী। অন্যান্য বুৰঞ্জী।

৫। স্বৰ্গদেৱে এখন মিহি কাঠৰ আসন, এটা সোণৰ ছাতি, এটা ৰূপৰ ছাতি, এজোৰ খাম কাপোৰ, এজোৰ ৰূপৰ আৰু এজোৰ সোণৰ খাৰু, এজোৰ ৰূপৰ গিল্টি কৰা খাৰু এজনী ছোৱালী, এজনী হাতী আৰু দহোটা শকত মতা হাতী দাবি কৰিছিল। —আহোম বুৰঞ্জী।

৬। পৈতৃক সম্পত্তিৰ বাহিৰে বাকীবিলাক দিবলৈ চুটিয়া ৰজাই গাত ললে। —আহোম বুৰঞ্জী।



চুটিয়া ৰজাই আহোম সেনাধ্যক্ষসকলৰ ওপৰত সন্তুষ্ট হৈ দুখন সোণৰ বনকৰা কাপোৰ, দুটা জাপি, দুজোৰ সোণৰ খাৰু, দুজোৰ সোণৰ বনকৰা পাইজাৰ, দুটা হাতী, দুটা হাতীদাঁতৰ কঠ, দুটা ঘোঁৰা আৰু কঠৰ মাজত দুখন চুৰি উপহাৰ পঠালে[১]। এই উপহাৰৰ কথা স্বৰ্গদেৱক জনোৱাত কঠৰ মাজত সুমুৱাই পঠোৱা চুৰি দুখন শত্ৰুতা আৰু যুদ্ধ ঘোষণাৰ চিন বুলি ব্যাখ্যা কৰিলে। স্বৰ্গদেৱে তাওমুঙ্গনাচুঙ্গ [ Taoomong-hna Soonga ], চাওচিলুকিটুঙ্গ [ Saoosilooki Toongh ], পাওমুন বাচুন [ Paoomoon Bassun ], তাংচুমুঙ্গ কাইখুন [ Tang Shoom-oongh Kaikhun ] আৰু চাওচিকুৰঙ্গহান [ Saoosikorunghan ] (ক) চুটিয়া ৰজাক বশ কৰিবলৈ পঠাই নিজে বৰনগৰলৈ আগবাঢ়ি গল। প্ৰথমে চুটিয়া ৰজা ঈত্থনঘাচলিপাহাৰলৈ (খ) আৰু তাৰ পাচত সুন্দৰগিৰিলৈ (গ) গ'ল। তাতে আহোম সেনাধ্যক্ষসকলে চুটিয়া ৰজাক কেউফালৰ পৰা বেঢ়ি ধৰি পৰাস্ত কৰি ৰজা, ৰাজকুমাৰ আৰু ৰাজকুমাৰীক হত্যা কৰিলে (ঘ)। চুটিয়া ৰাজ্য আহোম ৰাজ্যৰ লগত চামিল কৰি সদিয়া-খোৱা গোহাঁইক (ঙ) চুটিয়া ৰাজ্য শাসন কৰিবলৈ দিয়া হ'ল। চুটিয়া কুঁৱৰীক স্বৰ্গদেৱে বিয়া কৰিলেনে নাই সঠিক জনা নাযায় (চ)।

দেওধাই অসম বুৰঞ্জীত এই ঘটনা তলত লিখা-মতে আছে—

চন্দনগিৰি পৰ্ব্বতত চুটিয়া "ৰজাৰ ১২০ কুঁৱৰীয়েহে শিলা কোচাই ৰজাৰ হাতত দিয়ে, ৰজা অবিছেদে মাৰে। স্বৰ্গী ৰজাৰ সৈন্যও পৰি পৰি

১। "থাওমুনচুঙ্গলৈ সোণৰ থাপৰ চিকন ঝাপি এটা, সোণৰ খাৰু এজোৰ, সোণোৱালি পায়জাৰ এজোৰ, হাতী ২টা, পাটি ২ খান। কিলুঙ্গলৈ সোনৰ খাৰু এজোৰ, ঘোড়া ২টা, হাতী ২টা, পাটি ২ খান।

কিলুঙ্গলৈ জি পাতি দিলে তাৰে ভিতৰত, ৰণক মনে, চুৰি বুলিয়ো কয়, কটাৰী খান দিয়া হৈছিল।"— পুঃ অঃ বুঃ ( ৫৩ পৃঃ )।

(ক) থাওমুনাংচুক, চাউচিনকিপুঙ্গ, থাওমুনচেন্, থাওমুনকেখন, চাওচিকৰঙ্গন।—পুঃ অঃ বুঃ ( ৫৩ পৃঃ )। স্বৰ্গদেৱে Thomunglung Nangshung, Chaoshe-nglungklangsheng, Thao Mungshenba Thao mungklingkhen ৰ সৈতে চুটিয়াবিলাকক আক্ৰমণ কৰি ঘটুৱালে।

—আহোম বুৰঞ্জী।

(খ) ৰঙ্গাখঙ্গচল পৰ্ব্বত। পুঃ অঃ বুঃ ( ৫৩ পৃঃ ); Kaitara Hill—আহোম বুৰঞ্জী।

(গ) চন্দ্ৰগিৰি। পুঃ আঃ বুঃ ( ৫৩ পৃঃ )। Chantau বা Chandangiri—আহোম বুৰঞ্জী।

(ঘ) গেইট চাহাবৰ মতে চুটিয়াৰ ৰজা আৰু ৰাজ-কুমাৰক যুদ্ধত হত্যা কৰা হল আৰু চুটিয়াৰ প্ৰধান ৰাণীয়ে আত্মহত্যা কৰিলে, ৰায়বাহাদুৰ গোহাঞিবৰুৱাৰ মতেও চুটিয়াৰাণী সাধনীয়ে কুবেৰদত্ত সম্পত্তি বুকুত বান্ধি চন্দন-গিৰিৰ টিঙৰ পৰা তলৰ কুণ্ডলৈ জাপদি তনুত্যাগ কৰিলে।

JangmungKhanৰ যুদ্ধত চুটিয়া ৰজা আৰু পুতেকক হত্যা কৰা হ'ল। তেওঁলোকৰ মূৰ চৰাইদেওৰ দেওঘৰৰ জখলা মূখত পোতা হ'ল। চুটিয়া ৰজাৰ পৈত্ৰিক সম্পত্তি হস্তগত কৰা হ'ল আৰু চুটিয়া কোৱঁৰ আৰু কুঁৱৰীসকলক বন্দী কৰি বৰনগৰত থকা স্বৰ্গদেৱৰ ওচৰলৈ পঠোৱা হলা—

—আহোম বুৰঞ্জী

(ঙ) চাওফ্ৰাচেঙমুন বৰগোহাঁইক প্ৰথম সদিয়া খোৱা গোহাঁই পাতে লেখক।

স্বৰ্গদেৱে Nanghung আৰু Phrashengmungক চুটিয়া ৰাজ্যত শান্তিবিস্তাৰ কৰিবলৈ পঠালে।—আঃ বুঃ।

(চ) দেওধাই বুৰঞ্জী, অসমৰ বুৰঞ্জী আৰু ডাঃ ৰেদ-চাহাবৰ বুৰঞ্জীয়ে কয় যে স্বৰ্গদেৱে চুটিয়া ৰজাৰ এজনী কুঁৱৰী বা কন্যা দাবি কৰিছিল আৰু চুটিয়া ৰজা সন্মতো হৈছিল; কাৰ্য্যত হৈ উঠিলনে নাই জনা নাযায়।

—লেখক।

মৰে। ক্ষুচেঙ্গমুন বৰগোহাঁই মন্ত্ৰণাকৈ ঘিলা গছত বগোৱাই পৰ্ব্বতৰ ওপৰত ঢুলীয়াক ঢোল বজাব দিলেগৈ। স্বৰ্গী ৰজাৰ আজ্ঞাৰে পৰ্ব্বতত উঠি ঢোল বজালেগৈ। ৩৬২॥ নিত্যপালৰ মৃত্যু: ৰজাই বোলে 'মোক পাচ ভেঁটি সৈন্য পালেহি।' অদ্ভুত শ্ৰুতিহত হৈ সাধনী মহিষীক হাতত ধৰি পৰ্ব্বতৰ শৃঙ্গৰ পৰা দেওমাৰি জুৰিত পৰি মৰিল। ক্ষুচেঙ্গমুন বৰগোহাঁয়ে ৰজাৰ হাড় মূৰ বিচৰাই নেপালে। ৩৬৩॥ দিহিঙ্গীয়া ৰজাৰ জয় লাভ। ৰজা বোলে 'বৰগোহাঁই বিচাৰ কৰ।' ত্যাওলুঙ্গ নেওগে ৰজাত জনাইছেগৈ—'যুধজয়, শ্ৰীশ্ৰীস্বৰ্গী ৰজাৰ শদিয়া প্ৰাপ্ত। ১৫৯৮ শকে (ছ) পুহমাহে হস্তীপ্ৰাপ্ত ২৭, ঘোঁৰা ১০০, হিলৈ ১০০০, নৌকা ৭০০, প্ৰজা, ধন, ধান্য, অপৰ্য্যন্ত লেখ নাই। ম'হ ৯০০, দৈৱজ্ঞ, ব্ৰাহ্মণ, তাঁতী, সোণাৰী, কমাৰ, চমাৰ, ধোবা, নাপিত, খনিকৰ, দণ্ডছত্ৰ, কেকোঁৰা দোলা, চৰানাও, বৰছা ইত্যাদি আহিলা[1] সকলোকে আক্ৰমণ কৰিলৈ ৫ বছৰৰ সাধকনাৰায়ণ ৰাজপুত্ৰকে শিশুবধ নকৰি সদিয়াৰ সেই চুটিয়া দেশৰ ১২ ঘৰ মানুহ দি কলীয়া বৰৰ কামাখ্যা পৰ্ব্বতৰ বাহিৰ কৰি বৌতাৰ পছিম পাৰ, ধনশিৰীৰ পূব পাৰ, কবিৰ আলিৰ দক্ষিণ, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে চৌহদ কৰি খুঁটা মাৰি তাম্ৰ পাত্ৰ কৰি দিলে,[2] "মানুহ বাৰ ঘৰেৰে সহিতে প্ৰৱৰ্ত্তি, ৰজা-চাঙ্গত বছৰে বছৰে মোহৰ ৰূপ ৮০ টকা, থণ্ডা ৪০ খন শোধাই প্ৰবৰ্ত্তি থাকিবি, ইতি।" ৩৬৪॥ [ দেঃ অঃ বুঃ অন্তৰ্গত বিবিধ খণ্ড বুৰঞ্জী। ১৮৫ পৃঃ ]।

দেওধাই অসম বুৰঞ্জীত ( পৃঃ ১৭—১৮ ) আছে —"পাচে আমাৰ ( আহোম ) লোকে চুটিয়া ৰজাক খেদি ধৰিলেগৈ। চুটিয়া ৰজা আমাৰ লোকক খেদি যাবৰ দেখি জাংমুং খেনলৈ কাঁড় মাৰি পঠালে। পাচে জাংমুং খেনে চুটিয়া ৰজাক যাঠিয়েৰে খুচি মাৰিলে। শটো জুৰিলৈ বগৰাই পেলালে। পাচে জাংমুংখেনে চুটিয়া ৰজাৰ বাপেক পুতেকৰ মূৰ কাটি আনি ডাঙৰীয়াসকলৰ ঠাইত দিলেহি। আৰু চুটিয়া ৰজাৰ ৰাজকুঁৱৰীৰ মূৰ কাটি আই খাংমুনে দিলেহি। আৰু আমাৰ লোকে পৰ্ব্বত উঠি বিচাৰ কৰি তাৰ লৰা-তিকতা, সকলো পাই ধৰি আনিলে। সোণৰ ৰূপৰ দণ্ড, সোণ ৰূপৰ খাঁট, সোণ-ৰূপৰ মেকুৰী এই বস্তু সকল আনি ৰজাদেৱক দিলেহি॥ ১৪৪৪ শকত চ'তৰ তিনদিন যোৱাত চন্দ্ৰনাৰায়ণ চুটিয়া ৰজাৰ মৃত্যু হল। চুটিয়া ৰজাৰ শদিয়া নগৰত আমাৰ ৰজাদেৱে থাকোতে ত্যাওচুলুং কুৰিণ ১, কংচেং ১, এই দুই থাওকা, পৰ্ব্বতৰ পৰা চুটিয়া ৰজাৰ মূৰ কাটি আনি ৰজাদেৱক দেলেহি। ৩৪॥...... । চুটিয়া ৰজাৰ মূৰটো নচুৱাই পৰ্ব্বতত মুণ্ডমালা বান্ধি থলে। ৩৫॥"

(ছ) এই শক ভুল। ১৫২৩ খ্ৰীঃ অৰ্থাৎ ১৪৪৫ শকত চুটিয়া ৰাজ্য আহোম ৰাজ্যত চামিল কৰা হৈছিল।

—লেখক।

১ যুদ্ধত পোৱা বস্তু—লাভ বহুত পোৱা গ'ল। হাতী ৩০টা, ঘোৰা ৩০টা, হিলৈ ৭৯টা, বাৰু-বৰ্চ্চা, দণ্ড-ছত্ৰ, কেকোঁৰা দোলা, আৰোৱান, পিকদান, গৰু-মহ আনো বিস্তৰ পালে। বামুণ, কাথ, কলিতা, গণক, কহাঁৰ সোণাৰী আনো বৃত্তিকৰ মানুহ বিস্তৰ পালে।" দেঃ অঃ বুঃ অন্তৰ্গত বাইগৰীয়া বুঢ়াগোহাঁই বুৰঞ্জী ( ১১৬—১৭ পৃঃ )।

২ বৰ্ত্তমানৰ নগাওঁ জিলাৰ শিলঘাটৰ চাৰিওফালে থকা অঞ্চলকে কলিয়াবৰ বুলিছিল। শিলঘাটৰ কাষতে এটা পৰ্ব্বতৰ ওপৰত টিঙত কামাখ্যা দেৱীৰ ( গুৱাহাটীৰ নীলাচলৰ বাহিৰেও ) মন্দিৰ আছে। বৌতা আৰু ধনশিৰী নদী মঙ্গলদৈ মহকুমাত। গোহাঁই কমলাৰ আলিক দৰঙ্গত কবিৰ আলি বোলে। বোধহয় পূৰ্ব্বৰ কবিৰ আলিৰ ওপৰতে কোচ ৰাজকোৰৰ গোহাঁই কমলে ১৫৪৭ খ্ৰীষ্টাব্দত গোহাঁই কমল আলি বন্ধায়। এই আলি তেজপুৰৰ ভৰলী নদীৰ পূৱলৈকে ভগ্ন অৱস্থাত পোৱা যায়। এই চাৰিসীমাৰ পৰা সঠিককৈ কব পাৰি যে চুটিয়া ৰাজকুমাৰক স্বৰ্গদেৱে মঙ্গলদৈ মহকুমাৰ এক অংশত স্থাপন কৰিছিল। ৰায়বাহাদুৰ ৺পদ্মনাথ গোহাঞিবৰুৱাই এই অঞ্চলক তেজপুৰ মহকুমাৰ চতিয়া অঞ্চল বুলিছে আৰু চুটিয়া শব্দৰ পৰা "চতিয়া" শব্দ হৈছে বুলি কয়। আমাৰ মতে গোহাঞিবৰুৱাৰ উক্তি বিশ্বাসযোগ্য নহয়। —লেখক গেইট চাহাবৰ মতে চুটিয়াৰ ৰাজবংশক পাকৰি গুৰিলৈ স্থানান্তৰিত কৰা হয়।—লেখক



"এই ৰণজিকি হাতি ঘোঁৰা সোণৰূপ অস্ত্ৰশস্ত্ৰ অনেক দ্ৰব্য পালে। সোণৰ হাতি ও সোণৰ মেকুৰী ও জৰা ও বেলা, ও মাইহাঙ্গ ও সোনোআলি তিনিচুকিয়া সিংহাসন ও খাট, এই সকল দ্ৰব্য পাই সৰগদেও ঘৰলৈ উচৰ্গি দিলে।"

[ ৺কাশীনাথ তাঃ ফুঃ বুৰঞ্জী—১৬ পৃঃ ]

পূবত চুটিয়া ৰাজ্যৰ অৱনতি ঘটি অহাৰ সময়ত আহোম ৰাজ্যৰ পশ্চিমত বিশ্বসিংহৰ তলে কোচৰাজ্য স্থাপন হল। চুটিয়া ৰাজকোঁৱৰক মঙ্গলদৈৰ বৌতা, ধনশিৰি, কবিৰ আলি আৰু ব্ৰহ্মপুত্ৰৰ মাজত স্থাপন কৰাৰ কিছুবছৰৰ পাচত ৰাজ্য লৈ আহোম আৰু কোঁচৰ মাজত যুদ্ধ হল। বোধ হয় সেই ৰাজ-বিভ্ৰাটতে চুটিয়া ৰাজকোঁৱৰৰ ধ্বংস হল। আজি অসমত চুটিয়াৰ ৰাজবংশৰ মানুহ পাবলৈ নাই।

চুটিয়া ৰাজ্য দখল কৰাৰ পাচত সেই ৰাজ্য সুকলমে চলাবৰ কাৰণে সদিয়াত এজনে বিষয়া নিয়োগ কৰা হ'ল। সেই বিষয়া জনক "সদিয়া খোৱা গোহাঁই" বোলা হ'ল। চুটিয়া ৰাজ্য দখল কৰোঁতা থাওমুঙ্গলুঙ্গ ফ্ৰাচেনমুঙ্গ বৰগোহাঁইক স্বৰ্গদেৱে প্ৰথম সদিয়া খোৱা গোহাঁই পাতিলে। পাচলৈ এই বিষয় বুঢ়াগোহাঁই খেলৰ গোহাঁই আৰু খামটি ৰজাই ভোগ কৰিছিল।

ৰাজ্য হেৰুৱাৰ পাচতে চুটিয়াবিলাকে বিদ্ৰোহ কৰিছিল। সেই বিদ্ৰোহ বৰগোহাঁয়ে দমন কৰিলে। আহোম বুৰঞ্জীত লিখিছে যে ১৫২৪ খ্ৰীঃত চেওচেঙ্গ-লুঙ্গ কিং খামক সদিয়া খোৱা গোহাঁই পতা হল। এই কথা দেওধাই অসম বুৰঞ্জীত ( ২১ পৃঃ ) তলত দিয়া দৰে আছে—"আতপাচে সদিয়াত ফ্ৰাচেন্মুন বৰগোহাঁইক...ডিবৰু ৰাজ্য খাব দিলে। লাক্লি কংমাও শকত ত্যাওচুংলুং কিংলুঙ্গক থাওমুংলুং বঙ্গন নাম দি, কাং খাম ৰজাৰ পৰা লুইতৰ আগৰিত সীমা কৰি দিলে।" ইয়াৰ পৰা বুজা যায় যে চুটিয়া ৰাজ্যৰ একখণ্ডত চাওচেঙ্গলুঙ্গ ক্লিং খামকো ( ত্যাওচুংলুং কিংলুঙ্গ ) অধিপতি পাতিছিল। ১৫২৭ খ্ৰীঃত চুটিয়াবিলাকে পুনৰ বিদ্ৰোহ কৰিছিল; কিন্তু সেই বিদ্ৰোহ দমন কৰা হ'ল।

১৫২৯ খ্ৰীঃত ( আহোম বুৰঞ্জী ) চুটিয়াবিলাকে পুনৰ চাওফ্ৰাচেনমুঙ্গ বৰ গোহাঁই আৰু থাওমুংবঙ্গনৰ বিপক্ষে বিদ্ৰোহ কৰাৰ খবৰ পাই স্বৰ্গদেৱে চুক্লানফা তিপাম ৰজাক বৰগোহাঁইক সহায় কৰিবলৈ পঠালে। বৰগোহাঁয়ে চন্দনগিৰিত চুটিয়াৰ লগত ৰণ দিলে আৰু থাওমুংবঙ্গন সদিয়ালৈ আৰু চুক্লানুফা কাংখামলৈ আগবাঢ়ি গল। স্বৰ্গদেৱ ত্যাওচুংলুং কংচেং আৰু অন্যান্য ডাঙৰীয়াসকলেৰে কাংখামলৈ গল। তাৰ পৰা স্বৰ্গদেৱ সদিয়ালৈ গৈ ত্যাওচুংলুংকংচেং, ৰূপসন্দিকৈ আৰু চুংহনক দিবাংমুখলৈ, চুক্লানুফা, বৰগোহাঁই, থাওমুংচেনৰ, আৰু থাওমুং ক্লিংখামক থাউকং পৰ্ব্বত ( Hill Dotthng আহোম বুৰঞ্জী) আৰু ত্যাওচুলেং চাৰিং ৰজাক কুণ্ডিলৰ দেওঘৰলৈ পঠালে। থাউকং পৰ্ব্বতত চুটিয়াবিলাক পৰাস্ত হোৱাত স্বৰ্গদেৱে চাৰিংৰজাক থাওকং পৰ্ব্বতলৈ আৰু বৰগোহাঁইক দিখাৰিয়েদি চন্দনগিৰিত যুদ্ধ কৰিবলৈ পঠালে। চন্দনগিৰিত আহোমসকলে যুদ্ধত জিকিব নোৱাৰি, থাওমুং ক্লিংখামক পঠাই চন্দনগিৰিৰ নামনিৰ কিছুমান চুটিয়াৰ লৰা-বুঢ়া মানুহ ধৰি আনি স্বৰ্গদেৱৰ লগ ললে স্বৰ্গদেৱ সদিয়াৰ পৰা কংখাম আৰু তাৰ পৰা দিকালুমুখলৈ গ'ল। চাৰিংৰজা দেওঘৰৰ পৰা ঘূৰি

আহোঁতে লুইতৰ কাষত চুটিয়াবিলাকে বেঢ়ি ধৰিলে। থাওমুংবঙ্গন, ত্যাওচুলেং আৰু ক্যাংত্যোং চুহনকে দিবাঙ্গে ভটিয়াই আহি, চাৰিংৰজাক উদ্ধাৰ কৰে আৰু চুটিয়াবিলাকক পৰাস্ত কৰি কিছুমান ধৰি আনি, কাংখামত স্বৰ্গদেৱক সোধালে। স্বৰ্গদেৱে বৰগোহাঁই আৰু থাওমুং বঙ্গনক সসৈন্যে সদিয়াত থৈ ৰাজধানীলৈ উভটি আহিল (দেঃ অঃ বুঃ—২৩-২৪ পৃঃ)।

এই বিদ্ৰোহৰ বিৱৰণৰ পৰা বুজা যায় যে বিদ্ৰোহ ব্যাপক আৰু সতেজভাৱে হৈছিল। বিদ্ৰোহ পৰিচালনা কৰাসকলৰ নাম হলে পাবলৈ নাই।

গেইট চাহাবৰ বুৰঞ্জীত পোৱা যায় যে চুটিয়াবিলাকে স্বৰ্গদেৱ চুক্লেনমুঙ্গৰ দিনত ১৫৪২ খ্ৰীঃত (১) আৰু স্বৰ্গদেৱ চুখামফাৰ দিনত ১৫৬৩ খ্ৰীঃত। তিপাম আৰু নামৰূপত (২) আৰু ১৫৭২ খ্ৰীঃত (৩) বিদ্ৰোহ কৰিছিল। প্ৰত্যেক বিদ্ৰোহকে আহোমসকলে দমন কৰে।

১৫২৩ খ্ৰীঃতে যদিও আহোমসকলে চুটিয়া ৰাজ্য তেওঁলোকৰ ৰাজ্যত চামিল কৰিছিল, তত্ৰাচ চুটিয়াসকলৰ স্বাধীন চিত আৰু তেজ নিৰ্মূল কৰিব পৰা নাছিল। সেয়েহে চুটিয়াসকলে মাজে মাজে স্বাধীনতা উদ্ধাৰৰ অৰ্থে ১৫৭২ খ্ৰীষ্টাব্দলৈকে বিদ্ৰোহ কৰিছিল। ১৫৭২ খ্ৰীঃৰ পাচৰ পৰা চুটিয়াসকলে বিদ্ৰোহ কৰা কথা পোৱা নাযায়। বোধহয় তেতিয়াৰ পৰা চুটিয়াসকল অন্যান্য অসমীয়া জাতিৰ লগত মিল হৈ এক অসমীয়া জাতিত পৰিণত হ'ল।

চুটিয়া জাতিৰ সংস্কৃতি, সভ্যতা, সাহিত্য, ভাস্কৰ্য্য, শিল্প, ৰাজতন্ত্ৰ, মুদ্ৰা, ধৰ্ম্ম আদিৰ বিষয়ে বিশেষ বিৱৰণ প্ৰকাশ হোৱা নাই।

চুটিয়া জাতিৰ স্বেচ্ছাচাৰী ৰাজতন্ত্ৰ আছিল, কিন্তু ই কেনে ধৰণৰ আছিল জনা নাযায়। মটকৰ বুৰুক চুটিয়া বিদ্ৰোহী ৰজা সৰ্ব্বানন্দ সিংহৰ বাহিৰে স্বাধীন চুটিয়া ৰজাসকলৰ মুদ্ৰা থকাৰ প্ৰমাণ পোৱা নাযায়। কৰ্ণেল শ্বেক্সপীয়েৰ চাহাবৰ মতে আহোমসকলে দেউৰীসকলৰলিখিত ভাষা পাইছিল। কিন্তু বৰ্ত্তমান দেউৰীসকলৰ ভিতৰত কোনো লিখিত ভাষা নাই আৰু আজিলৈকে দেউৰী ভাষাত লিখিত কোনো পুথি আবিষ্কাৰ হোৱা নাই। এই কাৰণে চুটিয়াসকলৰ লিখিত ভাষা থকা প্ৰমাণ সাপেক্ষ। চুটিয়াসকলৰ ধৰ্ম্মৰ বিষয়ে ওপৰত লিখা হৈছে।

আহোমসকলে চুটিয়া ৰাজ্য জয় কৰি তাত দৈৱজ্ঞ, ব্ৰাহ্মণ, কাথ কলিতা, তাঁতী, সোণাৰী, কমাৰ, চমাৰ, ধোবা, নাপিত, খনিকৰ আদি পাইছিল। চুটিয়া ৰাজ্যৰ হাবুঙত ব্ৰাহ্মণৰ ঘৰত স্বৰ্গদেৱ চুদাংফাং (১৩৯৭—১৪০৭ খ্ৰীঃ) ডাঙৰ হয় আৰু তেওঁ সেই ব্ৰাহ্মণৰ ঘৰৰ লক্ষীনাৰায়ণ শালগ্ৰাম আহোমৰজাৰ ঘৰত প্ৰতিষ্ঠা কৰিলে।

---

(১) ১৫৪২—৪৩ খ্ৰীঃত চুটিয়াবিলাকে দিচাঙত হননক হত্যা কৰিলে। চাওলুঙ্ টিমাই চুটিয়া ৰাজ্য ধ্বংস কৰিলে (আহোম বুৰঞ্জী)।

"পাচে বৈশাগৰ দিনত চুটিয়া আহি চুংহননক দিছাঙত মাৰি লৰা-তিকতা ধৰি লৈ গল দিছাঙৰ ।পৰা পাচে ৰজাদেৱে এই কথা শুনি লাক্নি প্ৰেকৃদি শকত থাওমুং তিপামক কছাৰী ৰাজ্যৰ পৰা আনি দিচাঙত চুলেং তিপমীয়া গোহাঁইৰ হতুৱাই থোৱালে। ৫৩॥"
—দেঃ অঃ বুঃ (৩৭ পৃঃ)।

(২) "এনেতে আঘোনৰ দিনত চুটিয়াই আহি আমাৰ খেৰেম, নামৰূক দুই ৰাজ্য ভাঙিলেহি। পাচে ৰজা দেৱক দদায়েক চুলেং তিপাম ৰজা গৈ চুটিয়াৰে যুদ্ধ ধৰিলেগৈ তিপাম ৰজা উঠা হাতীত চুটিয়াই তিনিপাত কাঁড় মাৰি লগালত বলে নোৱাৰা হেন দেখি তিপাম ৰজা দিহিং পাবহৈ হুঁহকি আহিল।৬৯॥"

দেঃ অঃ বুঃ (৪৬ পৃঃ)।

(৩) স্বৰ্গদেৱৰ আদেশত চাৰিং ৰজা, বুঢ়া গোহাঁই আৰু ৰূপসন্ধিকৈয়ে কাষ্যাৰ পৰা চুটিয়া সেনাপতিক ধৰি আনিলে। (দেঃ অঃ বুঃ ৪৭ পৃঃ)।



চুটিয়া ৰাজ্যৰ পশ্চিম আৰু পূব সীমান্তত থকা হিন্দুৰ মন্দিৰ আৰু তীৰ্থস্থান আৰু চুটিয়া ৰাজ্যৰ অন্যান্য ঠাইত থকা মন্দিৰবিলাক আৰু ভাস্কৰ্য্যৰ কথা ওপৰত উল্লেখ কৰা হৈছে। এইবিলাক কথাৰ পৰা প্ৰমাণিত হয় যে চুটিয়া ৰাজ্যত অতীজৰ পৰা আৰ্য্যৰ বসতি আছিল আৰু আৰ্য্য সভ্যতাৰ পোহৰ পৰিছিল। চুটিয়া ৰাজ্যত তাঁতী, সোণাৰী, কমাৰ, চমাৰ, ধোবা, নাপিত, খনিকৰ আদি বৃত্তিয়াল মানুহ থকাই প্ৰমাণ কৰে যে কুটীৰ শিল্প বিষয়ত চুটিয়া ৰাজ্য স্বাৱলম্বী আছিল। চুটিয়া ৰজাৰ সোণৰ দণ্ড, ছত্ৰ, সিংহাসন, পতাকা আৰু মেকুৰী আছিল। চুটিয়া ৰজাই আহোম ৰজাৰ আৰু সেন্যাধ্যক্ষসকললৈ সোণৰ হাৰ, কঁৰীয়া আদি আৰু হাতীদাঁতৰ কঠ বা পাটি উপহাৰ স্বৰূপে পঠাইছিল। এইবিলাক কথাৰ পৰা প্ৰমাণিত হয় যে চুটিয়া ৰাজ্যত সোণৰ অলঙ্কাৰ বহুলভাবে প্ৰচলন হৈছিল, আৰু চুটিয়াসকল হাতীদাঁতৰ কামত পাকৈত আছিল। চুটিয়া ৰাজ্য জয় কৰি আহোমসকলে দণ্ড-ছত্ৰ, কেঁকোৰা-দোলা, চ'ৰানাও, নাও, বাৰু, বৰচা, আৰোৱান, পিকদান, জৰা, বেলা, মাইহাঙ্গ, ডবা, কালি, হিলৈ, হাতী, ঘোৰা, গৰু-মহ, ধন, ধান আদি অলেখ বস্তু পাইছিল। হিলৈ ব্যৱহাৰ কৰাৰ পৰা বুজা যায় যে চুটিয়াবিলাক যুদ্ধ বিদ্যাত পাকৈত আছিল। কাশীনাথ তামুলী ফুকনৰ অসম বুৰঞ্জীত আছে যে চুটিয়া ৰাজ্যত পোৱা বস্তুবিলাক আহোম ৰজা আৰু ডাঙৰীয়াসকলে ব্যৱহাৰ কৰিবলৈ ললে (পৃঃ ১৬)। "পাচে এই বৰগোহাঁই ডাঙৰীয়াইসকলে (ফ্ৰাচেঙ্গমুঙ্গ) ঐ তলে তলে কেকোৰা দোলাকে লুটিয়াই ওপৰে কেঁকোৰা মাৰি দি তলে কাপৰৰ পৰ্হি ও নালৰ পৰা চুটিকৈ ঢেকৰ দাপন লগাই নক্সা লৰাই কেকোৰা দোলা, কৰিলে।" ইয়াৰ পৰা বুজা যায় যে কেঁকোৰাদোলা, চৰানাও, আৰোৱান, পিকদান, জৰা, বেলা, মাইহাঙ্গ, ডবা, কালি আদি বস্তু আহোমসকলে চুটিয়াসকলৰ পৰাহে ব্যৱহাৰ কৰিবলৈ লৈছিল। চুটিয়াসকলৰ আগতে আহোমসকলে পৰাস্ত কৰা অসমৰ অন্য জাতিয়ে হিলৈ ব্যৱহাৰৰ কথা পোৱা নাযায়। চুটিয়া ধনুৰ ব্যৱহাৰ অতীজৰ পৰা আছে। এই ধনুৰ নাম কিয় হ'ল জনা নাযায়। এইবিলাক কথাই প্ৰমাণ কৰেযে চুটিয়াবিলাক সুসভ্য, উন্নত আৰু সমৃদ্ধিশালী আছিল।

(অন্ত)

# মাধৱ কন্দলি আৰু মহামাণিক্য ক'ৰ ?

শ্ৰীলীলা গগৈ

ভাৰতৰ প্ৰাদেশিক ভাষাবোৰৰ ভিতৰতে পুৰণি মাধৱ কন্দলি। নৱবৈষ্ণৱ যুগৰ আগে আগে অসমৰ সাহিত্যাকাশৰ ভাস্কৰ স্বৰূপ অপ্ৰমাদী কৱি মাধৱ কন্দলিৰ জন্ম হৈছিল। কন্দলিয়ে নিজে লিখি থৈ যোৱা মতে তেওঁ বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত সাতকাণ্ড ৰামায়ণ অসমীয়ালৈ অনুবাদ কৰে।

"কবিৰাজ কন্দলি যে আমাকেসে বুলিৱয়
কৰিলোঁ হো সৰ্ব্বজন বোধে ;
ৰামায়ণ সুপয়াৰ শ্ৰীমহামাণিক্য যে
বৰাহ ৰাজাৰ অনুৰোধে।"

'বৰাহ ৰাজা' মহামাণিক্য আৰু মাধৱ কন্দলি সমসাময়িক লোক। ইজনৰ কাৰ্য্যৰ লগত সিজনৰ পৃষ্ঠপোষকতা সাঙোৰ খাই আছে। এতিয়া কথা হ'ল, মহামাণিক্য ক'ৰ ৰজা আছিল, মাধৱ কন্দলিৰ বা ঘৰ ক'ত ?

মাধৱচন্দ্ৰ বৰদলৈয়ে শ্ৰীমহামাণিক্য জয়ন্তাপুৰৰ ৰজা বুলি কব খোজে। বিজয়মাণিক, ধনমাণিক, যশমাণিক এই তিনিজনৰ কোনোবা এজন ৰজাই মহামাণিক নাম লৈ জয়ন্তাপুৰত শাসন কৰিছিল। এই ৰাজ্যই বৰ্ত্তমান নগাওঁ জিলাৰ এটা অংশও সামৰিছিল। এই প্ৰসঙ্গতে বৰদলৈয়ে নগাৱঁৰ কন্দলি পৰ্ব্বত আৰু কন্দলি পথাৰলৈ আঙুলিয়াই মাধৱ কন্দলিৰ ঠাই নিৰ্ণয় কৰিব খুজিছে। সেয়ে হলে মহামাণিক্যৰ সময় যোল শতিকাৰ শেহ ভাগলৈ নামি আহে। গেইট চাহাবে উপৰোক্ত ৰজাকেইজনৰ সময় ( ১৫৬৪-১৬০৫ ) বুলি ঠাৱৰ কৰিছে। মাধৱ কন্দলি দেখাদেখিকৈ শঙ্কৰদেৱৰ আগৰ "পূৰ্ব্ব কবি অপ্ৰমাদী।"

কালিৰাম মেধিয়ে অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব' পুথিৰ আৰম্ভণিতে লিখিছে যে মহামাণিক্য ত্ৰিপুৰাৰ কছাৰী ৰজা আছিল আৰু তেওঁৰে পৃষ্ঠপোষকতাত মাধৱ কন্দলিয়ে ৰামায়ণ ৰচনা কৰিছিল।

ডঃ বাণীকান্ত কাকতিৰ মতে মহামাণিক্য জয়ন্তাপুৰৰ কছাৰী ৰজা আছিল। মাধৱ কন্দলিও নগাৱঁৰ মানুহ আছিল। ভাষাতাত্বিক দৃষ্টিভঙ্গীৰে চাই ডঃ কাকতিয়ে মাধৱ কন্দলিক চতুৰ্দ্দশ শতিকাৰ পিছলৈ নিব নোৱাৰি বুলি কৈছে।

কনকলাল বৰুৱাই লিখিছে যে মাধৱ কন্দলি চতুৰ্দ্দশ শতিকাৰ শেহৰ কৱি আছিল। কপিলী উপত্যকাত ৰাজত্ব কৰা বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত ৰামায়ণ ৰচনা কৰিছিল।

দেবেন্দ্ৰনাথ বেজবৰুৱাই 'অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী'ত লিখিছে, মাধৱ কন্দলিৰ জন্মস্থান নগাৱঁৰ আলিপুখুৰী। বেজবৰুৱাৰ মতে জয়ন্তাপুৰৰ কছাৰী ৰজাসকল 'বৰাহী ৰজা' বুলি খ্যাত আছিল আৰু তেওঁবিলাকে নগাওঁ জিলাৰ অংশবিশেষত শাসন কৰিছিল। 'মাণিক' যুক্ত বিজয়মাণিক ৰজাই মাধৱ কন্দলিৰ পৃষ্ঠপোষক মহামাণিক্য।

শ্ৰীডিম্বেশ্বৰ নেওগে 'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ত 'পুৰণি আৰু অখণ্ডিত' মত বুলি ত্ৰিপুৰাৰ ৰজা মহামাণিক্যকে মাধৱ কন্দলিৰ পৃষ্ঠপোষক বুলি ঠাৱৰ কৰিছে আৰু তেওঁৰ সময় চতুৰ্দ্দশ শতিকা বুলি নিৰ্দ্ধাৰণ কৰিছে।



ডঃ সূৰ্য্যকুমাৰ ভূঞাই লিখিছে, যাৰ পৃষ্ঠপোষকতাত মাধৱ কন্দলিয়ে ৰামায়ণ ৰচনা কৰিছিল, সেইজন ৰজা মহামাণিক্যৰ সময় আৰু ৰাজ্য সম্পৰ্কে এতিয়াও খাটাং সিদ্ধান্ত হোৱা নাই। যতদূৰ সম্ভৱ হিন্দুধৰ্ম্মৰ প্ৰভাৱলৈ অহা তেওঁ এজন অনাৰ্য্য ৰজা আছিল।

.হেমচন্দ্ৰ গোস্বামীয়ে লিখিছে, মহামাণিক্য বৰাহী কছাৰীসকলৰ ৰজা আছিল আৰু চতুৰ্দ্দশ শতিকাৰ মাজভাগত ডিমাপুৰত ৰাজত্ব কৰিছিল। বৰাহী ৰজা মহামাণিক্যৰ সপ্তম পুৰুষ ডেৰচোংফা দিহিঙ্গীয়া ৰজাৰ ( ১৪৯৫-১৫৩৯ ) সমসাময়িক আছিল। স্থানান্তৰত গোস্বামীয়ে লিখিছে মহামাণিক্য শদিয়াৰ ওচৰৰ সোনাপুৰত ৰাজধানী পাতি শাসন কৰিছিল।

ডঃ মহেশ্বৰ নেওগে 'পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি'ত মহামাণিকা তথা মহামাণিফাৰ ৰাজধানী উজনি অসমৰ সোণাৰি-বানফেৰা অঞ্চলৰ সোণাপুৰত থকা যেনহে লাগে বুলিকৈ মাধৱ কন্দলিক চতুৰ্দ্দশ শতিকাৰ মাজ বা শেষৰ, বৰ্ত্তমান অসমৰ মাজ বা পূবৰ লোক বুলি ধৰিব পাৰি বুলি লিখিছে।

ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মাই 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত'ত ত্ৰিপুৰা বা জয়ন্তাপুৰৰ ৰজাই বৰাহী বুলি পৰিচয় দিয়া নাই বুলি যুক্তি দেখুৱাই কৈছে "সুদূৰ ত্ৰিপুৰা বা জয়ন্তাপুৰৰ ৰাজসভাতকৈ উজনিৰ সোণাপুৰৰ বৰাহী ৰজা মহামানিফাৰ (ক্য) ৰাজসভাত ৰামায়ণ ৰচনা কৰাই বেছি সম্ভৱ।"

মহামাণিক্যৰ ৰাজ্য আৰু ৰাজধানী সম্পকে মেধি ডঃ কাকতি, বৰুৱা আদিৰ মাজত মতৰ পাৰ্থক্য আছে। তদুপৰি জনচেবেকৰ হিচাপমতে মাধৱ কন্দলিৰ সময় পিছলৈ ঠেলি আনিব লগাত পৰে। কথা গুৰু চৰিতমতে শঙ্কৰদেৱৰ গুৰু মহেন্দ্ৰ কন্দলিৰ টোলৰ পৰিদৰ্শক ৰাঘ' আচাৰ্য্যৰ গুৰু মাধৱ কন্দলিয়েই যদি শঙ্কৰদেৱে উল্লেখ কৰা 'পূৰ্ব্ব কবি অপ্ৰমাদী' হয়, তেনেহলে কন্দলি কমেও শঙ্কৰদেৱতকৈ আঢ়েকুৰি বছৰমানৰ আগৰ কবি হ'ব। তদুপৰি ত্ৰিপুৰা আৰু জয়ন্তীয়া ৰাজ্যৰ ৰাজসভাত মাধৱ কন্দলি থকাও সম্ভৱ নহয়। কন্দলিয়ে ৰামায়ণত নিজেই উল্লেখ কৰিছে, 'বৰাহ ৰজা' বুলি। গতিকে মহামাণিক্য পোনপটীয়াকৈয়ে বৰাহী ৰাজ্যৰ ৰজা বুলি ঠাৱৰ কৰিব পাৰি।

কেইবাজনেও জয়ন্তা আৰু কছাৰীক সানিপুতুকি একে কৰিব খুজিছে। প্ৰকৃততে জয়ন্তেশ্বৰ আৰু হেড়ম্বেশ্বৰ যে দুই স্বতন্ত্ৰ শক্তি সেই কথা 'কছাৰী বুৰঞ্জী' আৰু 'জয়ন্তীয়া বুৰঞ্জী'য়েই সাক্ষী দিয়ে। ত্ৰিপুৰা ৰাজ্যৰ বিস্তৃতি কপিলী উপত্যকালৈকে বিয়পি থকাৰ কেনো ঐতিহাসিক প্ৰমাণ নাই। কপিলী উপত্যকাত বৰঞ্চ ডিমাপুৰ বা উজনিত ৰাজধানী থকা কছাৰীসকলৰ বসতি থকাৰহে প্ৰমাণ পোৱা যায়। আহোমসকল অসমলৈ অহাৰ সময়ত নামনি অসম খণ্ড কমতা ৰাজ্যৰহে অধীন আছিল। নামৰ সাদৃশ্য থাকিলেও ত্ৰিপুৰা ৰাজসভাৰ লগত মাধৱ কন্দলিৰ কোনো সম্পৰ্ক নাই যেন লাগে।

মহামাণিক্য যে এজন বৰাহী কছাৰী ৰজা সেই কথাত কাৰো দ্বিমত নাই। 'কছাৰী বুৰঞ্জী' মতে মাণিক নামেৰে শদিয়াল কছাৰীৰ ৰজা এজনে পূবে শদিয়া, পশ্চিমে দিখৌমুখ, উত্তৰে দিহিঙৰ দক্ষিণপাৰ, দক্ষিণে দিলিহৰ কেন্দুগুৰি সীমা কৰি ৰজা হৈছিল। এইজন ৰজাৰ সময় ঠাৱৰ কৰা টান কিন্তু একাদশ-দ্বাদশ শতিকা বুলি ঠাৱৰ কৰিব পাৰি। এইজন ৰজাৰ পৰৱৰ্ত্তী যুগত বিচাৰপতিফা নামেৰে এজন ৰজা হয়। বিচাৰপতিফাৰ ৰাজ্য মহং পৰ্য্যন্ত আছিল। চুকাফা অসমলৈ আহোঁতে (১২২৮-২৯)

বিচাৰপতিফাক মহঙৰপৰা পঠিয়াই দিয়ে। এই বিচাৰপতিফাৰে পুতেক বিক্ৰমাদিত্যফাই নামচাং, বৰহাট সীমা কৰি ৰাজ্যবিস্তাৰ কৰিলে। সোণাপুৰ আৰু বাণপুৰ নামে নগৰ পাতিলে। নামচাং-বৰহাট সীমা কৰি স্থাপন কৰা এইখন সোণাপুৰ বৰ্ত্তমান সোণাৰি আৰু বাণপুৰ বৰ্ত্তমান বাণফেৰা হোৱাই সম্ভৱ। কাৰণ, এই সোণাৰিৰে নিচেই ওচৰতে বৰাহী ৰজাৰ নগৰ এতিয়াও আছে। নগৰৰ ঢাপ-গড় আদিয়ে বৰাহী ৰজাৰ ৰাজধানীৰ সাক্ষী দিয়ে। বিক্ৰমাদিত্যফাৰ পিছত মহামাণিফা ৰজা হয়। ত্ৰয়োদশ শতিকাৰ তৃতীয় দশকত চুকাফাই লগ পোৱা বিচাৰপতিফাৰ নাতিয়েক মহামাণিফা চতুৰ্দ্দশ শতিকাৰ আগভাগতে ৰজা হোৱা যেন লাগে। এইজন মহামাণিফাই (মহামাণিক্য) হেমচন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰা সোণাপুৰৰ ৰজা। শদিয়াল কছাৰীৰ প্ৰথম ৰজা 'মাণিক'ৰ বংশোদ্ভৱ হোৱা হেতুকে অপত্যাৰ্থত ষ্ণ্য প্ৰত্যয় প্ৰয়োগ কৰি মাণিক্য কৰিবও পাৰে। তদুপৰি মধ্যযুগৰ পণ্ডিতসকলে অনেক অনাৰ্য্যমূলীয় শব্দ সংস্কৃতীয়া কৰি ৰজাক তোষামোদ কৰিছিল। তেনে কৰোঁতেও 'মাণিফা' 'মাণিক্য' হব পাৰে।

মাধৱ কন্দলিয়ে উজনিত ৰামায়ণ ৰচনা কৰাৰ কাৰণ বিচাৰিবলৈ দুটা আনুষঙ্গিক যুক্তি আছে— (১) পুথিৰ লিপি (২) সন্ধিকৈ শব্দৰ প্ৰয়োগ। সাধাৰণতে মধ্য বা নামনি অসমখণ্ডত লিখা অসমীয়া পুথিবোৰৰ লিপি বামুণীয়া, কাইথেলী নাইবা লহকৰী। উজনি খণ্ডিত লিখা পুথিবোৰৰ লিপি গড়-গঞা। মাধৱ কন্দলিৰ ৰামায়ণৰ পুথিবোৰ উজনি অসমত গড়গঞা লিপিৰে পোৱালৈ চাই, তেওঁ উজনিত ৰামায়ণ লিখাই সম্ভৱ।

মাধৱ কন্দলিয়ে ৰামায়ণত মন্ত্ৰীৰ অনুৰূপ শব্দ হিচাপে সন্ধিকৈ (১) শব্দ প্ৰয়োগ কৰিছে (অযোধ্যা কাণ্ড, ২২০৮ দত্তবৰুৱা সংস্কৰণ)। সন্ধিকৈ শব্দটো নিশ্চয় মূল ৰামায়ণত নাই। বৰাহী আৰু আহোমসকলৰ মাজতহে এই শব্দটো ব্যৱহৃত হৈছিল। সন্ধিকৈ শব্দ সম্পৰ্কে পদ্মেশ্বৰ নাওবৈছা ফুকনৰ বুৰঞ্জীত এইদৰে আছে—চুকাফা ৰজাই "বৰাহী ৰাজা থাকুম্থাৰে মিত্ৰ কৰি বশ কৰিলে। বৰাহী ৰজাৰ মন্ত্ৰীক সন্ধিকৈ বোলে। সন্ধিকৈবিলাকে আমাৰ স্বৰ্গদেৱৰে ৰণ নকৰি তলতীয়া হ'ল। এই হেতুকে ভাল বিষয় দিবলৈ সন্ধিকৈনামকে ৰাখি চমুৱা পাতিলে। মুংৰিমুংৰাম ৰাজ্যত থুনলাই ৰজা হৈ থাকোঁতে ৰাজকোৱঁৰ এজনক ভাটী দেশলৈ পঠিয়াইছিল। তেওঁ আহি ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে বৰাহী গাৱঁত আলহী আছিল। তাৰেপৰা বৰাহী ৰজাৰ ৰাজধানীলৈ আহি তাতে থাকিবলৈ লয়। বৰাহী ৰজাই জীয়েকক বিয়া দি ৰাজকোৱঁৰক মন্ত্ৰী অৰ্থাৎ সন্ধিকৈ পাতে। কন্দলিয়ে ৰামায়ণ অনুবাদ কৰোঁতে মূলত নথকা সন্ধিকৈ শব্দটো নিজৰ ৰাজ্যৰ শব্দ হিচাপেই নিশ্চয় ব্যৱহাৰ কৰিছিল। ইয়াৰেপৰা কন্দলিয়ে উজনিৰ বৰাহী ৰাজ্যত ৰামায়ণ ৰচনা কৰাটো প্ৰতীয়মান হয়। তদুপৰি মাধৱ কন্দলিৰ ৰামায়ণত উজনি অসমত ব্যৱহৃত হোৱা খণ্ডবাক্যৰ প্ৰাচুৰ্য্যয়ো দ্বিতীয় এটা ইঙ্গিত দিয়ে।

মহামাণিফাৰ সাতপুৰুষৰ ৰজা ডেৰ্‌চোংফা। ১৩৯৫ শকত (১৪৭৩ চন) দিহিঙ্গীয়া ৰজাৰ সেনাপতিয়ে সোণাপুৰৰ কছাৰী ৰজা ভেৰচোংফাক ঘটুৱাই দিখৌ সীমা কৰি ৰাজ্য কাঢ়ি লয়। লগতে সোণাপুৰ আৰু বাণপূৰৰ মূৰ্ত্তিও পায়। বুৰঞ্জীবিদ গেইটেও কছাৰী ৰাজ্য দিখৌৰ পূবলৈকে বিয়পি থকাৰ কথা লিখিছে। ডেৰচোংফাৰ দিনত কছাৰী ৰাজশক্তি দিখৌ সীমাৰপৰা পিছুৱাই নামদাং, গাভৰুপৰ্ব্বত, দেৰগাওঁ, মৰঙ্গী, আদিত বৈ বৈ গৈ ১৪৯৩ চনৰ পিছতহে ডিমাপুৰত ৰাজধানী পাতেগৈ। গতিকে ডিমাপুৰত শাসন কৰা কোনোবা মহামাণিক্যৰ দিনত ৰামায়ণ ৰচনা হলে চতুৰ্দ্দশ শতিকাৰ পৰিবৰ্ত্তে ষোড়শ শতিকালৈ নামি আহিব, যিটো সম্ভৱ নহয়।

(১) সেনাপতি যুথপতি মন্ত্ৰী সন্ধিকৈ।
মহা মহা সাধু যত সবাহান্ধে লই।"



বৰাহীসকল হিন্দু প্ৰভাৱসম্পন্ন অনাৰ্য্য লোক। উজনি অসমত বৰাহীসকলৰ নাতি-পুতি এতিয়াও আছে। অৱশ্যে বৰাহী কছাৰী আৰু বৰাহী চুটিয়া নামেৰে উজনি অসমত দুটা উপ-জনজাতি থকাৰ কথা জনা যায়। কোনো কোনোৱে কয় যে বৰাহ বিষ্ণুৰ বংশোদ্ভৱ পালবংশৰ মানুহৰ সৈতে চুটিয়া আৰু কছাৰীলোকসকলৰ বিয়া-বাৰু হৈ যিটো উপজাতি সৃষ্টি হৈছিল সেইটোৱেই বৰাহী জাতি। গতিকে বৰাহী জাতিটো হিন্দু প্ৰভাৱসম্পন্ন আছিল। সি যি কি নহওক, বৰাহী কছাৰী ৰজা আৰু প্ৰজা উভয়েই হিন্দু ধৰ্ম্মাৱলম্বী আছিল। সেইবাবে ব্ৰাহ্মণ মাধৱ কন্দলিক নিজৰ ৰাজসভাত ৰাখি বাল্মিকীৰ ৰামায়ণ অসমীয়া ভাষালৈ অনুবাদ কৰাৰ পৃষ্ঠপোষকতা কৰিছিল।

চুহুম্মুং দিহিঙ্গীয়া ৰজাৰ দিনত (১৪৯৭—১৫৩৯) মাধৱদেৱে উজনিৰ গড়গাওঁ সন্ধিকৈ তথা সন্দিকৈ এজনক অযোধ্যাকাণ্ড ৰামায়ণ এখন পাঠ কৰি শুনাইছিল।

দেখন্ত অযোধ্যাকাণ্ড চৰিত্ৰ ৰামৰ।
মনত আনন্দ অতি ভৈলা মাধৱৰ ॥৭৪৮॥

মাধৱদেৱে ৰামায়ণৰ পাচঁকাণ্ড ৰামায়ণ পঢ়ি শুনোৱাৰ কথাও ৰামানন্দ দ্বিজৰ গুৰুচৰিতত পোৱা যায়।

শুনাইলা অযোধ্যা-কাণ্ড লঙ্কা পৰিমিত।
শুনি সন্দিকাইৰ আনন্দিত ভৈলা চিত ॥৭৬৬॥

মাধৱ কন্দলিৰ মূল ৰামায়ণ এতিয়াও পাঁচকাণ্ডহে। বৰাহী ৰজাৰ ৰাজসভাৰ সন্ধিকৈৰ হাতত থকা মাধৱ কন্দলিৰ পাঁচকাণ্ড ৰামায়ণৰ বাহিৰে এইখন আন ৰামায়ণ হোৱাটো সম্ভৱ নহয়। মাত্ৰ এশ বছৰ পিছত পোৱা এইখন ৰামায়ণ গড়গাৱঁৰ পৰা কুৰি মাইল দূৰৰ সোণাপুৰত ৰচিত হোৱাটোৱেই প্ৰতীয়মান হয়। সুদূৰ ত্ৰিপুৰা বা জয়ন্তাপুৰৰপৰা ইমান সোনকালে পুথি আহি গড়গাওঁ ওলোৱাটো সম্ভৱ নহয়। আনপিনে বৰাহী ৰজাৰ সন্ধিকৈক আহোম ৰজাই চমুৱা খেলত তুলি বিষয়া পতাৰ কথা ওপৰত কৈ অহা হৈছে। গতিকে দুই-তিনি পুৰুষৰ হাত বাগৰি এইজন 'সন্দিকাই'ৰ হাতত পোৱা পুথিখন হয়তো মূল পুথিখনেই হব পাৰে।

মাধৱ বৰদলৈক সমৰ্থন কৰি কোনো কোনোৱে বিজয়মাণিক, যশমাণিক, ধনমাণিক আদিৰে কোনোবা এজনক 'মহামাণিক্য' বুলি ভবাৰ কোনো থল নাই। এইখিনিতে কছাৰী আৰু জয়ন্তীয়া ৰজাক একে কৰিবলৈকো থল নাই। কাৰণ, কছাৰী ৰজা যশনাৰায়ণ আৰু জয়ন্তীয়া ৰজা ধনমাণিকৰ মাজত প্ৰচণ্ড সংঘৰ্ষ হোৱাটোহে বুৰঞ্জীয়ে প্ৰমাণ দিয়ে। এই যশনাৰায়ণৰ এঘাৰ পুৰুষ আগৰ মহামাণিফা আৰু ধনমাণিকৰ দুপুৰুষ আগৰ বিজয়মাণিক (ষোল শতিকাৰ) গাতকে মাধৱ কন্দলিয়ে 'মাণিক' যুক্ত কোনোবা জয়ন্তা ৰাজৰ পৃষ্ঠপোষকতাত ৰামায়ণ ৰচনা কৰাটো সময় সাপেক্ষ নহয়। যদি কছাৰী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত ৰামায়ণ ৰচনা কৰাটো সৰ্ব্বসম্মত মত হয়, তেনেহলে তেওঁ সোণাপুৰৰ বৰাহী কছাৰী ৰজা মহামাণিফাই হ'ব। মহামাণিফাৰ 'ফা'টো লিপিকাৰৰ দোষত 'ক্য' হোৱাটো একো অসম্ভৱ নহয়। সেয়ে হলে মহামাণিক্য দিখৌৰ পূব পাৰে বিয়পি থকা কছাৰী ৰাজ্যৰ ৰজা আছিল আৰু মাধৱ কন্দলিয়ে শিৱসাগৰ মহকুমাৰ সোণাৰিৰ ওচৰৰ বৰাহী ৰজাৰ নগৰতে ৰামায়ণ ৰচনা কৰিছিল।

# উৰ্ব্বশী

শ্ৰীললিতকুমাৰ বৰুৱা

বেলেগ বেলেগ দেশৰ পৌৰাণিক কাহিনী আৰু চৰিত্ৰসমূহে যুগ যুগ ধৰি সৃষ্টিকামী লেখকসকলক সমল যোগাই আহিছে। পৌৰাণিক কাহিনীবোৰৰ আঁৰত থকা জ্ঞানে কৰি, শিল্পী আৰু কাহিনী-কাৰ-সকলক যুগে যুগে তাৎপৰ্য্যমূলক সমল যোগাইছে। শিল্পী আৰু লেখকসকলে আকৌ এই আখ্যান-সমূহৰ আলমত নিজৰ জীৱনৰ অভিজ্ঞতা আৰু বাণী প্ৰচাৰ কৰিছে।

প্ৰেমক কেন্দ্ৰ কৰি বহুতো ৰম্য কাহিনী ৰচিত হৈছে। এই কাহিনীবোৰৰ মাজত সচৰাচৰ এটা কথা পোৱা যায়—কোনো দিব্যলোকবাসীয়ে স্বৰ্গৰ অনুশাসন ভঙ্গ কৰা অপৰাধৰ শাস্তি স্বৰূপে মৰ্ত্ত্যলৈ পতিত হয় আৰু মানুহৰ নিচিনাকৈ প্ৰেম আৰু বিৰহৰ সোৱাদ লব লগা হয়। গ্ৰীকসকলৰ মাজত "ইৰছ" (Eros) আৰু "ছাইকী'ৰ (Psyche) কাহিনী আছে। স্কেণ্ডিনেভিয়াৰ মানুহৰ মাজত ফ্ৰেজ্জা (Frejja) আৰু অদ্দাৰৰ (Oddur) প্ৰণয়গীতি শুনিবলৈ পোৱা যায়। আমাৰ দেশতো সেইদৰে বেদত বৰ্ণিত পুৰূৰৱা আৰু উৰ্ব্বশীৰ কাহিনী পাবলৈ আছে।

বিভিন্ন যুগৰ বিভিন্ন কৱিয়ে এই পৌৰাণিক আখ্যানসমূহ ব্যৱহাৰ কৰি আহিছে। সুবিধামতে ঠায়ে ঠায়ে দুই চাৰিটা কথা যোগবিয়োগ কৰি তেওঁলোকে সিবিলাকৰ একোটা নতুন আৰু ব্যক্তিগত ব্যাখ্যা দি আহিছে। একেটা আখ্যানেই সাহিত্যিক প্ৰতিভাসম্পন্ন ব্যক্তিৰ হাতৰ পৰশত নতুন সাজেৰে সাজিকাচি ওলাইছে।

পুৰূৰৱা-উৰ্ব্বশীৰ কাহিনীৰ প্ৰথম উল্লেখ পোৱা যায় ঋগ্‌বেদতেই। তাৰ পিছত অলপ পৰিবৰ্ত্তিত হৈ এই আখ্যানটো গোটেই সংস্কৃত সাহিত্যতে জুৰি আছে। মৎস্য, বিষ্ণু আৰু ভাগৱত পুৰাণত এই কাহিনী আছে। কিন্তু শতপথ ব্ৰাহ্মণতহে এটা সম্পূৰ্ণ কাহিনী পোৱা যায়। শতপথ ব্ৰাহ্মণত প্ৰণয়ী যুগলৰ মিলন আৰু বিচ্ছেদৰ এটা বিস্তৃত বিৱৰণ, উৰ্ব্বশীৰ জল-পক্ষী ৰূপধাৰণ, পুৰূৰৱাৰ উৰ্ব্বশীক অন্বেষণ আৰু উৰ্ব্বশীৰ উদ্ধাৰ এই সকলোবোৰ ইয়াত বৰ্ণিত হৈছে।

কালিদাসে তেওঁৰ বিখ্যাত নাটক 'বিক্ৰমোৰ্ব্বশী'ত এই কাহিনীকেই ব্যৱহাৰ কৰিছে। পাচত আধুনিক যুগত ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু শ্ৰীঅৰবিন্দয়ো উৰ্ব্বশীৰ কাহিনীলৈ সুদীৰ্ঘ বিৱৰণমূলক কৱিতা লিখিছে। প্ৰতীকবাদৰ ফালৰ আৰু পুৰূৰৱা আৰু উৰ্ব্বশীয়ে আমাৰ পুৰুষত্ব আৰু নাৰীত্বৰ আদৰ্শৰ প্ৰতিনিধিত্ব কৰে। পুৰুষোচিত আবেগ অনুভূতিৰ পূৰ্ণ বিকাশ হৈছে পুৰূৰৱাৰ চৰিত্ৰত ; আৰু উৰ্ব্বশীও অনুপম নাৰী সুলভ অনুভূতিৰ নিখুঁত অভিব্যক্তি। উৰ্ব্বশী অনন্তযৌৱনাং—তেওঁ মনমোহিনী। দেৱতা আৰু মানৱ সকলোকেই তেওঁ মায়া জালত বন্দী কৰে। তেওঁৰ যাদুকৰী মোহত সাগৰৰ ঢৌ শান্ত হৈ যায়। তেওঁৰ সন্মুখত শ্ৰেষ্ঠ নাগ বাসুকীও নিষ্ক্ৰিয় হৈ পৰে।

ৰবীন্দ্ৰনাথে উৰ্ব্বশীক অপূৰ্ব্বশোভনা বুলি সম্বোধন কৰিছে। উৰ্ব্বশীৰ স্থান ইন্দ্ৰৰ ৰাজদৰবাৰত আৰু নৃত্যগীতেৰে দেৱতাসকলৰ চিত্তবিনোদন কৰাটোৱেই তেওঁৰ কাম। কিন্তু উৰ্ব্বশীৰ কাহিনী অমৰ লোকৰ কাহিনী নহয়—ই মৰ্ত্ত্যৰ নৰনাৰীৰ মিলন আকাঙ্ক্ষাৰ এক সুমধুৰ গীত। তেওঁ মহিমামণ্ডিত কৰিছে পাৰ্থিৱ জগতৰ অমৰ প্ৰেম,—প্ৰণয়ৰ আবেগময় গভীৰতা আৰু ইন্দ্ৰিয় গ্ৰাহ্য আনন্দ।

কালিদাসৰ এখন নাটকৰ দেৱলোকৰ অপ্সৰা এগৰাকীয়ে কবৰ দৰে ইন্দ্ৰিয় ভোগ্য সুখ আৰু আনন্দ কেৱল মৰ্ত্ত্যবাসীয়ে উপভোগ কৰিব পাৰে। পাৰ্থিৱ, মানৱ প্ৰেমৰ সুৱদি অভিজ্ঞতা লবৰ কাৰণে সৰগৰ কোনো কোনো দেৱ-দেৱীয়ে সময়ে সময়ে মৰ্ত্ত্যলৈ নামি অহাৰ কথাই প্ৰমাণ কৰে যে অশেষ দুখ যাতনা থকা সত্বেও আমাৰ এই বসুন্ধৰাই আটাইতকৈ সুখকৰ স্থান। দেৱতাসকলৰ তুলনাত মৰ্ত্ত্যবাসী-সকল বেছি সৌভাগ্যবান, কাৰণ প্ৰণয়ৰ ইন্দ্ৰিয়লব্ধ আৰু ইন্দ্ৰিয়াতীত উভয় ৰূপকেই তেওঁলোকে উপভোগ কৰিবলৈ পায়।

ওপৰত উল্লেখ কৰা প্ৰত্যেক গৰাকী কৱিৰেই মূল্যাঙ্কন কৰিলে আমি দেখিবলৈ পাওঁ যে তেওঁলোক সকলোৰে কাব্যৰ বিষয় একেটাই—পাৰ্থিৱ প্ৰেমৰ মহিমা। কিন্তু সেয়ে হলেও প্ৰত্যেক জনৰে কাব্যত স্বকীয় দৃষ্টিভঙ্গী আৰু সমকালীন সমাজৰ প্ৰভাৱ পৰিছে। ইয়াৰ ফলত কাহিনীৰ চৰিত্ৰ আৰু ঘটনাৱলীৰ উপস্থাপন আৰু কৱিৰ দৃষ্টিভঙ্গীৰ পাৰ্থক্য পৰিলক্ষিত হৈছে। প্ৰতিজন কৱিৰ দৃষ্টিত নায়ক-নায়িকাই বেলেগ ৰূপত ধৰা দিছে আৰু অন্যান্য চৰিত্ৰবিলাকো স্বকীয়া স্বকীয়া বৈশিষ্ট্যৰ নতুন নতুন ৰূপত ওলাইছে।

## ক'লা ছাঁ

শ্ৰীঅৰবিন্দৰ কৱিতাই পুৰাণৰ কাহিনী বহুত দূৰ অনুসৰণ কৰিছে। কালিদাসে হলে নিজৰ যুগৰ ৰুচি আৰু দাবী অনুযায়ী বিষয়-বস্তু অ'ত ত'ত সালসলনি কৰিছে। কালিদাসৰ সময়ত বহুবিবাহ প্ৰচলিত আছিল। তেওঁৰ অন্যান্য নাটকৰ দৰে বিক্ৰমোৰ্ব্বশীতো এই বহুবিবাহে কাহিনীটোৰ সৌন্দৰ্য্যত ছাঁ পেলাইছে। কালিদাসৰ অগ্নিমিত্ৰ আৰু দুষ্যন্তৰ দৰে পুৰূৰৱাও প্ৰথমতে উৰ্ব্বশীৰ অপাৰ্থিৱ সৌন্দৰ্য্য দেখিহে ভোল গৈছিল।

কালিদাসৰ হাতত পুৰূৰৱা-উৰ্ব্বশীৰ আখ্যান প্ৰায় ৰাজকীয় জীৱনৰ এটি মিলনাত্মক কাহিনীত পৰিণত হৈছে। ৱেদৰ উৰ্ব্বশী অধিক সৰল আছিল ; সাধাৰণ মানৱ জীৱনৰ বেচি ওচৰ চপা, আৰু মৰ্ম্মস্পৰ্শী কাৰুণ্যৰ দ্বাৰা উজ্জ্বল হৈ উঠিছিল। অৱশ্যে কালিদাসৰ বিষয়বস্তুৰ কৌশলৰ কৃতিত্ব তাত নাই সঁচা। চন্দ্ৰবংশীয় বীৰ ৰজা পুৰূৰৱাই কেশী নামে এক দুৰ্দ্দান্ত ৰাক্ষসৰ কৱলৰ পৰা দিব্যাঙ্গনা উৰ্ব্বশীক উদ্ধাৰ কৰে। ইয়াৰ ফলত উৰ্ব্বশীৰ প্ৰতি পুৰূৰৱা আসক্ত হয়। তিনিটা সৰ্ত্তত অমৰবালা উৰ্ব্বশীয়ে মৰ্ত্তবাসী এজনৰ সৈতে সংসাৰ কৰিবলৈ মান্তি হয়। ইয়াৰ ভিতৰত মুখ্য সৰ্ত্ত হ'ল যাতে কোনো অৱস্থাতে উৰ্ব্বশীয়ে পুৰূৰৱাক সম্পূৰ্ণ নগ্ন অৱস্থাত দেখা নাপায়।

ইপিনে সুৰলোকৰ গন্ধৰ্ব্বসকলে উৰ্ব্বশীৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিলে। উৰ্ব্বশীক ঘূৰাই আনিবলৈ তেওঁলোকৰ মাজত ষড়যন্ত্ৰ চলিল। উৰ্ব্বশীৰ শয্যাৰ কাষত সদায় স্বৰ্গৰ পৰা অনা দুটা ভেড়া পোৱালী বন্ধা থাকে। এদিন ৰাতি গন্ধৰ্ব্ববিলাকে মনে মনে গৈ পোৱালী দুটি অপহৰণ কৰিলে। কথাটো গম পাই উৰ্ব্বশীয়ে চিঞৰিলত পুৰূৰৱাই সাৰ পালে আৰু বিচনাৰ পৰা জাপ মাৰি উঠি চোৰৰ পিছে পিছে খেদি গ'ল। তেতিয়া তেওঁৰ শৰীৰত আৱৰণ নথকাৰ সুবিধা লৈ গন্ধৰ্ব্বসকলে আকাশত বিজুলীৰ সঞ্চাৰ কৰিলে।

সৰ্ত্ত ভঙ্গ হোৱাত উৰ্ব্বশী সৰগলৈ ঘূৰি গ'ল। ভগ্নহৃদয় পুৰূৰৱাই ইপিনে তেওঁক বিচাৰি ঘূৰি

ফুৰিবলৈ ধৰিলে। সেইদৰে কুৰুক্ষেত্ৰত ঘূৰি ফুৰোতে তেওঁ এদিন এখন সৰোবৰৰ পাৰত ওলালগৈ। সেই সৰোবৰত তিনিটা ধুনীয়া ৰাজহাঁহ চৰি আছিল। তাৰে এটিক উৰ্ব্বশী বুলি পুৰূৰৱাই ততালিকে চিনি পালে আৰু তেওঁক তেওঁৰ ওচৰলৈ আহিবলৈ অনুনয়-বিনয় কৰিলে। কিন্তু সকলো অনুৰোধ অথলে যোৱাত নিৰাশ হৈ পুৰূৰৱাই আত্মহত্যা কৰিবলৈ ওলাল।

এতিয়া আমি আগৰ ইন্দ্ৰিয়াসক্তা উৰ্ব্বশীৰ সলনি মানৱ অনুভূতি-সম্পন্না উৰ্ব্বশীক দেখা পাওঁ। পুৰূৰৱাৰ সৈতে ইমান দিন সংসাৰ কৰিও উৰ্ব্বশী আছিল সহজতে ধৰা নিদিয়া, অবোধ্য এক নাৰী। উৰ্ব্বশীৰ চলনা যিমানে বাঢ়িছিল, পুৰূৰৱাৰ হৃদয়ৰ কামনা ততোধিক বেছি হৈছিল। কিন্তু শেষত গৈ পুৰূৰৱাৰ প্ৰতি তেওঁৰ পুতৌ উপজিল। আত্মহত্যাৰ পৰা পুৰূৰৱাক বাৰণ কৰি উৰ্ব্বশীয়ে ক'লে, 'হে পুৰূৰৱা, তুমি দেহত্যাগ নকৰিবা নাইবা আন কোনো প্ৰকাৰে নিজৰ অনিষ্ট সাধন নকৰিবা। এই অমঙ্গলীয়া কুকুৰনেচীয়াবিলাকৰ তুমি খাদ্য নহবা। নাৰীৰ সৈতে কোনো যাউতিযুগীয়া বন্ধন হব নোৱাৰে। নাৰীহৃদয় আৰু কুকুৰনেচীয়াৰ হৃদয় একে বস্তু' (গ্ৰিফিথৰ ঋগ্বেদৰ অনুবাদ)।

উৰ্ব্বশীয়ে ইয়াৰ পিছত বছৰটো শেষ হ'বৰ দিনা ৰাতি পুৰূৰৱাক সেই সৰোবৰলৈ আহিবলৈ ক'লে—

"এই বছৰৰ শেষ ৰাতি তুমি ইয়ালৈ আহিবা। ইয়াতে এৰাতি তোমাৰে মোৰে মিলন হব আৰু তাৰ ফল স্বৰূপে তোমাৰ এটি পুত্ৰ লাভ হব" (গ্ৰিফিথ)। সেই মতে উক্ত সৰোবৰতে পুৰূৰৱাৰ সৈতে উৰ্ব্বশীৰ পুনৰ মিলন হ'ল। মিলনৰ আনন্দৰ মাজত তেওঁ পুৰূৰৱাক ক'লে, পাচদিনা গন্ধৰ্ব্বসকলে তেওঁক এটি বৰ দিব খুজিছে। তেওঁ উৰ্ব্বশীক 'কি বৰ লব সুধিলে' আৰু উৰ্ব্বশীয়ে তেওঁক গন্ধৰ্ব্বৰ পৰা "গন্ধৰ্ব্বসকলৰ এজন হবলৈ ইচ্ছা কৰোঁ" বুলি বৰ মাগিবলৈ ক'লে।

পৌৰাণিক আখ্যানটোত আৰু উল্লেখ আছে যে গন্ধৰ্ব্বসকলে পুৰূৰৱাক এটা অগ্নি-যজ্ঞ শিকালে আৰু ইয়াৰ দ্বাৰা এজন মানৱ গন্ধৰ্ব্বৰ শৰীৰলৈ উঠিব পাৰে। ৱেদৰ এই উৰ্ব্বশী—বিশেষকৈ কাহিনীৰ দ্বিতীয় অৰ্দ্ধৰ উৰ্ব্বশী—এগৰাকী মৰমিয়াল, প্ৰণয়িনী, আৰু প্ৰিয়-বিচ্ছেদ দুখত জৰ্জ্জৰিতা। তেওঁৰ উক্তিসমূহত পুৰূৰৱাৰ প্ৰতি তেওঁৰ গভীৰ ভাল পোৱাৰ পৰিচয় পোৱা যায়। পুৰূৰৱাক তেৱেঁই আত্মহত্যা কৰাত বাধা দিয়ে আৰু গন্ধৰ্বসকলে দিব খোজা বৰৰ কথা কৈ আশ্বস্ত কৰে। তেৱেঁই (উৰ্ব্বশী) তেওঁক গন্ধৰ্ব্বৰ শৰীৰলৈ উঠাৰ বাট দেখুৱাই দিয়ে, আৰু তাৰ দ্বাৰা দুয়ো স্থায়ীভাবে বসবাস কৰা সম্ভৱপৰ হয়।

কালিদাসে প্ৰথমতে কাহিনীটোৰ নগ্ন অংশ বাদ দিছে। শকুন্তলাৰ দৰে ইয়াতো কালিদাসে প্ৰেম-পত্ৰৰ অৱতাৰণা কৰিছে। মেৰোৱা ভূৰ্জ্জ-পত্ৰৰ আকাৰত উৰ্ব্বশীয়ে ইয়াক শূন্যৰ পৰা পুৰূৰৱাৰ ভাৰত পেলাই দিছে। এই কাৰ্য্যই সুৰলোকৰ অপ্সৰা গৰাকীক মানৱী স্তৰলৈ নমাই নিয়ে। কালিদাসে ব্যৱহাৰ কৰা কেতবোৰ নাটকীয় কৌশল আধুনিক সকলৰ কল্পনা-প্ৰসূত যেন লাগে। উদাহৰণস্বৰূপে অহংকেন্দ্ৰিক ভৰত মুনিৰ শাপ আৰু ইন্দ্ৰৰ শাপ মুক্তিৰ উপায় উল্লেখ কৰিব পাৰি। ইন্দ্ৰই উৰ্ব্বশীক কৈছে "যেতিয়ালৈকে পুৰূৰৱাৰ পৰা তোমাৰ এটা পুত্ৰলাভ নহয় তেতিয়ালৈকে তেওঁক তোমাৰ স্বামীৰূপে ভাল পাবা"। পিছে কালিদাসৰ সময়ৰ মঞ্চপ্ৰেমীসকলৰ বাবে এইবোৰ কথাত বোধহয় একো অস্বাভাৱিকতা নাছিল; কিয়নো প্ৰাচীন সংস্কৃত নাট্যকাৰসকলে প্ৰায়ে এনে কৌশল প্ৰয়োগ কৰিছিল।

কালিদাসৰ নাটকৰ চতুৰ্থ অঙ্ক অৱশ্যে গীতি-কাব্যৰ এক চৰম নিদৰ্শন। পুৰূৰৱাৰ হৃদয় থৌকি



বাথৌ লগোৱা আবেগৰাশি ইয়াতে নিখুঁত ভাবে প্ৰকাশ পাইছে। গন্ধৰ্ব্ব কন্যা উদয়াৱতীৰ প্ৰতি ৰজা পুৰূৰৱাৰ শুভদৃষ্টি পৰাত উৰ্ব্বশীয়ে অভিমান কৰি পুৰূৰৱাক এৰি 'থৈ কুমাৰ অৰণ্যত' (তিৰোতাৰ প্ৰৱেশ নিষেধ) প্ৰৱেশ কৰে; আৰু তেওঁ ততালিকে এজোপা লতাত পৰিণত হয়। ৰজা শোকত উন্মত্ত হয়। তেওঁ পৰ্ব্বত নৈ, মৌ আৰু জন্তুক, তেওঁৰ প্ৰেমিকাৰ কথা সুধি পৃথিৱী ভ্ৰমিবলৈ ধৰিলে। ইয়াৰ পাচত কালিদাসে এডোখৰ যাদুকৰী পাথৰৰ দ্বাৰা উৰ্ব্বশীক পুনৰ্জ্জীৱন দান কৰি এটা প্ৰত্যয় মানিব নোৱাৰা সমাধান উলিয়ায় আৰু তেওঁৰ (উৰ্ব্বশীৰ) প্ৰেমিকৰ লগত মিলন হয়।

## যাদুকৰী পাথৰ

যাদুকৰী পাথৰে কাহিনীৰ শেষ পৰিণতিত উপনীত কৰায়। ইয়াতো কালিদাসৰ কথাবস্তুৰ জটিলতা সৃষ্টি আৰু নৈপুণ্যৰ পৰিচয় পোৱা যায়। শগুণ এটাই পাথৰ টুকুৰা ঠোঁটত লৈ উৰি যাওঁতে পুৰূৰৱা আৰু উৰ্ব্বশীৰ সঙ্গমত জাত পুত্ৰ আয়ুসৰ হাততই মৰে। ইন্দ্ৰৰ অভিশাপৰ কথা জানি উৰ্ব্বশীয়ে তেওঁক (আয়ুস) আন এজন ঋষিৰ আশ্ৰমত সত্যৱতীৰ অধীনত লুকুৱাই থয়গৈ।

যিটো মধুৰ মিলনৰ চৰম মূহুৰ্ত্ত আছিল সেয়ে উৰ্ব্বশীৰ পক্ষে চকুপানী টোকা লগ্ন হৈ পৰিল। পুৰূৰৱাই তেওঁক বেজাৰৰ কাৰণ কি সোধাত তেওঁ যি উত্তৰ দিলে তাৰ মাজেদি কালিদাসে মিলনৰ আনন্দৰ চৰম মুহূৰ্ত্তত নিজ স্বামী আৰু সন্তানক এৰি যাব লগীয়া হোৱা এক নাৰীৰ অন্তৰস্পৰ্শী আৰু মধুৰ চিত্ৰ অঙ্কন কৰিছে :—

"হে ৰাজন, তুমি যেতিয়া মোৰ অন্তৰ কাঢ়ি নিছিলা তেতিয়া শাপৰ ভয়ে মোক বিমূঢ় কৰি পেলাইছিল। তাৰ পিছত দেৱৰাজ ইন্দ্ৰই আদেশ কৰিলে 'যি মূহুৰ্ত্তই তোমাৰ গৰ্ভজাত সন্তানৰ মুখ এই মৰ্ত্তবাসী বীৰ নৃপতিয়ে দেখিব, সেই মূহুৰ্ত্তই তুমি অমৰাৱতীলৈ ঘূৰি আহিবা'। যেতিয়া মই সন্তানৰ মুখ দেখিলোঁ তেতিয়া তোমাৰ পৰা বিচ্ছেদৰ ভয়ত মনে মনে 'চ্যৱন'ৰ অৰণ্যৰ সতী সত্যৱতীৰ কোলাত মোৰ সদ্যজাত শিশুটি এৰি থৈ আহিলোঁ। (শ্ৰীঅৰবিন্দ অনূদিত কালিদাসৰ বিক্ৰমোৰ্ব্বশীৰ পৰা)।

কালিদাসৰ জন্ম ইউৰোপত হোৱা হ'লে বিক্ৰমোৰ্ব্বশীয়ে এখন মধুৰ বিয়োগাত্মক নাটকৰ ৰূপ ললেহেঁতেন। কিন্তু সংস্কৃত নাটকত দুখময় পৰিণতি নিষেধ গতিকে শেষৰ পিনে নাৰদ মুনিৰ আৱিৰ্ভাৱ হ'ল। নাৰদৰ এই আশ্বাসবাণীৰে নাটকৰ সামৰণি মাৰিছে।

'হে ৰাজন, সুন্দৰী উৰ্ব্বশীক আজীৱন সহধৰ্ম্মিনী আৰু সহায়িকা ৰূপে তোমালৈ দিয়া হ'ল'।

ঠাকুৰে সংস্কৃত নাট্যকাৰসকলৰ পৰা সুকীয়াকৈ উৰ্ব্বশীক চাইছে। নাৰী সৌন্দৰ্য্যৰ সহজে পাহৰিব নোৱৰা যি এক ভূৱন-ভুলোৱা ৰূপ আছে তাৰেই পূৰ্ণ প্ৰকাশ ঠাকুৰৰ উৰ্ব্বশী। তেওঁৰ (উৰ্ব্বশীৰ) পথ জ্যোতিৰ্ম্ময়, আৰু প্ৰকৃতিত সিচৰতি হৈ থকা সৌন্দৰ্য্যৰে তেওঁ অভিব্যক্তি। উৰ্ব্বশী মৰ্ত্ত্য-বাসিনী নহয়। তেওঁ পত্নী বা মাতৃৰ ভূমিকাত অৱতীৰ্ণ হ'ব নোৱাৰে।

সমুদ্ৰ মন্থনত হোৱা তেওঁ এক দিব্য মোহিনী। তপস্যাৰ দ্বাৰা কোনো মুনিয়ে ইন্দ্ৰত্ব কাঢ়ি লবৰ আশঙ্কা দেখিলে দেৱৰাজে তেওঁক মুনিৰ তপোভঙ্গ কৰিবলৈ কাৰণে পঠাই দিয়ে।

যি সৌন্দৰ্য্যই বাসনাৰ দ্বাৰা পুৰুষ হৃদয় চঞ্চল আৰু বিহ্বল কৰি তোলে তাৰেই তেওঁ (উৰ্ব্বশী) প্ৰতীক। উৰ্ব্বশীৰ ৰূপে পুৰুষ হৃদয় এক অৱৰ্ণনীয় আনন্দ চেতনাৰে পুলকিত কৰি তোলে। উৰ্ব্বশীৰ কামেই হৈছে দেৱতামানৱ দুয়োৰে হৃদয়ত আনন্দ দিয়া,

উভয়ৰে মনোৰঞ্জন কৰা। পিছে মানৱৰ মন হৰণ কৰি তেওঁৰ দেশ আৰু সমাজৰ প্ৰতি থকা কৰ্ত্তব্যৰ পৰা তেওঁক আঁতৰাই অনা শক্তি তেওঁৰ ( উৰ্ব্বশীৰ ) সদায় অটুট আছে। ঠাকুৰে তেওঁক তেওঁৰ সোঁ-হাতত সুধাপাত্ৰ বাওঁ আৰু হাতত বিষ ভাণ্ড থকা বুলি অঙ্কিত কৰিছে।

উৰ্ব্বশী কাব্যৰ আধুনিকতম সংযোগ হ'ল হিন্দী কৱি ৰামধাৰী- সিংহ দিনকৰৰ। দিনকৰৰ কাব্যত কালিদাসৰ প্ৰভাৱ সুস্পষ্ট আৰু ব্যাপক। ১৬৮ পিঠিৰ এই উৰ্ব্বশী কৱিতাটি পঞ্চাঙ্ক নাটকৰ আকাৰত ৰচিত হৈছে। কৱিতাটিত অৱশ্যে নাটকীয় মূহুৰ্ত্ত আৰু নাটকীয় কাৰ্য্য তেনেই তাকৰ। কিন্তু তাৰ অভাৱে কৱিতাটিৰ সৌন্দৰ্য্য লাঘৱ কৰা নাই, কাৰণ আচলতে ই নাটক নহয়, এজন চিন্তাশীল লোকৰ গভীৰ চিন্তাৰ প্ৰকাশহে মাথোন। কৱিৰ মনত চিন্তাই ঢৌ খেলিছে, সংঘৰ্ষৰ সৃষ্টি কৰিছে আৰু ঢৌৰ খলকনি মাৰ গৈ কৱিতাটিৰ শেষৰ পিনে এক নিশ্চল, অপূৰ্ব্ব সৌম্য বিৰাজ কৰিছে। কৱিৰ মনত যিবোৰ প্ৰশ্নৰ উদয় হৈছে, সেই সকলোৰে সমাধান তেওঁ পোৱা নাই। সেইবোৰ প্ৰশ্ন মানৱৰ চিৰন্তন প্ৰশ্ন—শেষ সমাধান যে হ'ব কোৱা টান। কিন্তু এই প্ৰশ্ন-সমূহে অৱশ্যে কোনো পাঠকৰে দিনকৰৰ 'উৰ্ব্বশী'ৰ সৌন্দৰ্য্যসুধা পান কৰাত ব্যাঘাত নজন্মায়।

## গীতিমুলক সৌন্দৰ্য্য

দিনকৰৰ কৱিতাটিৰ গীতি-সৌন্দৰ্য্য অপাৰ। হিন্দী ভাষা আৰু কাব্য-ৰচনাৰ কলাৰ ওপৰত ই লেখকৰ বহুত দূৰ কৃতিত্ব ঘোষণা কৰে। ছন্দ এনে সুন্দৰকৈ সজোৱা হৈছে আৰু উচ্চ অনুভূতিমূলক মূহুৰ্ত্তত অমিত্ৰাক্ষৰ ছন্দ এনে দক্ষতাৰে প্ৰয়োগ কৰা হৈছে যে কোনো এটা পংক্তি আবৃত্তি কৰিলেই তাৰ আঁৰত বুৰ গৈ থকা ভাৱ ৰাশি আৰু অনুভূতি-বোৰক সহজে হৃদয়ঙ্গম কৰিব পাৰি। প্ৰাচীন সংস্কৃত ঐতিহ্য অনুসৰি সূত্ৰধাৰ আৰু নটীৰ কথোপকথনেৰে প্ৰথম অঙ্ক আৰম্ভ হৈছে; আৰু দ্বিতীয় অঙ্কৰ লগে লগে হৃদয়ৰ আবেগ গধুৰ কৰা উচ্ছাসপূৰ্ণ তৃতীয় অঙ্কৰ সূচনা কৰা হৈছে। প্ৰস্তাৱনামূলক প্ৰথম অঙ্কতে উৰ্ব্বশীৰ দুগৰাকী সঙ্গিনীৰ কথোপকথনৰ মাজেদি কৱিয়ে তেওঁৰ বিষয়-বস্তুৰ দুটা মূলধাৰা—প্ৰেম আৰু মাতৃত্বৰ মহিমা—উত্থাপন কৰিছে। কৱিয়ে প্ৰশ্ন কৰিছে যে সন্তোষ লাভ কৰা মাতৃৰ ওঠৰ কোমল হাঁহিতকৈ আৰু কি বেচি মোহনীয় হ'ব পাৰে।

কালিদাসৰ দৰে দিনকৰৰ নাটকো আত্মত্যাগৰ আদৰ্শৰে উদ্বুদ্ধ। ৰাণী ঔসিনাৰীৰ করুণ ছবি উচ্চ স্তৰত উপনীত হৈছে। তেওঁ ( ঔসিনাৰী ) উৎপীড়িতা হিন্দু জায়াৰ প্ৰতীক স্বৰূপা। স্বামীৰ আদৰৰ পৰা বঞ্চিতা হৈয়ো তেওঁ কৈছে—

"এতিয়াৰ পৰা মোৰ স্বামীয়ে যি নাৰীকে ভাল পায়, যদি তেওঁ মোৰ স্বামীকে বিচাৰে তেনেহলে ময়ো তেওঁক মোৰ ভনী বুলি সাৱতি লম আৰু ঈৰ্ষাৰ ভাব মনলৈ আহিবলৈ নিদিওঁ"

( শ্ৰীঅৰবিন্দৰ দ্বাৰা অনূদিত বিক্ৰমোৰ্ব্বশীয়মৰ ভাবানুবাদ )।

দিনকৰৰ নাটকৰ তৃতীয় অঙ্কৰ পুৰূৰৱা আৰু উৰ্ব্বশীৰ পৰস্পৰৰ প্ৰণয়ৰ গভীৰতা পৰিদৃষ্ট হৈছে। তেওঁলোক দুয়োৰে বাহিৰে পৃথিবীত অন্য একোৰে আকৰ্ষণ নাই। এই অঙ্কতে আমি দিনকৰৰ নায়ক আৰু নায়িকাৰ এটি স্পষ্ট চিত্ৰ পাওঁহক। অপাৰ্থিব সৌন্দৰ্য্যৰূপিনী তেওঁ ( উৰ্ব্বশী ) তেওঁৰ ইন্দ্ৰিয়—সুখ চৰিতাৰ্থ কৰিবলৈ বিচাৰিছে আৰু তেওঁ ( মানৱ ) তেওঁৰ লিপ্সা-পূৰণৰ সহায়ক হৈছে। কিন্তু দিনকৰৰ প্ৰেমৰ আদৰ্শৰ তাতে সমাপ্তি হোৱা নাই। দৈহিক সম্ভোগৰ সিফালেও ইন্দ্ৰিয়াতীত



কিবা এটা পাবলৈ যেন পুৰুৰবাৰ মন ব্যাকুল। দিনকৰৰ অস্থিৰ নায়ক ধী-শক্তিৰ ফালৰ পৰা অসুখী। ইয়াতে দিনকৰৰ পুৰূৰৱা আৰু কালিদাসৰ সম্ভোগ বিলাসী ৰজাৰ বিৰাট ব্যৱধান। দিনকৰৰ নায়কৰ মাজেদি আধুনিক মানৱৰ লক্ষণ পৰিলক্ষিত হৈছে। আধুনিক মানৱৰ বুদ্ধিয়ে জীৱনৰ ওপৰত যি এক বিৰাট দাবী কৰে তাৰ হেঁচাত মানুহৰ ব্যক্তিত্বৰ আনুষঙ্গিক দিক্‌বোৰ ক্ষীণ আৰু দুৰ্ব্বল হৈ পৰে।

আধুনিক মানৱৰ এই অশান্ত বুদ্ধিদীপ্ত মানসিক চেতনাৰ সৈতে ভাৱসাম্য ৰক্ষা কৰিছে উৰ্ব্বশীৰ জীৱন দৃষ্টিয়ে। এই উৰ্ব্বশী যেন প্ৰেমৰ অফুৰন্ত ভাণ্ডাৰ। তেওঁ কালিদাসৰ ( কালিদাসৰ পঞ্চম অঙ্কৰ বাহিৰে ) স্বৈৰিণী উৰ্ব্বশী নহয়। তেওঁ তেওঁৰ নায়কৰ মনোবল আৰু অনুপ্ৰেৰণাৰ উৎস। এইখিনিতে তেওঁৰ পুৰাণৰ উৰ্ব্বশীৰ লগত অধিক সাদৃশ্য থাকে।

দই পৃষ্ঠা জোৰা উৰ্ব্বশীৰ বচনতে কৱিতাটিৰ দাৰ্শনিক তত্ত্ব ব্যক্ত হৈছে। ইয়াতে কৱিয়ে দৈহিক আৰু আধ্যাত্মিক প্ৰেমৰ সমস্যাৰ সম্পৰ্কে যুগ যুগ ধৰি চলি অহা সমস্যাসমূহ বিশ্লেষণ কৰিব খোজে আৰু শেষত তেওঁ ঠাকুৰৰ ওচৰত চাপে—আত্মোৎসৰ্গত নহয়, মুক্তিত হে পৰিসমাপ্তি। তেওঁ ( দিনকৰে ) মানুহৰ সহজ, ইন্দ্ৰিয়লব্ধ প্ৰণয়ৰেই গান গাইছে, আৰু প্ৰেম সম্বন্ধে ধী-শক্তিবিষয়ক কপটতা তেওঁ নিন্দা কৰিছে।

এইদৰে এটা পৌৰাণিক আখ্যান অৱলম্বন কৰি এই আটাইকেইজন কৱিয়ে সাথোন সমকালীন ভাৱধাৰাৰ পটভূমিত স্বকীয় জীৱন-দৰ্শন আৰু জীৱন-বোধ দাঙি ধৰিছে। যুগ যুগ ধৰি উৰ্ব্বশীৰ কাহিনীয়ে ভাৰতীয় লেখকসকলক অনুপ্ৰেৰণা যোগাই আহিছে আৰু আমি এই দেশত জনসাধাৰণৰ মানসত বেচিকৈ ৰেখাপাত কৰা এনে ধৰণৰ পৌৰাণিক কাহিনীৰ অক্ষয় ভাণ্ডাৰ লাভ কৰি ভাগ্যৱান বুলি ভাবোঁ। আন সকলোতকৈ সেইবোৰে আমাৰ মানসৰ গভীৰ স্তৰত ৰূপদান কৰাত সহায় কৰে।

---

[ হিন্দুস্থান টাইমছৰ ( দিল্লী ) দেওবৰীয়া সংখ্যাত ( ২২।৪।৬২ ) প্ৰকাশিত আৰু অধ্যাপক শ্ৰীসুনীল কুমাৰ বৰঠাকুৰ, এম-এৰ দ্বাৰা অনূদিত—সম্পাদক ]

---

# গাৰো ভাষাত অসমীয়া শব্দ

শ্ৰীফটিকচন্দ্ৰ গগৈ

গাৰো জনজাতীয় ভাষা তিব্বত-বৰ্ম্মীয় ভাষা গোষ্ঠীৰ অন্তৰ্গত বড়ো সমষ্টিৰ এটা শাখা বুলি জনা যায়। অসমৰ ভিন ভিন জনজাতীয় ৰাইজৰ মাজত প্ৰচলিত ভাষাসমূহৰ ভিতৰত বড়ো, কছাৰী, হাজং, ৰাভা আদি মঙ্গোলীয় ভাষাবিলাকৰ লগত গাৰো ভাষাৰ সামঞ্জস্য পৰিলক্ষিত হয়। এই ভাষাসমূহ সূক্ষ্মভাৱে অধ্যয়ন কৰিলে দেখা যায় যে এইবিলাক ভাষাৰ ভিতৰত বহুতো শব্দৰ সমতা আছে। গাৰো জনজাতিৰ আদিম বাসস্থান ক'ত এই বিষয়ে সঠিকভাৱে জনা নাযায়। অনেকৰ বিশ্বাস যে গাৰোসকলৰ আদিম বাসস্থান তিব্বত। তিব্বতীয় ভাষাৰ বহুতো শব্দ গাৰো জনজাতীয় ভাষাত থকাৰ কথা জনা যায়। কালক্ৰমত বিভিন্ন দেশসমূহৰ মাজেদি পাৰ হৈ

আহোঁতে এই শব্দবিলাকৰ সম্যক পৰিবৰ্ত্তন ঘটাটো স্বাভাৱিক। গাৰো ভাষাত মহাবাহু ব্ৰহ্মপুত্ৰ নদক অভিহিত কৰা "চংডো" শব্দটো তিব্বতীয় ভাষাত উক্ত নদীক বুজোৱা "চম্পু" শব্দৰে অপভ্ৰংশ বুলি অনুমান হয়। গাৰো জনজাতীয় ৰাইজে চোৰ্ঁবৰ নেজক বৰ শ্ৰদ্ধাৰ চকুৰে চায় আৰু ধৰ্ম্ম সম্পৰ্কীয় কাৰ্য্যত ব্যৱহাৰ কৰে। তিব্বতৰ ৰাজধানী লাচাত থকা দলৈ লামাৰ ৰাজকাণ্ডৰ ভিতৰৰ বৌদ্ধ বিহাৰত পৱিত্ৰ ভাৱে সংৰক্ষিত চোৰ্ঁবৰ নেজৰ অৱস্থিতিয়ে এই দুয়ো জাতিৰ মাজত থকা ঐতিহাসিক সম্বন্ধৰ ইঙ্গিত দিয়ে।

বহুতৰ বিশ্বাস যে গাৰো জনজাতিৰ পূৰ্ব্বপুৰুষ-সকল পূৰ্ব্বতে অসমলৈ আহোঁতে হিমালয় পৰ্ব্বতমালাৰ দুৰ্গম পৰ্ব্বতীয়া অঞ্চল ভোটানেদি পাৰ হৈ আহি গোৱালপাৰা জিলাৰ উত্তৰ অঞ্চলৰ সোণকোষ নদীৰ পাৰত বসতি বিস্তাৰ কৰে। ক্ৰমে তেওঁলোক দক্ষিণলৈ নামি আহি ধুবুৰী আৰু পাচত ব্ৰহ্মপুত্ৰ পাৰ হৈ এতিয়াৰ গোৱালপাৰা নগৰৰ সমতল অঞ্চলত বিয়পি পৰে। এই সময়তে তেওঁলোকৰ গোৱালপাৰাৰ তেতিয়াৰ জমিদাৰসকলৰ লগত সংঘৰ্ষ ঘটে আৰু তেতিয়া তেওঁলোক দক্ষিণলৈ গৈ পাৰ্ব্বত্য অঞ্চলত আশ্ৰয় লয় আৰু এতিয়াৰ সমস্ত গাৰোপাহাৰ জিলাৰ পাৰ্ব্বত্য অঞ্চলত বিয়পি পৰে।

গাৰো জনজাতীয় ভাষা দৈয়ামৰ অসমীয়া ভাষাৰ পৰা পৃথক যদিও এই ভাষাত অসমীয়াৰ অসংখ্য শব্দ ব্যৱহাৰ কৰা দেখা যায়। পৰ্ব্বত আৰু ভৈয়ামৰ মানুহৰ মাজত ঘটা সংশ্ৰৱৰ ফলতেই এই শব্দবিলাকৰ জনজাতীয় ভাষাত অনুপ্ৰবেশ ঘটে।

অসমীয়া ক্ৰিয়াপদবিলাকৰ গাৰো ভাষাত সম্যক পৰিবৰ্ত্তন হোৱা দেখা যায়। তলত অসমীয়া মূল ক্ৰিয়া পদবিলাকৰ গাৰো জনজাতীয় ভাষাত কি দৰে ৰূপান্তৰ হৈছে তাকে দেখুওৱা হৈছে :

| অসমীয়া মূল ক্ৰিয়াপদ | ৰূপান্তৰিত গাৰো ক্ৰিয়াপদ |
|---|---|
| মনা | মানিয়া |
| কটা | কাটিয়া |
| দাবি কৰা | দাবিয়া |
| মাৰা | মাৰিয়া |
| ঠগা | ঠগিয়া |
| ৰখা | ৰাখিয়া |
| পঢ়া | পঢ়াইয়া |
| বঢ়োৱা | বাঢ়িয়াতা |
| বচা | বাচিয়াতা |
| চেকা | চেকা |
| কমোৱা | কমিয়া |
| ঘূৰা | ঘুৰিয়া |
| চলা | চলিয়া |
| খেলা | খালা |
| ওলমোৱা | ওলমিয়া |
| বনোৱা | বানিয়া |
| চলোৱা | চালাইয়া |
| চোবোৱা | চোবাইয়া |
| যতন কৰা | যতন খা |
| হালবোৱা | হালউইয়া |
| গলা | গলেয়া |
| যো যা কৰা | যো যা খা |

অসমীয়া ভাষাৰ 'ৰ' কাৰান্ত বা 'ৰ' বিশিষ্ট শব্দ-বিলাক গাৰো ভাষাত "ল" কাৰান্ত বা "ল" বিশিষ্ট হৈ পৰে :—

| অসমীয়া মূল শব্দ | ৰূপান্তৰিত গাৰো প্ৰতি শব্দ |
|---|---|
| আঙ্গাৰ ( এঙ্গাৰ ) | আঙ্গাল |
| খাৰ | খাল |
| মদাৰ | মন্দাল |



| অসমীয়া মূল শব্দ | গাৰো পৰিবৰ্ত্তিত শব্দ |
|---|---|
| বেগাৰ | বেগাল |
| বিচাৰ | বিচাল |
| চাকৰ | চাকল |
| দৰ্ম্মহা | দল্‌মহা |
| ঈশ্বৰ | ঈচল |
| জাবৰ | জাবল |
| খবৰ | খবল |
| সাগৰ | সাগল ( চাগল ) |

কোনো কোনো ক্ষেত্ৰত "ৰ" সংযুক্ত শব্দৰ "ৰ" ৰ উচ্চাৰণৰ কোনো পৰিবৰ্ত্তন সংঘটিত নোহোৱাকৈ মূল শব্দৰ ব্যৱহাৰ হয়। যেনে—

| | |
|---|---|
| নৰক | নৰক |
| পাণ্ডুৰী | পাণ্ডুৰী |
| পৰীক্ষা | পৰিকৃখা |
| পুখুৰী | পুখ্‌ৰী |
| ৰাণী | ৰাণী |
| ৰেলগাড়ী | ৰেলগাড়ী |
| ৰবিবাৰ | ৰবিবাৰ |
| ৰং | ৰং |
| ৰাখোৱাল | ৰাখোৱাল |
| ৰায়ত | ৰায়ত |

তলত দিয়া শব্দবিলাক অসমীয়াৰ পৰা গাৰো ভাষাত ব্যৱহাৰ হওঁতে উচ্চাৰণত সামান্যতম পৰিবৰ্ত্তন পৰিলক্ষিত হয়। যেনে—

| অসমীয়া মূল শব্দ | গাৰো পৰিবৰ্ত্তিত শব্দ |
|---|---|
| ঘা | গা |
| তৰোৱাল | তনোৱাল |
| গাধ | গাদা |
| ধৰম | তৰম |
| তক্তা | দক্তা |
| ভৰাল | বালাল |
| বাৰুদ | বাকট |

| অসমীয়া মূল শব্দ | গাৰো পৰিবৰ্ত্তিত শব্দ |
|---|---|
| বিলাতী | বেলাতী |
| বিদ্যা | বিদা |
| বৈনাই | বনিং |
| বুদ্ধি | বুদি |
| বগা | বোখা |
| ঘাট | গাট |
| ঘিলা | গিলা |
| গন্ধক | গন্দক |
| ঘোঁৰা | গোৰে |
| ঘঁৰিয়াল | গৰিয়াল |
| খুৰ | খুৰে |
| ক্ষতি | খুতি |
| কোঠালি | কুটুৰি |
| লাভ | লাপ |
| লাঠি | লাটি |
| মূঢ়া | মুৰা |
| নাগেৰা | নাগ্ৰা |
| পঁজা | পাঁজা ( তম্বু আৰু থকা ঘৰ অৰ্থত) |
| কামনা | কামানা (আশা) |
| কাজিয়া | খাজিয়া |
| আৰু | আৰো |
| কণা | কাণা |
| কঙাল | কাঙাল |
| কেৰেয়া | কেৰিয়া |
| কোণ | কোণা |
| ক্ৰোক | কোৰোক |
| কম | কমিয়া |
| টকা | টংকা |
| থাল | থালা |
| তাম | তামা |

| অসমীয়া | গাৰো |
|---|---|
| ঢেকি | ঠেঁকি |
| পাৰ | পাৰৱা |
| ৰছিদ | ৰছিত |
| ৰূপ | ৰূপা |
| দলং | জালাং |
| ঘণ্টা | খণ্টা |
| নগদ | নগত |
| হয় | অয় |
| পগলা | পাগিলা |
| খিড়িকী | খিল্‌কি |
| অধ্যায় | অইধাই |
| আখৰ | অইখৰ বা অকৃখৰ |
| অন্যায় | অনিয়া |
| অৰ্থ | অৰ্ত্ত |
| দমৰা | দামৰা |
| ক্ষমা | খেমা |

তলত দিয়া গাৰো ভাষাৰ শব্দবিলাক অসমীয়া ভাষাৰ অনুৰূপ অৰ্থত ব্যৱহাৰ নহৈ সামান্যতম বা কেতিয়াবা সম্পূৰ্ণ পৃথক অৰ্থত ব্যৱহাৰ হয়। যেনে :—

| অসমীয়া | গাৰো |
|---|---|
| বাইনা ( আগধন ) | বাইনা (আমানত) |
| যেনে তেনে (যি কোনো প্ৰকাৰে) | যেনেতেনে (কাচিৎ) |
| বিং বিং বাং বাং (অৰ্থহীন কথা) | বিং বিং বাং বাং (মূল্যহান কথা) |
| গিৰিপ্ গাৰাপ্ (ভৰিৰ খোজৰ ডাঙৰ শব্দ) | গিৰিপ গাৰাপ (হঠাৎ বন্ধ কৰা) |
| চিক্ চিক্ চাক্ চাক্ (ঘৃণা ভাৱ) | চিক্ চিক্ চাক্ চাক্ (ব্যস্ত) |
| গপ গাপ (অহঙ্কাৰ ভাৱ) | গপ গাপ (সকলো একে লগে) |

তলৰ শব্দসমূহ মূল ভাষা অসমীয়াৰ পৰা জনজাতীয় গাৰো ভাষাত ব্যৱহাৰ কৰোঁতে উচ্চাৰণ বা অৰ্থৰ বিশেষ পৰিবৰ্ত্তন হোৱা নাই। যেনে

| মূল অসমীয়া শব্দ | গাৰো শব্দ |
|---|---|
| অঞ্চল | অঞ্চল |
| অৱস্থা | অৱস্থা |
| আই | আই ( মা আৰু উপাৰ্জ্জন এই দুই অৰ্থত ব্যৱহাৰ হয় ) |
| আফিং | আফিং |
| ইটা | ইটা |
| এন্দুৰিয়া | ইন্দুৰিয়া |
| ওজা | ওজা (চিকিৎসক) |
| উট | উট |
| উপাধি | উপাধি |
| এলেকা | এলেকা |
| কবি | কবি |
| কল | কল |
| কলম | কলম |
| কম্বল | কম্বল |
| কৰত | কৰত |
| কাম | কাম |
| কিতাপ | কিতাপ |
| কেৰেলা | কেৰেলা |
| খোৰা | খোৰা |
| গজাল | গজাল |
| গল্প | গলপ |
| গাড়ীচকা | গাড়ীচকা |
| গুণ | গুণ |
| গুদাম | গুদাম |
| গুৱা | গুৱা |
| গোটা | গোটা |



| অসমীয়া | গাৰো | অসমীয়া | গাৰো |
|---|---|---|---|
| গোমধান | গোমধান | ঠিক্ থাক্ | ঠিক্ থাক্ |
| গোলমাল | গোলমাল | থেকেৰা | থেক্‌ৰা |
| গোলাপ | গোলাপ | দল | দল |
| ঘি | ঘি | দাগ | দাগ |
| চকি | চকি | দাম | দাম |
| চকিদাৰ | চকিদাৰ | দুখ | দুখ |
| চচ্‌মা | চচ্‌মা | দৈ | দৈ |
| চল | চল | দোৱাত | দোৱাত |
| চেগুণ | চেগুণ | নক্সা | নক্সা |
| চাকি | চাকি | নলী | নলী |
| চিচা | চিচা | নটী | নটী |
| চালাক | চালাক | নমুনা | নমুনা |
| চিলিম | চিলেম | নাপিত | নাপিত |
| চিন | চিন | নিয়ম | নিয়ম |
| চিৰা | চিৰা | পাছি | পাছি |
| চুটি | চুটি | পাট | পাট |
| চুৰি | চুৰি | পান | পান |
| চূণ | চূণ | পাপ | পাপ |
| জিৰা | জিৰা | পাগল | পাগল |
| জেপ | জেপ | পাল | পাল |
| টিয়া | টিয়া | পাঙ্কি | পাঙ্কি |
| টিন | টিন | পিতল | পিতল |
| টেঙ্গা | টেঙ্গা | পিন | পিন |
| ডবল | ডবল | পিয়লা | পিয়লা |
| ডুলি | ডুলি | পোছাক | পোছাক |
| তম্বু | তম্বু | পোৱা | পোৱা |
| তাচ | তাচ | ফুল | ফুল |
| তাৰিখ | তাৰিখ | ফেঁচা | ফেচা |
| তেল | তেল | বটল | বটল |
| তোলা | তোলা | বলি | বলি |
| থানা | থানা | বস্তু | বস্তু |

| অসমীয়া | গাৰো |
|---|---|
| বাঁজি | বাঁজি |
| বাদাম | বাদাম |
| বাদি | বাদি |
| বাৰান্দা | বাৰান্দা |
| বাৰী | বাৰী |
| বাল্টি | বাল্টি |
| বেজি | বেজি |
| বেত | বেত |
| বেহেলা | বেহেলা |
| বোমা | বোমা |
| মমবাতি | মমবাতি |
| মন্ত্ৰ | মন্ত্ৰ |
| মন্ত্ৰী | মন্ত্ৰী |
| মহাজন | মহাজন |
| মাকো | মাকু |
| মাখন | মাখন |
| মান | মান |
| মানিমুনি | মানিমুনি |
| মাল | মাল |
| মালভোগ | মালভোগ |
| মুক্তা | মুক্তা |
| মুগা | মুগা |
| মুঢ়া | মুঢ়া |
| মূলা | মূলা |

| অসমীয়া | গাৰো |
|---|---|
| মেলা | মেলা |
| মোণ | মোণ |
| যঁজা | যঁজা |
| যোৰা | যোৰা |
| লতাগুটি | লতাগুটি |
| লাও | লাও |
| লাখ | লাখ |
| লাটুম | লাটুম |
| লেচু | লেচু |
| লেপ | লেপ |
| লেম | লেম |
| লোটা | লোটা |

তলত দিয়া "শ" আৰু "স" সংযুক্ত অসমীয়া শব্দসমূহ গাৰো ভাষাত তলত দিয়া ধৰণেৰে উচ্চাৰিত হয়।

| | |
|---|---|
| শগুণ | চগিন |
| শাও | চাও |
| শাস্ত্ৰ | চাচ্ত্ৰ |
| শাস্তি | চাচ্তি |
| শনিবাৰ | চনিবাৰ |
| সময় | চোময় |
| সৰিয়হ | চিলচ্ |
| সাক্ষী | চাক্কি |
| সুখী | চুখী |
| স্বৰ্গ | চিল্গা |

---

# অসমীয়া ভাষাৰ সন্ধি

শ্ৰীপ্ৰিয়দাস তালুকদাৰ

"অসমীয়া ভাষাত সন্ধিৰ প্ৰচলন নাই" বুলি বহুতে ক'ব খোজে। যি ভাষাত সংস্কৃত শব্দৰ প্ৰচুৰ ব্যৱহাৰ আছে সেই ভাষাত সন্ধি নাই বুলি ক'ব নোৱাৰি। সংস্কৃতৰ পৰা পোনে পোনে আহি অসমীয়া ভাষাত যিবোৰ শব্দ সোমাইছে সেইবোৰ শব্দৰ লগে লগেই সংস্কৃতীয়া প্ৰকৃতি-প্ৰত্যয়, উপসৰ্গ, সন্ধি আৰু সমাস অসমীয়া ভাষালৈ আহিছে। ইহঁতক 'যা' বুলি খেদি দিব বা ব্যৱহাৰ নকৰোঁ বুলি এৰি থব নোৱাৰি। অসমীয়া ভাষাত ইহঁতৰ এখন নিগাজী ঠাই আছে। আন হাতে অসমীয়া ভাষা ভাৱগ্ৰাহী হোৱাৰ খাপে খাপে সংস্কৃতীয়া শব্দ খাজে খাজে সোমাইহে পৰিছে।

"সন্ধি সংস্কৃত ভাষাৰ এটা বিশেষ অঙ্গ কিন্তু অসমীয়া ভাষাৰ নহয়। ভাষা সুললিত বা গহীন কৰিবলৈ যেনে কেতিয়াবা অসমীয়াত সংস্কৃত শব্দ ব্যৱহাৰ কৰা হয়; সন্ধিও সেই নিমিত্তেই ব্যৱহাৰ কৰা হয়। চমু কথা অসমীয়াত সন্ধি এবিধ অলঙ্কাৰ মাথোন। এতেকে য'ত অলঙ্কাৰৰ প্ৰয়োজন, তাত হে সন্ধি ব্যৱহাৰ কৰা যুগুত। সাধাৰণতঃ সংস্কৃত শব্দকো অসমীয়াত সন্ধি ভাঙি ব্যৱহাৰ কৰিব লাগে তেহে অসমীয়া লনি আৰু ললিত হয়।" এইখিনি ৺সত্যনাথ বৰাদেৱৰ অভিমত। তেখেতৰ ভাষা সংস্কৃত গন্ধী নাছিল, নিৰহ-নিপানী অসমীয়া আছিল গুণে তেখেতে এনে অভিমত দিব পাৰিছিল। আজিকালি তেনে ভাষা লিখোঁতা নাই বুলিলে অত্যুক্তি নহব। আজি কালি অসমীয়া ভাষাত সংস্কৃত শব্দ কেতিয়াবাহে ব্যৱহাৰ কৰা নহয়; প্ৰায়ে ব্যৱহাৰ হয়। তাৰ উপৰি যেই সেই সংস্কৃত শব্দৰে সন্ধি ভাঙি লিখিব নোৱাৰি। কিছুমান শব্দৰ সন্ধি ভাঙি লিখিবলৈ গলে ভাষা লনি আৰু ললিত নহৈ কুৎচ হৈহে পৰে। নীলাচল, উৎথান, দুৰ্ঘোৰ, অত্যাচাৰ, নিশ্চয়, দেৱালয় আদি শব্দৰ সন্ধি ভাঙি লিখিলে শুনিবলৈ ভাল নহয়।

আমাৰ ভাষাত তৎসম শব্দৰ বাহিৰে আন শব্দ-বোৰৰো সন্ধি হয়। সংস্কৃত নিয়মমতে নহলেই সেই বোৰক সন্ধি নহয় বুলি কব নোৱাৰি।

সন্ধি মানে জোৰা। কাঠমিস্ত্ৰি এটাই দুডাল কাঠৰ দুটা মূৰ খাজ কাটি দুয়োডাল কাঠ এডাল যেন কৰি জোৰা লগায়। সন্ধিৰেও দুটা শব্দক এনেভাবে লগ লগাই দিয়ে যে সি এটা শব্দ যেন হৈ পৰে। সন্ধিৰ বেলিকা আদি শব্দৰ সেই বৰ্ণ আৰু শেহৰ শব্দৰ আদি বৰ্ণ দুটা যুক্ত কৰি, যি কোনো এটা লুপ্ত কৰি, গুণ বা বৃদ্ধি কৰি, বৰ্ণাগম বা বৰ্ণ বিপৰ্য্যয় ঘটাই, কৰবাত উপধা লুপ্ত অথবা গুণ বৃদ্ধি কৰি জোৰা লগোৱা হয়। সংস্কৃতত প্ৰকৃতি-প্ৰকৃতি, উপসৰ্গ আৰু প্ৰকৃতি, প্ৰকৃতি আৰু প্ৰত্যয় লগ হৈ সন্ধি হয়। অসমীয়া ভাষাত প্ৰকৃতিৰ লগত প্ৰকৃতি যুক্ত হোৱা শব্দ অলেখ। অসমীয়া ভাষাৰ সেইবোৰেই জতুৱা শব্দ কিন্তু সিহঁত কোনো কোনো মানি লগ নালাগে, বেচি ভাগেই সমাস সিদ্ধ হৈ লগ হয়। সংস্কৃতত সমাস সিদ্ধ পদ দুটা লগ লাগোতেও সন্ধি হৈ লগ লাগে, অসমীয়াত এনেই লগ লাগে। ফুটছাই, দেহলাও,

চাংঘৰ, নামঘৰ, বালিমাটি, সোঁহাত, পোণাকণ, গামোচা, আদি শব্দ এই ধৰণে লগ হোৱা শব্দ। ইহঁতক ভাঙি লিখিব নোৱাৰি। তলত অসমীয়া ভাষাৰ সন্ধিৰ নিয়ম কিছুমান দিয়া হ'ল। আমাৰ মতে সন্ধিৰ সূত্ৰ হিচাবে এইবোৰে স্থান পোৱা উচিত।

## স্বৰ সন্ধি।

(১) আদি শব্দৰ শেহ বৰ্ণ স্বৰহীন হলে পাচৰ স্বৰ সেই বৰ্ণত লগ লাগে। যেনে—

মাহ + এক = মাহেক বছৰ + এক = বছৰেক
মানুহ + এ = মানুহে ৰাম + ও = ৰামো
ঘৰ + অত = ঘৰত হাত + এদি = হাতেদি
ফুল + এৰে = ফুলেৰে বহ + ইল = বহিল
শুন + ইছিল = শুনিছিল

(২) একে স্বৰবৰ্ণ জোৰা লাগিলে এটি লোপ হয়। যেনে—

দি + ইলে = দিলে নি + ইছিল = নিছিল
পানী + ঈয়া = পানীয়া বা পনীয়া
বিহু + উৱা = বিহুৱা

(৩) সবৰ্ণ জোৰা লাগিলে হ্ৰস্ব বৰ্ণটি লোপ হয়। যেনে—

চপৰা + অনি = চপৰানি কানি + ঈয়া = কানীয়া
বালি + ঈয়া = বালীয়া বন্দী + ইয়াৰ = বন্দীয়াৰ

(৪) অকাৰান্ত এটি আখৰীয়া শব্দৰ পাচত 'অ' যোগ হলে শেহৰ 'অ'ৰ ঠাইত 'ৱ' হয়। যেনে—

থ + অ = থৱ ল + অ = লৱ হ + অ = হৱ

(৫) অকাৰান্ত বা আকাৰান্ত এটি আখৰীয়া শব্দৰ পাচত 'আ' যোগ হলে 'অ' 'আ'ৰ ঠাইত 'ও' আৰু পাচৰ 'আ'ৰ ঠাইত 'ৱা' হয়। যেনে—

থ + আ = থোৱা ল + আ = লোৱা
হ + আ = হোৱা খা + আ = খোৱা

(৬) আকাৰান্ত এটি আখৰীয়া শব্দৰ পাচত 'অ' যোগ হলে 'অ' মৰি 'ৱ' বা 'উ' হয়। যেনে—

পা + অনি = পাৱনি বা পাউনি
দা + অনী = দাৱনী বা দাউনী
খা + অৰীয়া = খাৱৰীয়া বা খাউৰীয়া

(৭) আকাৰান্ত শব্দৰ উপাধাত ঘোষ বৰ্ণ বা 'ছ' থাকিলে, পাচত 'অ' যোগ হলে আকাৰ লোপ হয়। যেনে—

তিয়া + অনী = তিয়নী
জীয়া + অনীয়া = জীয়নীয়া
খজুৱা + অতি = খজুৰতি
বিলা + অনীয়া = বিলনীয়া
পেলা + অনীয়া = পেলনীয়া
পুৱা + অতীয়া = পুৱতীয়া
মিছা + অলীয়া = মিছলীয়া
চুৱা + অনি = চুৱনি

(৮) আকাৰান্ত শব্দৰ পাচত 'ঈ', 'ও' আৰু কি যোগ হলে আকাৰৰ লোপ হয়। যেনে—

বুঢ়া + ঈ = বুঢ়ী বগা + ঈ = বগী
কলা + ঈয়া = কলীয়া ভৰা + ওৱা = ভৰোৱা
পেলা + ওৱা = পেলোৱা কথা + কি = কথকি

(৯) আদিত থকা আকাৰান্ত শব্দৰ উপাধা ঘোষবৰ্ণ হলে পাচৰ শব্দৰ আদিত ও থকা শব্দৰ পাচত ঘোষবৰ্ণ থাকিলে আদি শব্দৰ আকাৰ আৰু উপাধা উভয়ে লোপ হয়। যেনে—

তিয়া + ওৱা = তিওৱা জীয়া + ওৱা = জীওৱা
চোৱা + ওৱা = চোওৱা গোৱা + ওৱা = গোওৱা
খুৱা + ওৱা = খুওৱা

'ও'ৰ পাচত ঘোৰ বৰ্ণ নাথাকিলে নহয়। যেনে,

তিয়া + ওক = তিয়াওক খুৱা + ওক = খুৱাওক
খুৱা + ওঁতা = খুৱাওঁতা শোৱা + ওঁতা = শোৱাওঁতা

(১০) আদিত অকাৰযুক্ত বৰ্ণ থকা আকাৰান্ত শব্দৰ পাছত 'ই' বা 'ঈ' যোগ হলে আদি বৰ্ণ আকাৰান্ত হৈ অন্ত্য 'আ' লোপ হয়। যেনে—

কণা + ঈ = কাণী অঁকৰা + ঈ = আঁকৰী
জপৰা + ঈ = জাপৰী বতৰা + ই = বাতৰি
বকলা + ই = বাকলি

(১১) উপাধাত আকাৰযুক্ত ব্যঞ্জনান্ত শব্দৰ পাচত স্বৰবৰ্ণ যোগ হলে উপাধাৰ আ লোপ হয়। যেনে—

দাঁত + উৱা = দঁতুৱা পাৰ + আ = পৰা
মাৰ + ওৱা = মৰোৱা বাঢ় + আ = বঢ়া
কাণ + ঈয়া = কুণীয়া

(১২) আদিবৰ্ণ ও বা ওকাৰযুক্ত ব্যঞ্জনান্ত শব্দৰ পাচত 'আ' যোগ হলে উপাধাৰ 'আ' 'ও' হয়। যেনে

মোচৰ + আ = মোচোৰা পোটক + আ = পোটোকা
ওভত + আ = ওভোতা ওলট + আ = ওলোটা

(১৩) আদিবৰ্ণ ও বা ওকাৰযুক্ত ব্যঞ্জনান্ত শব্দৰ পাচত ই, ঈ বা উ যুক্ত হলে সেই 'ও' বা ওকাৰৰ ঠাইত 'উ' বা উকাৰ হয়। যেনে—

ওৱল + ই = উৱলি ওভট + ই = উভটি
কোঁহ + ই = কুঁহি খোচৰ + ই = খুচৰি
গোচৰ + ঈয়া = গুচৰীয়া কোঁৱৰ + ঈ = কুঁৱৰী
গোবৰ + উৱা = গুবৰুৱা সোণ + ঈয়া = সুণীয়া

(১৪) আদিত উকাৰ বা ওকাৰযুক্ত বৰ্ণ থকা আকাৰান্ত বা ব্যঞ্জনান্ত শব্দৰ পাচত 'অ' যোগ হলে আদিৰ ওকাৰ আৰু 'অ'ৰ ঠাইত উকাৰ হয়, আকাৰৰ লোপ হয়। যেনে—

কোচ + অনী = কুচুনী চোৰ + অনী = চুৰুণী
ধোবা + অনী = ধুবুনী খোবা + অনী = খুবুনী
ভুত + অনী = ভুতুনী

(১৫) অকাৰান্ত এটি আখৰীয়া ধাতুৰ পাচত 'ই' বা ইছিল যোগ হলে 'অ' আৰু 'ই' মিলি ঐ হয়। যেনে—

ল + ই = লৈ থ + ই = থৈ
হ + ই = হৈ ব + ইছিল = বৈছিল
ৰ + ই = ৰৈ ল + ইছিল = লৈছিল

কিন্তু ইলে, ইম, ইব আদি যুক্ত হলে 'ই' লুপ্ত হৈ আগত থকা 'অ'ৰ উচ্চাৰণ কণ্ঠৌষ্ঠ্য হয়। যেনে—

ল + ইলে = ল'লে হ + ইম = হ'ম
থ + ইবা = থ'বা

(১৬) ইকাৰ, ঈকাৰ, ঋকাৰ আৰু ঐকাৰ অন্তত থকা শব্দৰ পাচত 'অ' যোগ হলে 'য়', 'আ' যোগ হলে 'য়া' আৰু 'এ' যোগ হলে 'য়ে' হয়। যেনে—

দি + অ = দিয় হাবি + অনি = হাবিয়নি
দি + অঁতী = দিয়ঁতী ফন্দি + অক = ফন্দিয়ক
হাবি + আল = হাবিয়াল নদী + এ = নদীয়ে
আমৈ + এক = আমৈয়েক মাতৃ + এ = মাতৃয়ে
সখী + এৰা = সখীয়েৰা পানী + এদি = পানীয়েদি

(১৭) শব্দৰ শেষত অকলে থকা 'ই' বা 'ঈ'ৰ পাচত অন্য স্বৰবৰ্ণ যুক্ত হলে 'ই' বা 'ঈ'ৰ ঠাইত 'য়' হয়। পাচৰ স্বৰ য়'ত যোগ হয়। যেনে—

তই + ও = তয়ো মই + এই = ময়েই
ককাই + এৰা = ককায়েৰা বাঈ + এ = বায়ে

(১৮) শব্দৰ অন্তত অকলে থকা 'ও'ৰ পাচত অন্য স্বৰ যোগ হলে 'ও'ৰ ঠাইত 'ৱ' হয়, পাচৰ স্বৰ 'ৱ'ত লগ লাগে। যেনে—

নাও + অৰীয়া = নাৱৰীয়া গাওঁ + এৰে = গাৱঁৰে
ভাও + অৰীয়া = ভাৱৰীয়া
কিন্তু গাওঁ + আ = গঞা

(১৯) উকাৰান্ত, ঊকাৰান্ত, ওকাৰান্ত আৰু ঔকাৰান্ত শব্দৰ পাচত 'অ', 'আ' বা 'এ' যোগ হলে 'অ', 'আ' আৰু 'এ'ৰ আগত এটি 'ৱ' আগম হয়। যেনে—

কচু + অনি = কচুৱনি মৌ + আ = মৌৱা

বৌ + এৰা = বৌৱেৰা বো + অতী = বোৱতী

চকু + এদি = চকুৱেদি মৌ + এদি = মৌৱেদি

হৌ-হৌ + অনি = হৌহৌৱনি

বৌ-বৌ + অনি = বৌবৌৱনি

(২০) অকাৰান্ত আৰু আকাৰান্ত শব্দৰ পাচত 'এ' যোগ হলে 'এ'ৰ ঠাইত 'ই' হয়। যেনে—

গাধ + এ = গাধই লৰা + এ = লৰাই

ঘোঁৰা + এদি = ঘোঁৰাইদি

(২১) স্বৰান্ত শব্দৰ পাচত 'এৰে' যোগ হলে 'এৰে' ৰ 'এ' লোপ হয়। যেনে—

গাধ + এৰে = গাধৰে লৰা + এৰে = লৰাৰে

ককাই + এৰে = ককাইৰে মাখি + এৰে = মাখিৰে

গাধৈ + এৰে = গাধৈৰে মৌ + এৰে = মৌৰে

যত্ন + এৰে = যত্নৰে

(২২) 'ং'ৰ পাচত কোনো স্বৰবৰ্ণ যুক্ত হলে 'ং'ৰ ঠাইত 'ঙ' হয়। যেনে—

খং + এৰে = খঙেৰে খং + অত = খঙত

চাং + অলৈ = চাঙলৈ ৰং + ইয়াল = ৰঙিয়াল

ৰংচং + ঈয়া = ৰংচঙীয়া

## স্বৰ ব্যঞ্জন সন্ধি

অসমীয়া ভাষাত স্বৰসন্ধিয়ে বেচি। যি কেইটা ব্যঞ্জন সন্ধি আছে সিহঁত প্ৰায়বোৰেই সমাসসিদ্ধ হৈ হোৱা। সমাসসিদ্ধ হৈ হোৱা সন্ধিবোৰৰ ভিতৰত কিছুমান স্বৰসন্ধিও আছে সেইবাবে এইবোৰক স্বৰব্যঞ্জন সন্ধি বোলা হৈছে। তলত তাৰে কেইটিমান সূত্ৰ দিয়া হ'ল বাকী কিছুমান সমাস সিদ্ধ পদ এনেই লগ লাগে; এনে সন্ধিৰ সংখ্যাই অসমীয়াত সৰহ।

(১) আন শব্দৰ আগত বহিলে এক, দুই, তিনি, ছয়, সাত শব্দৰ শেষবৰ্ণ লোপ হয়। যেনে

এক + মোণ = এমোণ দুই + হাত = দুহাত

তিনি + টকা = তিন টকা ছয় + মাহ = ছমাহ

সাত + দিন = সাদিন

(২) কেতিয়াবা দুই শব্দ দো হয়। যেনে—

দুই + ৰথ = দোৰথ দুই + মাহী = দোমাহী

দুই + ভাগ = দোভাগ দুই + জোখ = দোজোখ

(৩) আধা শব্দ আনশব্দৰ আগত যোগ হলে আদ হয়। যেনে

আধা + মোণ = আদমোণ

আধা + তোলা = আদতোলা

আধা + বয়স = আদবয়স

(৪) অন্য শব্দৰ পাচত যোগ হলে এখন, এজন, এচলা, এখিলা, এদিন আদি শব্দৰ 'এ' লোপ হয়। যেনে—

মানুহ + এজন = মানুহজন

ঘৰ + এখন = ঘৰখন

পাত + এখিলা = পাতখিলা

কাঠ + এচলা = কাঠচলা

সেই + এদিনা = সেইদিনা বা সিদিনা

(৫) আদিত ব্যঞ্জন থকা শব্দৰ আগত যোগ হলে 'ন' 'অ' বা অনা হয়। যেনে—

ন + দোষ = অদোষ বা অনাদোষ

ন + থিতি = অথিতি বা অনাথিতি

ন + হক = অহক বা অনাহক

ন + বতৰ = অবতৰ ন + লৰ = অলৰ

ন + নীতি = অনীতি ন + মিল = অমিল

ন + তিথি = অতিথি

(৬) আদিত স্বৰবৰ্ণযুক্ত শব্দৰ আগত ন যোগ হলে 'অন' হয়। আদিৰ স্বৰ নত যোগ হয়। যেনে—

ন + আদৰ = অনাদৰ ন + উদাৰ = অনুদাৰ

ন + এক = অনেক ন + উৰণ = অনুৰণ

(৭) আদিত স্বৰবৰ্ণযুক্ত ক্ৰিয়াপদৰ আগত ন যোগ হলে সেই স্বৰবৰ্ণ নৰ লগতে যুক্ত হয়। যেনে—

ন + আহে = নাহে ন + উঠে = নুঠে

ন + এৰে = নেৰে ন + ওলায় = নোলায়।

(৮) আদিত ব্যঞ্জনবৰ্ণযুক্ত ক্ৰিয়াপদৰ আগত 'ন' যোগ হলে আদি ব্যঞ্জনত যি স্বৰ থাকে নতো সেই স্বৰ যোগ হয়। দীৰ্ঘস্বৰ থাকিলে হ্ৰস্ব স্বৰ যোগ হয়। যেনে—

ন + হয় = নহয় ন + থাকে = নাথাকে

ন + দিয়ে = নিদিয়ে ন + পূৰিল = নুপূৰিল

(৯) আদিত 'ঐ'কাৰ বা 'ঔ'কাৰ যুক্ত ব্যঞ্জনবৰ্ণ থকা ক্ৰিয়াপদৰ আগত ন যোগ হলে নত ঐকাৰ বা ঔকাৰ যোগ হয়। যেনে—ন + কৈছে = নকৈছে।

---



# পুথি পৰিচয়

**সাহিত্য-আলোচনা:** লেখক অধ্যক্ষ শ্ৰীযুত ত্ৰৈলোক্য গোস্বামী, এম-এ, বি-এল; প্ৰকাশক শৰ্মা ব্ৰাদাৰ্চ এণ্ড কোং, নলবাৰী। প্ৰথম সম্পূৰ্ণ সংস্কৰণ ৩০।১০।৬১ চন; বেচ ১০৲; পৃষ্ঠা ১-২৬৭।

১৯৫০ চনত প্ৰথম প্ৰকাশিত সাহিত্য-আলোচনা পুথিখনৰ প্ৰথম ভাগৰণত আৰু তিনিটা অধ্যায় সংযোগ কৰি বৰ্ত্তমান সম্পূৰ্ণ সংস্কৰণ প্ৰকাশ কৰা হৈছে। সাহিত্যৰ স্বৰূপ প্ৰথম অধ্যায়ৰ দুটা খণ্ডত আলোচনা কৰা হৈছে। প্ৰথম খণ্ডৰ আলোচনাৰ বিষয় হৈছে শব্দ আৰু অৰ্থ, অৰ্থ-প্ৰকৰণ, বক্ৰোক্তি, ভাব, ৰস, ৰস-নিষ্পত্তিৰ সিদ্ধান্ত, অলঙ্কাৰ ৰীতি আৰু ধ্বনিবাদ, ৰীতিবাদ, ৰীতি আৰু ষ্টাইল, ইত্যাদি; আৰু এই প্ৰসঙ্গত 'সংস্কৃত আৰু ইংৰাজ আলোচকসকলৰ' মতবাদো দাঙি ধৰা হৈছে। দ্বিতীয় খণ্ডৰ আলোচ্য বিষয় হৈছে সাহিত্যৰ বিষয় বস্তু, সাহিত্যত ব্যক্তিত্বৰ পৰশ, স্বয়ং-প্ৰকাশ জ্ঞান, উক্তি-বৈচিত্ৰ্য, লৌকিক আৰু কলাকাৰৰ ব্যক্তিত্ব, দেশ, কাল আৰু পাত্ৰৰ বিচাৰ, পূৰ্ণতা, স্বতঃস্ফুৰণ আৰু ৰচনা-নৈপুণ্য, কলাকাৰৰ নিয়ন্ত্ৰিত মনোবেগ আৰু গুৰু-দায়িত্ব, সাহিত্য আৰু সমাজ, যুগ-প্ৰৱৰ্ত্তক সাহিত্যিক, পৰিবৰ্দ্ধনৰ মাজত সাৰ্ব্বজনীনত্ব, পৰিবৰ্ত্তিত দৃষ্টিকোণ ইত্যাদি। দ্বিতীয় অধ্যায়ত পদ্য, ছন্দ,

গদ্য আৰু পদ্যৰ পাৰ্থক্য, কবিতাৰ জনপ্ৰিয়তা, কবিতাত জীৱনৰ আলোচনা, ন ন দৃষ্টিকোণ, কলাৰ উৎপত্তি আৰু সংজ্ঞা, কবি, ধৰ্ম্ম আৰু কলাকাৰৰ আদৰ্শ, কলাত সৌন্দৰ্য্য আৰু নীতিৰ প্ৰভাৱ আদি বিষয় আলোচনা কৰা হৈছে। তৃতীয় অধ্যায়ৰ আলোচ্য বিষয় হৈছে নাটকৰ উৎপত্তি, প্ৰকৃতি আৰু প্ৰকৰণ। এই প্ৰসঙ্গত লেখকে সংস্কৃত নাটকৰ উৎপত্তি আৰু ইয়াৰ ওপৰত গ্ৰীক নাটকৰ প্ৰভাৱ, অসমীয়া নাটক আৰু অঙ্কীয়া নাট, জননাট্য, এক অঙ্কীয়া নাট আদি আলোচনা কৰিছে। 'গ্ৰীক ট্ৰেজিডি আৰু ভাৰতীয় নাট্যৰস' আৰু 'আধুনিক পাশ্চাত্য নাট্য সাহিত্য' শীৰ্ষক দুটি প্ৰবন্ধ পঢ়ি য়ুৰোপীয় নাট্য-সাহিত্যৰ বিষয়ে এটি সম্যক্ ধাৰণা কৰিব পাৰি। চতুৰ্থ অধ্যায়ত উপন্যাসৰ স্বৰূপ, চৰিত্ৰ, সংঘাত, সিদ্ধান্ত, কলা-কৌশল আদিৰ উপৰিও কেইজনমান পৃথিৱী-বিখ্যাত ঔপন্যাসিকৰ কলা-কৌশল আৰু উপন্যাসৰ বিষয়ে আলোচনা কৰা হৈছে। পঞ্চম অধ্যায়ৰ প্ৰথম ভাগত সমালোচনাৰ স্বৰূপ, ব্যৱহাৰিক দিক্, সংস্কৃত সাহিত্যত সমালোচনা, সমালোচকৰ অসুবিধা সৃষ্টিধৰ্ম্মী সমালোচনা, প্ৰাচীন লেখকৰ সমালোচনা, এবাৰক্ৰম্বি, এলিয়ট আৰু কোলেৰিজৰ সমালোচনা ৰীতি-আদি বিষয়ে আলোচনা কৰা হৈছে। 'প্ৰাচীন আৰু আধুনিক সাহিত্য' শিতানত প্ৰাচীন সাহিত্যত ( যেনে সংস্কৃত, গ্ৰীক আৰু ইংৰাজী ) অভিজাত সম্প্ৰদায়ৰ চৰিত্ৰ-চিত্ৰণ, ভাৰতীয় বৈষ্ণৱ সাহিত্য, আধুনিক সাহিত্যত বৈজ্ঞানিক প্ৰভাৱ, সাহিত্যত মধ্যবিত্ত শ্ৰেণীৰ সমস্যা, জাগতিক প্ৰবাহত আধুনিক অসমীয়া সাহিত্য আদি কথা আলোচনা কৰা হৈছে। আধুনিক সাহিত্যৰ আদৰ্শ প্ৰসঙ্গত লেখকে কৈছে, "আজিৰ যুগত সাহিত্যিকৰ প্ৰতিভাৰ মুক্ত-শক্তি নতুনৰ আবিষ্কাৰৰ আশাত বাধাহীন হৈ উৰি ফুৰিছে" ( পৃঃ ২৫৫ )। সাম্প্ৰতিক অসমীয়া কবিতা প্ৰসঙ্গত কৈছে, "জীৱনৰ উন্নতি আশাত নানান পৰীক্ষা চলাৰ দৰে সাহিত্যৰ ক্ষেত্ৰতো নানান পৰীক্ষা চলিব। এনে পৰীক্ষা নচলিলে অচিৰে সাহিত্যৰ ৰীতি জীৰ্ণ হৈ পৰিব আৰু ভাবৰ ক্ষেত্ৰতো আহিব জড়তা। সক্ৰিয় জাতিয়ে জীৱনত সদায় নতুনৰ অৱতাৰণা কৰিবলৈ চেষ্টা কৰে আৰু নিষ্ক্ৰিয়, অৱসাদপূৰ্ণ জাতিয়ে আনক নকল কৰি নিজৰ মৌলিকতা নষ্ট কৰে" ( পৃঃ ২৫৭ )। 'আধুনিক সাহিত্যত বৈপ্লৱিক দৃষ্টিভঙ্গী' শিতানত বৈষ্ণৱ সাহিত্য, ৰোমাণ্টিক যুগৰ সাহিত্য আৰু যুদ্ধোত্তৰ কালৰ সাহিত্যৰ আদৰ্শৰ বিষয়ে আলোচনা কৰি শেহত কৈছে, "সাহিত্যত সাময়িক উন্মাদনা, উন্মাদনা হিচাবেই চিত্ৰিত হোৱা উচিত। তাক প্ৰকৃত জীৱনৰ প্ৰতীক হিচাবে ব্যৱহাৰ কৰিব খুজিলে লেখকৰ হাতৰ মুঠিৰ পৰা জীৱন সুলকি পৰে" ( পৃঃ ২৬৭ )।

মুঠৰ ওপৰত সাহিত্য-আলোচনা গ্ৰন্থত সুসাহিত্যিক গোস্বামীদেৱে বিভিন্ন আলঙ্কাৰিক আৰু সমালোচকৰ উদ্ধৃতিৰে সাহিত্যৰ স্বৰূপ আৰু তাৰ বিভিন্ন দিক্ আলোচনা কৰি সাহিত্য-সূত্ৰ আৰু বিভিন্ন সাহিত্যত তাৰ প্ৰয়োগৰ প্ৰতি লক্ষ্য ৰাখি পুথিখন যুগুত কৰিছে। এই পুথিখন অসমীয়া সাহিত্যলৈ এক উল্লেখযোগ্য বৰঙণি। পুথিখন সাহিত্যপাঠকৰ পক্ষে অপৰিহাৰ্য্য।

**বাৰভূঞাৰ চমু বুৰঞ্জী :** লেখক শ্ৰীযুত নকুল চন্দ্ৰ ভূঞা আৰু প্ৰকাশক শ্ৰীযুত শৰৎ চন্দ্ৰ ভূঞা, গোলাঘাট। প্ৰথম তাঙৰণ, ১৯৬১ চন ; বেচ ৩'২৫ন. প.

—পৃষ্ঠা ৭১+৪০+২২।

পৌৰাণিক আৰু বুৰঞ্জীমূলক তথ্যপাতিৰ সহায়ত লেখকে বাৰভূঞাসকলৰ বিষয়ে আলোচনা কৰিছে। ভাৰতৰ পটভূমিত ভূঞা শব্দটোৰ ব্যাখ্যা, কামৰূপৰ বাৰভূঞা আৰু তেওঁলোকৰ ৰাজ্যসমূহ, বাৰভূঞাৰ ৰাজ্য-শাসন প্ৰণালী, আহোমৰ লগত বাৰভূঞাসকলৰ সংঘৰ্ষ, অসমীয়া সংস্কৃতি আৰু বাৰভূঞা ইত্যাদি বিষয়বোৰ লেখকে প্ৰাঞ্জলভাবে আলোচনা কৰিছে। বাৰভূঞাসকলৰ আগতে কামৰূপ ৰাজ্য, মুচলমান সাম্ৰাজ্য, কামৰূপ সাম্ৰাজ্যৰ খণ্ড খণ্ড ভাগবিলাক, আহোমৰ আগমন, চিলাৰায়ৰ আগমন, স্বৰ্গদেৱসকলৰ অৱদান, কামৰূপৰ শিক্ষা আৰু ধৰ্ম্মসমূহ আদি অধ্যায়বোৰত সুসাহিত্যক ভূঞাদেৱে বুৰঞ্জীমূলক তথ্যপাতি চালি-জাৰি অসম বুৰঞ্জীৰ গৌৰৱময় যুগৰ চিত্ৰ অঁকাৰ উপৰিও অসমৰ শিক্ষা আৰু সাংস্কৃতিক জীৱনৰ আভাস দিছে। বৰ বাৰভূঞা আৰু সৰু বাৰভূঞা প্ৰসঙ্গতো লেখকে বিভিন্ন মত আলোচনা কৰিছে। বাৰভূঞাৰ চমু বুৰঞ্জীখন পঢ়িলে 'নামটোৰ গুণতেই সমাজত ভূঞাৰ এটা আধিপত্য' থকা ভূঞাসকলৰ অধুনাবিলুপ্ত ৰাজশক্তি আৰু ক্ষমতাৰ কথা মনলৈ আহে। "শেহত, ইমানকে ক'ব পাৰি,—বিশাল অসমীয়া জাতিটোৰ সাংস্কৃতিক অৱদানত, বাৰভূঞাসকলৰ এটা বিশেষ অংশ আছে" ( পৃঃ ৬১ ) বুলি কোৱা লেখকৰ উক্তিত কোনো সন্দেহ নাই। পুথিৰ পৰিশিষ্ট দুখনেও মূল্য বঢ়াইছে। (ক) পৰিশিষ্টত উত্তৰ-পাৰৰ পৰা শিৱসাগৰ যোৰহাটলৈ অহা বাৰভূঞাৰ চাৰিটা পৰিয়ালৰ কথা লিপিবদ্ধ কৰা হৈছে আৰু সেই পৰিয়ালৰ চাৰিজন ব্যক্তিবো—কৃষ্ণৰাম ভূঞা, মোহনচন্দ্ৰ ভূঞা, যাদুৰাম বৰভাণ্ডাৰ বৰুৱা আৰু ধাতুৰাম ভূঞা—জীৱনী সন্নিবেশ কৰা হৈছে। যাদুৰাম বৰভাণ্ডাৰ বৰুৱাৰ এখন ঘৰুৱা চিঠিৰ কেইশাৰীমান ব্লক কৰিও দিছে। দ্বিতীয় পৰিশিষ্টত (খ) দিয়া এখন হাতে লেখা বুৰঞ্জী আৰু বণিয়া কাকতিৰ বংশাৱলীসাৰেও বাৰভূঞাৰ বুৰঞ্জীৰ সমল যোগাইছে। মুঠৰ ওপৰত শ্ৰীভূঞাদেৱৰ বাৰভূঞাৰ চমু বুৰঞ্জীয়ে বাৰভূঞাসকলৰ অভ্যুদয়, ৰাজ্যবিস্তাৰ আৰু বেলিমাৰৰ বুৰঞ্জীৰ সাৰ্থক চিনাকি দিয়াৰ উপৰিও অসমৰ ধৰ্ম্ম, সমাজ, সাহিত্য আৰু সংস্কৃতিৰ মূল্যৱান তথ্যপাতি দাঙি ধৰে। লেখকৰ ভাষা সহজ, সৰল আৰু প্ৰাঞ্জল। পুথিখনত ছখন ছবিও আছে। শুধৰণী পত্ৰত দিয়াৰ উপৰিও ঠায়ে ঠায়ে বৰ্ণাশুদ্ধি দেখা যায়। আমি লেখকৰ উদ্যমৰ শলাগ লৈছোঁ।

**চন্দ্ৰহাৰ :**—লেখক শ্ৰীযুত মিত্ৰদেৱ মহন্ত ; প্ৰকাশক বৰুকটকী কোম্পানী, যোৰহাট ; দ্বিতীয় তাঙৰণ, ১৯৬২ চন ; বেচ দুটকা ; পৃষ্ঠা ১০৫।

সুসাহিত্যিক শ্ৰীযুত মিত্ৰদেৱ মহন্তদেৱৰ চন্দ্ৰহাৰ নামৰ গল্পৰ পুথিখন পোনতে ১৯২৪ চনত প্ৰকাশিত হৈছিল আৰু অসমীয়া গল্প-সাহিত্যৰ কাল-ক্ৰমনিস্বৰূপে লক্ষ্মীনাথ বেজবৰুৱা, শৰৎচন্দ্ৰ গোস্বামী, শ্ৰীযুত লক্ষ্মীনাথ ফুকন আৰু শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাৰ পিচতে শ্ৰীমহন্তদেৱৰ চন্দ্ৰহাৰৰ এক বিশিষ্ট বৰঙণি আছে।

প্ৰথম তাঙৰণৰ পাঁচোটা গল্পৰ লগতে এই তাঙৰণত আৰু চাৰিটা গল্প সংযোগ কৰা হৈছে। 'ফুলৰ কুঁকি' গল্পত নিত্যানন্দ আচাৰ্য্যই এৰাব নোৱাৰি জীয়েক বিমলীক মোহন ঠাকুৰৰ পুতেক গোপালৰ লগত বিয়া দিব লগা হয়। 'হঁহা-কন্দা' গল্পত উচ্চ শিক্ষা লাভ কৰা ৰসনাথ বৰুৱাই বিবাহিতা পত্নী সাৱিত্ৰীক উপেক্ষা কৰি মালিতাৰ প্ৰতি অনুৰাগ দেখুৱায় ; আৰু শেহৰ ফালে এটি কৌতূহলৰ ভাব উদয় হয়। 'মহামায়াৰ পূজা' গল্পটোত চাকৰি বিচাৰি যোৱা ডেকাৰ বুদ্ধিৰ ১

চিনাকি পোৱা যায়। 'অঙ্গ-পূৰণ' গল্পটোত চপ-বাৰী সত্ৰৰ অধিকাৰৰ পুত্ৰ গুণকান্তৰ পত্নীৰ প্ৰতি বিৰূপ মনোভাৱ দেখা যায় আৰু পাচত সেই মনোভাৱ দূৰ হয়। 'উদাসীন' গল্পত নিজ ধৰ্ম্মৰ পৰা স্খলন হোৱা আৰু পাচত অনুতাপ কৰা উদাসীন ভকত ভোলোকৰ চৰিত্ৰ অঙ্কণ কৰা হৈছে। ভাৱনাৰ প্ৰতি অনুৰাগ থকা গেৰজায়ে পত্নীক পদাঘাত কৰি পাচত অনুশোচনা কৰা গেৰজাইৰ চৰিত্ৰ 'ভীমৰ ভাও' গল্পত অঙ্কণ কৰা হৈছে। সত্ৰৰ ডেকা অধিকাৰে বৰমেধিক কথাত আসোঁৱাহ ধৰি 'ধৰ্ম্মত কুঠাৰ' মৰা বুলি কয়। হেলচী আইতাৰ নাতিয়েকৰ বিয়াত উলহ মালহ আৰু বিয়া পৰাত নিবানন্দৰ চিত্ৰাঙ্কণ উভয়েই আকৰ্ষণীয়। 'বিহু-চোলা' গল্পটিত বিধৱা সোণপাহিৰ দৰিদ্ৰতা আৰু পুতেক মাথনৰ উপলব্ধিৰ ভিতৰত এটা কৰুণ আবেদন আছে।

গল্পবোৰৰ বিষয়ে লেখকে কৈছে, "চন্দ্ৰহাৰ প্ৰকাশ কৰা হৈছিল আজিৰ পৰা তিয়াল্লিশ বছৰৰ পূৰ্ব্বতে"। সেইদিনৰ 'ধৰণ-কৰণ' সলনি হোৱাৰ লগে লগে বৰ্ত্তমান গল্পৰ আঙ্গিকৰো যথেষ্ট পৰিবৰ্ত্তন হৈছে। তথাপি গ্ৰাম্য-জীৱনৰ পটভূমিত ৰচিত এই গল্পসমূহৰ ঐতিহাসিক মূল্য আছে। লেখকৰ সহজ, সৰল আৰু প্ৰাঞ্জল গদ্যক হাস্যৰসে উজ্জ্বল কৰি তুলিছে। জতুৱা ঠাচ, ফকৰা আৰু যোজোনাৰ ব্যৱহাৰে ৰচনা-ৰীতি মনোৰম আৰু আকৰ্ষণীয় কৰিছে। কোনো কোনো চৰিত্ৰত বাগাড়ম্বৰ পৰিলক্ষিত হয়।

**গল্পৰ শৰাই** :—লেখক শ্ৰীযুত নকুল চন্দ্ৰ ভূঞা ; প্ৰকাশক গ্ৰন্থকাৰ, জেইলৰোড, যোৰহাট ; প্ৰথম তাঙৰণ, ১৯৬২ চন ; বেচ ২·৫০ ন. প. ; পৃষ্ঠা ১৬৪

অসমীয়া গল্প-সাহিত্যৰ আগভাগত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু শৰৎচন্দ্ৰ গোস্বামীৰ পিচতে শ্ৰীযুত লক্ষ্মীনাথ ফুকন আৰু শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাৰ নাম আমাৰ মনলৈ আহে। শ্ৰীযুত ফুকনদেৱৰ মালা আৰু শ্ৰীযুত ভূঞাদেৱৰ চোৰাংচোৱাৰ চ'ৰা (১৯১৮ চন) প্ৰায় একে সময়তে প্ৰকাশ হয়। তেতিয়াৰে পৰা ছকুৰি বছৰৰো অধিককাল নানা অৱস্থাৰ মাজেদি অসমীয়া গল্প সাহিত্যই পৰিপুষ্টি লাভ কৰিছে।

শ্ৰীযুত ভূঞাদেৱৰ গল্পৰ শৰাই একুৰি এটা চুটি গল্পৰ সমষ্টি। চেতনা, বাঁহী, অৰ্ঘা, আৱাহন, জয়ন্তী, ৰামধেনু আৰু সমাজ আলোচনীত প্ৰকাশিত আৰু বৰ্ত্তমান সঙ্কলনৰ অন্তৰ্ভূক্ত এই গল্পবোৰৰে সৰহ ভাগত গ্ৰাম্য জীৱনৰ চিত্ৰ পোৱা যায়। দুই এটা গল্প চাহ-বাগিচাৰ অভিজ্ঞতা প্ৰসূত। যেনে- তাৰকা থাকে নন্দন বনত, মেকফেৰি আৰু প্ৰেমৰ এপিঠি। ৰাইজৰ আশীৰ্ব্বাদ, বেলত এবেলা, মেকফেৰি, ওপৰঞ্চি লাভ আদি গল্পত সমসাময়িক বহুত সমস্যাই ঠাই পাইছে। প্ৰেমৰ এপিঠি গল্পত বনুৱা বুধুৱাৰ ত্যাগ আৰু মহত্ত্ব আৰু গাভৰুৰ বাছনিত ফুলেশ্বৰীৰ প্ৰকৃত প্ৰেমে আমাৰ মনত গভীৰ সাঁচ বহুৱায়। নৰামৰ আঠমঙলা, কি ভীষণ প্ৰতিদান, কাৰ দোষত, বিহু নে বিয়া, ওপৰঞ্চি লাভ, ৰাইজৰ আশীৰ্ব্বাদ আদি গল্পত গ্ৰাম্য জীৱনৰ সৰস চিত্ৰ পোৱা যায়। মতা-মানুহ গল্পটো পঢ়িলে বেজবৰুৱাৰ মিলাৰামৰ আত্ম-জীৱনীলৈ মনত পৰে। গ্ৰেণ্ড লেডি, গোহাঁইদেও আদি গল্পত মধ্যবিত্ত সম্প্ৰদায়ৰ জীৱন-চিত্ৰণ পোৱা যায়। দ্বিতীয় মহাসমৰৰ প্ৰভাৱ পিলিঙা ডেকা নোমলৰ ওপৰত পৰিছে। মুঠৰ ওপৰত জীৱনৰ বিভিন্ন সময়ত বিভিন্ন পৰিবেশত ৰচনা কৰা সু-সাহিত্যিক শ্ৰীযুত ভূঞাদেৱৰ গল্পসমূহ আঙ্গিকৰ ফালৰ পৰা সুকীয়া হলেও জাতীয় জীৱনৰ কাব্যময় চিত্ৰ, সহজ কথন ৰীতি আৰু অনাড়ম্বৰ ভাষাই সেই-



বোৰক বৈশিষ্ট্যপূৰ্ণ কৰিছে। গল্পৰ শৰাইত ডঃ মহেশ্বৰ নেওগৰ এখন ভূমিকা ও আছে।

## পঞ্জাবী সাহিত্য :

**আধুনিক ভাৰতী কহানীআঁ** :—মুখ্য সম্পাদক শ্ৰীকুলদীপ সিং, প্ৰকাশক পঞ্জাবী সাহিত্য সভা, নতুন দিল্লী, ১৯৬১ চন, পৃষ্ঠা ২০২, বেচ ছটকা।

পঞ্জাৱী ভাষালৈ অনূদিত এই গল্প-সংগ্ৰহখনিত ইংৰাজী আৰু সংস্কৃতকে লৈ ভাৰতৰ বিভিন্ন প্ৰাদেশিক ভাষাৰ মুঠ সোতৰটা গল্প আছে। এই গল্পসমূহ হৈছে (১) অপনে দুখ মেনু দে দিউ (উৰ্দ্দু) শ্ৰীৰাজেন্দ্ৰ সিং বেদী, (২) কীমটা (উড়িয়া) শ্ৰীমতী ত্ৰিৱেণী দেৱী, (৩) ইচপাৰ-উচপাৰ (অসমীয়া) শ্ৰীযোগেশ দাস, (৪) অধ্যাপক (সংস্কৃত) শ্ৰীপুৰুষোত্তম দুবল ; (৫) নিৰাশা (সিন্ধী) শ্ৰীআনন্দ গুলানী, (৬) চাৰ আনে (হিন্দী) শ্ৰীযশ পাল, (৭) উইটি দা পজামা (কাশ্মীৰী) শ্ৰীঅখতৰ মুাহয়ুদ্দিন, (৮) ফৈসলা (কন্নদ) শ্ৰীমসতী বেনকটেসা আয়েঙ্গাৰ, (৯) এক্‌খাত (গুজৰাটী) শ্ৰীগৌৰীশঙ্কৰ যোচী, (১০) জুআৰমা (তামিল) শ্ৰীমঞ্জৰী এচ্‌ ঈশ্বৰম্‌, (১১) বসসে বসসে ই লে (তেলেগু) শ্ৰীটি গণপতি শাস্ত্ৰী, (১২) নীলকণ্ঠ (পঞ্জাৱী) শ্ৰীগুৰুমুখ সিং জিথ ; (১৩) কামিজ (পঞ্জাৱী) শ্ৰীমহিন্দ্ৰৰ সিং সৰলা, (১৪) অযান্ত্ৰিক (বঙলা) শ্ৰীসুবোধ ঘোষ, (১৫) মন্নু (মাৰাঠী) শ্ৰীপি, ঐস, বেগী 'ৰূপকণ্ঠক', (১৬) ইসত্ৰী (মালয়ালম) শ্ৰীঐচ. কে. পুটেকাঠ আৰু (১৭) নায়া য়ুনিঅন (ইংৰাজী) শ্ৰীমুলকৰাজ আনন্দ। শ্ৰীমুলকৰাজ আনন্দৰ গল্পত দুখীয়া আৰু চহকী যে সমান তাকে দেখুৱা হৈছে। কামিজ গল্পত মধ্যবিত্ত সম্প্ৰদায়ৰ প্ৰতীক বাবু লোকনাথৰ অভাৱ-অনাটন, অধ্যাপক গল্পত সঙ্গীতজ্ঞ অধ্যাপকৰ মন বুজিব নোৱৰা অৰুণাৰ জীৱন, এক্‌খাত গল্পত আলিৰ চিঠিৰ প্ৰতি মোহ, অযান্ত্ৰিক গল্পত বিমলৰ পুৰণি গাড়ীখনৰ প্ৰতি মোহ ইত্যাদিত একোটা কৰুণ আবেদন আছে। শেহৰ-ফালে সঙ্কলনৰ গল্প-লেখকসকলৰ (কহানীকাৰাঁ বাবে) চমু চিনাকি দিয়া হৈছে। এনে সংগ্ৰহৰ দ্বাৰা পঞ্জাৱী ভাষা-ভাষীলোক যে উপকৃত হ'ব অকল সেয়েই নহয়, লগে লগে ই প্ৰাদেশিক ভাষাসমূহৰ ভিতৰত আবেগিক ঐক্য স্থাপন কৰিব। ছপা-বন্ধা আদি মনোৰম। আমি পঞ্জাৱী সাহিত্য সভাৰ শলাগ লৈছোঁ।

## তামিল সাহিত্য :

**জয়মতীঃ**—জয়মতী শ্ৰীচি. এম. ৰামচন্দ্ৰ চেত্তিআৰ প্ৰণীত। বেচ তিনি টকা ; ১৯৫৮ চন

'জয়মতী আৰু অসমীয়া ৰবলক্ৰ কৰিঠাই' নামৰ কাব্যখনি জয়মতীৰ কাহিনী অৱলম্বন কৰি শ্ৰীৰামচন্দ্ৰ চেত্তিআৰে তামিল ভাষাত লিখিছে। এই কাব্যত দহোটা সৰ্গ আছে আৰু ৯৪ পিঠিত ই সম্পূৰ্ণ। লেখকে অতি সহজ সৰল ভাষাত অসম সতী জয়মতীৰ বুৰঞ্জীমূলক কাহিনী বৰ্ণনা কৰিছে। মাদ্ৰাজৰ ৰাজ্যপাল শ্ৰীবিষ্ণুৰাম মেধিৰ আগকথা সম্বলিত এই পুথিত চেত্তিয়াৰৰ এখন ইংৰাজী আৰু এখন তামিল পাতনিও আছে। তামিল ভাষাত অনভিজ্ঞ কাৰণে পুথিখনিৰ সম্যক বিচাৰ কৰিব পৰা নহল। তথাপি এনে পুথিয়ে প্ৰাদেশিক ভাষাসমূহৰ ভিতৰত সৌহাৰ্দ্দ স্থাপন কৰিব পাৰে। আমি লেখকৰ উদ্যমৰ শলাগ লৈছোঁ।

# অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ পঞ্চম অধিৱেশন

**২৮ ফেব্রুৱাৰী, ১৯৬২**

উপস্থিত : শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী—সভাপতি, শ্ৰীমহেশ্বৰ নেওগ—প্ৰধান সম্পাদক, শ্ৰীনৰেন্দ্ৰনাথ শৰ্ম্মা—ধন-ভঁৰালী, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীলীলা গগৈ, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীমেদিনীকান্ত ঠাকুৰীয়া, শ্ৰীচৈয়দ আব্দুল মালিক, শ্ৰীখনীন্দ্ৰ চন্দ্ৰ বৰুৱা, শ্ৰীবিপিনচন্দ্ৰ ৰাজবংশী, শ্ৰীমতী লক্ষহীৰা দাস। বিশেষ ভাবে নিমন্ত্ৰিত—শ্ৰীঅতুল হাজৰিকা। শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীহৰিপ্ৰসাদ নেওগ, শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী আৰু শ্ৰীভৱানন্দ ৰাজখোৱাই যোগদানৰ অপাৰগতা জনাই পত্ৰ দিয়ে। গুৱাহাটীত আসাম একাডেমি ফৰ্ কাল্‌চাৰেল এফেয়াৰ্ছৰ কাৰ্য্যালয়ত ২৮ ফেব্ৰুৱাৰী ১৯৬২ তাৰিখে আবেলি চাৰি বজাৰপৰা অধিৱেশন বহে।

১। সভাৰ আৰম্ভণিতে সঙ্গীতজ্ঞ শ্ৰীদৰ্পনাথ শৰ্ম্মাৰ মৃত্যুত শোক প্ৰকাশ কৰি আৰু শোক-সন্তপ্ত পৰিয়াললৈ সমবেদনা জনাই সভাপতি প্ৰমুখ্যে উপস্থিতসকল দুই মিনিট থিয় হৈ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰে।

২। ২৯ অক্টোবৰ ১৯৬১, ৩০ অক্টোবৰ ১৯৬১ আৰু ১ নবেম্বৰ ১৯৬১ তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ কাৰ্য্য-বিৱৰণ গ্ৰহণ কৰা হয়। বিৱৰণত এইখিনি কথা যোগ হব :

কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ২০ ছেপ্টেম্বৰ ১৯৬১ৰ ২১শ সিদ্ধান্তমতে প্ৰকাশিত Asam Sahitya Sabha Activities নামৰ পুস্তিকাৰ তিনি স্থানত সংশোধন কৰি সেই সংশোধন ছপাই উলিয়াবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হ'ল।

৩। প্ৰধান সম্পাদকে জনায় যে যোৱা ১০ ফেব্ৰুৱাৰী ১৯৬২ তাৰিখে অসম চৰকাৰৰ নিৰ্দ্দেশ অনুসৰি স্থানীয় কৰ্ত্তৃপক্ষই গুৱাহাটী নগৰৰ জিলা গ্ৰন্থাগাৰৰ দাঁতিৰ ৩১৭৬ দাগৰ মাটিৰ বৰ্ত্তমানে মুকলি হৈ থকা অংশ অসম সাহিত্য সভাক গতাই দিয়ে আৰু সভাৰ হৈ প্ৰধান সম্পাদকে মাটিডোখৰ দখল লয়। মাটিৰ বাকী অংশত দুজন লোক আৰু উত্তৰ-পূব সীমা ৰেলৱেই অধিকাৰ কৰি আছে। চৰকাৰৰ পক্ষৰপৰা এই অধিকাৰ সোনকালে গুচুৱা হব বুলি জনা গৈছে।

অসম চৰকাৰক তেওঁলোকৰ এই ভূমিদানৰ বাবে ধন্যবাদ জনাই উত্তৰ-পূব সীমা ৰেলৱে কৰ্ত্তৃপক্ষৰ লগত আলোচনা কৰি অতি সোনকালে ৰেলৱেৰ অধিকাৰ অপসাৰণ কৰিবৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে অনুৰোধ কৰে।

অসম চৰকাৰৰ স্থানীয় কৰ্ত্তৃপক্ষ-ৰূপে কামৰূপ জিলাৰ উপায়ুক্তক সাহিত্য সভাক চৰকাৰে দান দিয়া মাটিৰপৰা অনধিকাৰ দখল কৰি থকা লোক দুজনক অতি সোনকালে আঁতৰাবৰ ব্যৱস্থা কৰিবলৈ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে অনুৰোধ কৰে।

উত্তৰ-পূব সীমা ৰেলৱে কৰ্ত্তৃপক্ষক অসম চৰকাৰে



সাহিত্য সভাক দিয়া মাটিৰপৰা দখল এৰি দিবলৈ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে বিশেষ অনুৰোধ কৰে। ইয়াৰ উপৰি ৰেলৱে কৰ্ত্তৃপক্ষই নিৰ্ম্মাণ কৰা ঘৰটি সভাৰ প্ৰাথমিক ব্যৱহাৰৰ কাৰণে নভঙাকৈ সভাক দিবলৈও ৰেলৱে কৰ্ত্তৃপক্ষক বিশেষ অনুৰোধ জনায়।

উক্ত মাটি দখল লোৱা আদি কাৰ্য্যৰ বাবে কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে ১,০০০ এহেজাৰ টকা মঞ্জুৰ কৰে।

৪। গুৱাহাটীত অসম চৰকাৰে সাহিত্য সভাক দিয়া মাটিত সভাৰ ভৱন নিৰ্ম্মাণ কৰাৰ বিষয়ে আলোচনা কৰা হয়।

গুৱাহাটীত অসম চৰকাৰৰপৰা পোৱা মাটিত সভাৰ কাৰ্য্যালয় গ্ৰন্থাগাৰ, সভা-সমিতি বহা ঠাই আৰু আলহীঘৰ আদিৰে এটি গৃহ-নিৰ্ম্মাণৰ আঁচনিৰ বাবে শ্ৰীপাৰ্বতিপ্ৰসাদ বৰুৱা ডাঙৰীয়াই ( সোণালী পাম, সোণাৰি ) আগ বঢ়োৱা ৫০,০০০'০০ পঞ্চাশ হেজাৰ টকাৰ দান আৰু তলত দিয়া সৰ্ত্তসমূহৰ বিষয়ে আলোচনা কৰা হয় :

১ উক্ত দানৰ প্ৰধান উদ্দেশ্য অসমৰ মুখপাত-স্বৰূপ গুৱাহাটী নগৰত অসমৰ মুখ্য সাংস্কৃতিক অনুষ্ঠান অসম সাহিত্য সভাৰ এটি স্থায়ী আবাস নিৰ্ম্মাণ আৰু দাতাৰ সাহিত্যানুৰাগী ককাইদেৱেক স্বৰ্গীয় ভগৱতী-প্ৰসাদ বৰুৱাৰ স্মৃতি-সংৰক্ষণ।

২. উক্ত দানেৰে নিৰ্ম্মিত ঘৰটিৰ নাম 'ভগৱতী প্ৰসাদ বৰুৱা ভৱন' হব।

৩. উক্ত 'ভগৱতীপ্ৰসাদ বৰুৱা ভৱন'ৰ নিৰ্ম্মাণ আৰু ৰক্ষণাবেক্ষণৰ অৰ্থে তলত দিয়া ধৰণে এখনি ন্যাস সমিতি গঠিত হব :

(ক) দাতা বা তেওঁৰ দ্বাৰা নিৰ্ব্বাচিত লোক— এজন ;

(খ) দাতাৰ বা তেওঁৰ উত্তৰাধিকাৰীৰ নিৰ্ব্বাচিত লোক— এজন ;

(গ) (ঘ অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ দ্বাৰা নিৰ্ব্বাচিত গুৱাহাটীত থকা অসম সাহিত্য সভাৰ সভ্য— দুজন ;

(ঙ) ন্যাস সমিতিৰ সম্পাদক— এজন ;

ন্যাস সমিতিৰ প্ৰথম কাৰ্য্যকাল ( পাঁচ-বছৰীয়া ) ছোৱা অসম সাহিত্য সভাৰ বৰ্ত্তমান প্ৰধান সম্পাদক ( কিন্তু পদেন নহয় ) শ্ৰীমহেশ্বৰ নেওগ ন্যাস সমিতিৰ সম্পাদক থাকিব।

ন্যাস সমিতিৰ প্ৰথম পাঁচ-বছৰীয়া কাৰ্য্যকাল অন্ত পৰিলে ওপৰৰ (ক)(খ)(গ)(ঘ) পৰ্য্যায়ৰ সভ্যসকল নিৰ্ব্বাচিত হৈ ন্যাস সমিতিৰ সম্পাদক মনোনয়ন কৰিব।

ন্যাস সমিতিৰ সভ্যসকলৰ মাজৰপৰা এজনক ন্যাস সমিতিয়ে ধনভঁৰালী ৰূপে নিৰ্ব্বাচন কৰিব।

৪. ন্যাস সমিতিৰ কাৰ্য্যকাল পাঁচ-বছৰীয়া হব।

৫. ন্যাস সমিতিৰ হাতত ন্যস্ত সকলো অৰ্থ অসম কো-অপাৰেটিভ এপেক্স বেঙ্কৰ গুৱাহাটী শাখাত ন্যাস সমিতিৰ নামত চলিত হিচাপ-ৰূপে জমা থাকিব। সমিতিৰ জমা-খৰচৰ স্বকীয়া হিচাপ থাকিব।

ন্যাস সমিতিৰ সম্পাদক আৰু ধনভঁৰালীৰ যুটীয়া চহীৰে বেঙ্কৰ উক্ত হিচাপ পৰিচালিত হব। অসম অসম সাহিত্য সভাৰ হিচাপ পৰীক্ষকেই ন্যাস সমিতিৰো হিচাপ পৰীক্ষক হব।

৬. অসম সাহিত্য সভাই নিজৰ পুঁজিৰপৰা বা সংগৃহীত দান কিম্বা চৰকাৰী অনুদানৰপৰা উক্ত ভৱনৰ নিৰ্ম্মাণ বা সম্প্ৰসাৰণৰ অৰ্থে ন্যাস সমিতিক ধন দিব পাৰিব।

৭. ন্যাস সমিতিয়ে দান গ্ৰহণ আৰু সম্পত্তি অৰ্জ্জন কৰিব পাৰিব।

৮. উক্ত ভৱনটিৰ বাহিৰৰ ৰূপ দাতাৰ অনুমোদন লৈ ন্যাস সমিতিয়ে নিৰূপণ কৰিব।

কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে শ্ৰীবৰুৱা ডাঙৰীয়াক

সৰ্ব্বান্তঃকৰণে ধন্যবাদ জনায় আৰু তেখেতে আগ বঢ়োৱা দান গ্ৰহণ কৰি শ্ৰীবৰুৱাক এই কথা পুনৰ্বিবেচনা কৰিবলৈ অনুৰোধ জনায়ঃ (১) ন্যাস সমিতিৰ পৰিৱৰ্ত্তে তেখেতে উল্লেখ কৰা সৰ্ত্তমতে এখন গৃহ-নিৰ্ম্মাণ সমিতি হব; গৃহ-নিৰ্ম্মাণ সমিতিয়ে নিৰ্ম্মাণকাৰ্য্য সমাপ্ত কৰি অসম সাহিত্য সভাক ভৱনটি গতাই দিব আৰু অসম সাহিত্য সভাই ৰক্ষণাৱেক্ষণ আৰু সম্প্ৰসাৰণৰ যাবতীয় কাৰ্য্যৰ দায়িত্ব গ্ৰহণ কৰিব। (২) যদিহে শ্ৰীবৰুৱা ডাঙৰীয়াই এই ভৱনৰ ৰক্ষণাৱেক্ষণৰ অৰ্থে এটি অক্ষয় পুঁজিৰ ব্যৱস্থা কৰে, তেতিয়া হলে গৃহ-নিৰ্ম্মাণ সমিতি ন্যাস সমিতৰূপে স্থায়ীভাৱে থাকিব।

সমিতিলৈ অসম সাহিত্য সভাৰ সদস্য ৰূপে শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীক মনোনয়ন কৰা হ'ল।

৫। গুৱাহাটীত অসম চৰকাৰৰপৰা পোৱা মাটিত সভাৰ এটি গৱেষণা গ্ৰন্থাগাৰ নিৰ্ম্মাণ কৰিবৰ অৰ্থে শ্ৰীৰঘুনাথ চৌধাৰী কবিৰত্নদেৱে ( উজান বজাৰ, গুৱাহাটী ) সন্তহতে আগ বঢ়োৱা ২০,০০০'০০ বিশ হেজাৰ টকাৰ দান আৰু তলত দিয়া সৰ্ত্তসমূহৰ বিষয়ে আলোচনা কৰা হয়ঃ

১. উদ্দেশ্য—অসমৰ কলা সাহিত্য সংস্কৃতিৰ বহুল অধ্যয়ন আৰু গৱেষণাৰ কাৰণে এটি কেন্দ্ৰ স্থাপন।

২. নাম—এই গৃহৰ নাম হব 'ৰঘুনাথ চৌধাৰী গৱেষণা গ্ৰন্থাগাৰ'।

৩. ন্যাস সমিতি—উক্ত গৃহ-নিৰ্ম্মাণ আৰু ৰক্ষণাৱেক্ষণৰ যাৱতীয় কাৰ্য্য-নিৰ্ব্বাহৰ অৰ্থে তলত দিয়া ধৰণে অসম সাহিত্য সভাই এখনি ন্যাস সমিতি গঠন কৰিব ঃ

(ক) দাতা বা তেওঁৰ উত্তৰাধিকাৰী —এজন,

(খ) দাতাৰ বা তেওঁৰ অবিহনে তেওঁৰ উত্তৰাধিকাৰীৰ নিৰ্ব্বাচিত লোক —এজন;

(গ) (ঘ) অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ দ্বাৰা নিৰ্ব্বাচিত গুৱাহাটীত থকা অসম সাহিত্য সভাৰ সভ্য —দুজন;

(ঙ) ন্যাস সমিতিৰ সম্পাদক —এজন;

প্ৰকাশ থাকে যে প্ৰথম পাঁচ বছৰৰ কাৰণে শ্ৰীমহেশ্বৰ নেওগ ( বৰ্ত্তমান অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক, কিন্তু পদেন নহয় ) ন্যাস সমিতিৰ সম্পাদক থাকিব। পিছলৈ কেইজন সদস্যই ন্যাস সমিতিৰ সম্পাদক নিৰ্ব্বাচন কৰিব।

৪. ন্যাস সমিতিয়ে সদস্যসকলৰ মাজৰপৰা এজন ধনভঁৰালী নিৰ্ব্বাচিত কৰিব।

৫. উক্ত ন্যাস সমিতিৰ কাৰ্য্যকাল পাঁচ-বছৰীয়া হব।

৬. উক্ত গৃহ-নিৰ্ম্মাণৰ আৰু ৰক্ষণাৱেক্ষণৰ সকলো খৰচ পাতিৰ সুকীয়া হিছাপ থাকিব।

৭. ন্যাস সমিতিৰ হাতত ন্যস্ত সকলো অৰ্থ অসম কো-অপাৰেটিভ এপেক্স বেঙ্কৰ গুৱাহাটী শাখাত ন্যাস সমিতিৰ নামত জমা থাকিব। ন্যাস সমিতিৰ সম্পাদক আৰু ধনভঁৰালীৰ যুটীয়া চহীৰে বেঙ্কৰ হিছাপ পৰিচালিত হব। অসম সাহিত্য সভাৰ হিছাপ পৰীক্ষকেই ন্যাস সমিতিৰো হিছাপ পৰীক্ষক হব।

৮. উক্ত দানৰ উপৰিও অসম সাহিত্য সভাই সংগ্ৰহ কৰা দান-অনুদান আদি উক্ত গৃহ-নিৰ্ম্মাণ আদি কাৰ্য্যত ব্যয় হব পাৰিব।

৯. ন্যাস সমিতিৰ দান-গ্ৰহণ আৰু সম্পত্তি অৰ্জ্জনৰ ক্ষমতা থাকিব।

কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে শ্ৰীৰঘুনাথ চৌধাৰী ডাঙৰীয়াক সৰ্ব্বান্তঃকৰণে ধন্যবাদ জনায় আৰু তেখেতে আগ বঢ়োৱা দানটি গ্ৰহণ কৰি শ্ৰীচৌধাৰীদেৱক এই কথা পুনৰ্বিবেচনা কৰিবলৈ অনুৰোধ জনায়ঃ (১) ন্যাস সমিতিৰ পৰিৱৰ্ত্তে তেখেতে উল্লেখ কৰা সৰ্ত্তমতে এখন গৃহ-নিৰ্ম্মাণ সমিতি গঠিত হব। গৃহ নিৰ্ম্মাণ সমিতিয়ে



নিৰ্ম্মাণ-কাৰ্য্য সমাপ্ত কৰি অসম সাহিত্য সভাক ভৱনটি গতাই দিব আৰু অসম সাহিত্য সভাই ৰক্ষণাৱেক্ষণৰ আৰু সম্প্ৰসাৰণৰ যাৱতীয় কাৰ্য্যৰ দায়িত্ব গ্ৰহণ কৰিব। (২) যদিহে শ্ৰীচৌধাৰী ডাঙৰীয়াই এই ভৱনৰ ৰক্ষণাৱেক্ষণৰ অৰ্থে এটি অক্ষয় পুঁজিৰ ব্যৱস্থা কৰে তেতিয়াহলে গৃহ-নিৰ্ম্মাণ সমিতি ন্যাস সমিতিৰূপে স্থায়ীভাৱে থাকিব।

সমিতিলৈ অসম সাহিত্য সভাৰ সদস্যৰূপে শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু শ্ৰীনৰেন্দ্ৰনাথ শৰ্ম্মাক মনোনয়ন কৰা হ'ল।

৬। সিদ্ধান্ত কৰা হয় যে ভাৰত চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ ওচৰত ইতিমধ্যে দাখিল কৰা আঁচনি পৰিৱৰ্ত্তন কৰি গৱেষণা গ্ৰন্থাগাৰ ধৰি মূল ভৱনটিৰ বাবে ১,২০,০০০'০০ টকাৰ এখন আঁচনি তৈয়াৰ কৰি উক্ত দপ্তৰক অনুদানৰ বাবে অনুৰোধ জনোৱা হওক।

মূল গৃহ-নিৰ্ম্মাণ সমিতিৰ আগতীয়া কামৰ বাবে ৫০০'০০ পাঁচ শ টকা মঞ্জুৰ কৰা হ'ল; সময়ত মূল ভৱনৰ সমিতিয়ে এই টকা সাধাৰণ পুঁজিলৈ ঘুৰাই দিব।

৭। সভাৰ প্ৰকাশিত পুথি আদি সুচাৰুৰূপে ৰাখিবৰ বাবে এটি কোঠা চন্দ্ৰকান্ত সন্দিকৈ ভৱনত যোগ দিয়া আৰু সভাৰ চকিদাৰৰ সৰু ৰান্ধনি ঘৰ এটা কৰা সম্পৰ্কে আলোচনা কৰা হয়। প্ৰধান সম্পাদকে জনায় যে শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই বৰ্ত্তমান বছৰৰ শেহলৈ এই উদ্দেশ্যে ৪,০০০'০০ ( চাৰি হেজাৰ ) টকা দান দিবলৈ গাত লৈছে। শ্ৰীসন্দিকৈ ডাঙৰীয়াৰ পৰামৰ্শ অনুসৰি উক্ত সম্প্ৰসাৰণ আৰু নিৰ্ম্মাণ-কাৰ্য্যৰ আঁচনি প্ৰস্তুত কৰা হৈছে। কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে সিদ্ধান্ত কৰে যে দুয়োটি কাৰ্য্যৰ অত্যাৱশ্যকীয়তাৰ কথা বিচাৰ কৰি সম্প্ৰতি সাহিত্য সভাৰ সাধাৰণ পুঁজিৰপৰা ৪,০০০'০০ টকালৈকে ঋণ-স্বৰূপে চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস সমিতিক দিয়া হওক। শ্ৰীসন্দিকৈ ডাঙৰীয়াৰ দানটি পালেই সাধাৰণ পুঁজিত সেই দান জমা দিয়া হব।

৮। প্ৰধান সম্পাদকে জনায় যে ভাৰত চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰণালয়ৰপৰা গোৱালপাৰাত বহা সভাৰ ঊনবিংশ সন্মিলনৰ বাবে ৩,৫০০,০০ ( তিনি হেজাৰ পাঁচ শ ) টকাৰ এটি অনুদান পোৱা হৈছে। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে ভাৰত চৰকাৰৰ উক্ত মন্ত্ৰণালয়ক ধন্যবাদ জ্ঞাপন কৰে আৰু সিদ্ধান্ত কৰে যে সন্মিলন সম্পৰ্কীয় খৰচ এৰি অনুদানৰ বাকী অংশেৰে প্ৰথম আৰু দ্বিতীয় ভাগ 'অসম সাহিত্য সভাৰ বাৰ্ষিকী'ৰ আহিৰে এখনি বাৰ্ষিকী প্ৰকাশিত হব।

৯। বিশেষকৈ অনা-অসমীয়া লোকে শিক্ষক নোহোৱাকৈ অসমীয়া ভাষাৰ জ্ঞান পাব পৰা পুথিৰ সম্পৰ্কে প্ৰধান সম্পাদকে জনায় যে বাতৰি কাকতৰ যোগে আহ্বান কৰাত দুখনি হাতে লিখা পুথি পোৱা গৈছে। সিদ্ধান্ত কৰা হয় যে ডক্টৰ শ্ৰীবিৰিঞ্চিকুমাৰ বৰুৱা আৰু অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাক পুথি দুখন পৰীক্ষা কৰিবলৈ দিয়া হওক আৰু সি দুজনৰ মতামত লৈ নিৰ্ব্বাচিত পুথিখনি প্ৰকাশৰ বাবে যুগুত কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হওক।

১০। ২৯-৩০ অক্টোবৰ ১৯৬১ তাৰিখৰ ত্ৰয়োদশ সিদ্ধান্তৰ সম্পৰ্কত প্ৰধান সম্পাদকে ১৯৬১ চনৰ লোক-গণনাৰ ৭ (ক) (খ) প্ৰশ্নৰ ব্যাখ্যা দিওঁতে হোৱা খেলি-মেলিৰ কথা প্ৰতিবেদনত উল্লেখ কৰা সম্পৰ্কে চেন্সাছ ছুপাৰিণ্টেণ্ডেণ্টৰ ১৪ ফেব্ৰুৱাৰী ১৯৬২ তাৰিখৰ চিঠি উত্থাপন কৰে। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে চেন্সাছ ছুপাৰিণ্টেণ্ডেণ্টক বিষয়টো মুকলি-ভাৱে জনাই ভাৰত চৰকাৰৰ স্বৰাষ্ট্ৰ মন্ত্ৰণালয়ৰপৰা উক্ত খেলি-মেলিৰ কথা প্ৰতিবেদনত উল্লেখ কৰিবলৈ আৱশ্যকীয় নিৰ্দ্দেশ লবৰ বাবে অনুৰোধ জনায়।

লগতে ভাৰত চৰকাৰৰ চেন্সাছ কমিছনাৰলৈ স্বৰাষ্ট্ৰ মন্ত্ৰীলৈ এই বিষয়ে লিখা-লিখি কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

১১। অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত শ্ৰীনকুলচন্দ্ৰ ভূঞাৰ 'চাহ-বাগিচাৰ বনুৱা' সম্পৰ্কে প্ৰধান সম্পাদকে আসাম টি লেবাৰাৰ্ছ এছচিয়েশ্যনৰ সভাপতি শ্ৰীজানুৰাম কুৰ্ম্মি আৰু দৰং জিলা কুৰ্ম্মি ক্ষত্ৰিয় সভাৰ সম্পাদক শ্ৰীবাহাদুৰ কুৰ্ম্মিলৈ দিয়া চিঠি উত্থাপন কৰে আৰু জনায় যে দৰং জিলা কুৰ্ম্মি ক্ষত্ৰিয় সভালৈ দিয়া ৰেজিষ্টাৰী চিঠি ঘূৰি আহে আৰু আসাম টি লেবাৰাৰ্ছ এছচিয়েশ্যনৰপৰা বৰ্ত্তমান চিঠিৰ আৰু ইতিপূৰ্ব্বৰ দুখন চিঠিৰ কোনো সমিধান পোৱা হোৱা নাই। সিদ্ধান্ত কৰা হয় যে দুয়োটা অনুষ্ঠানৰ আপত্তিৰ ভিত্তিত পুথিখন পুনৰ প্ৰকাশ কৰা সম্পৰ্কে শ্ৰীনকুলচন্দ্ৰ ভূঞা ডাঙৰীয়াক আৱশ্যকীয় সাল-সলনি কৰি প্ৰধান সম্পাদকক যথাবিহিত কৰিবলৈ পৰামৰ্শ দিবলৈ অনুৰোধ কৰা হওক। প্ৰধান সম্পাদকে সেই পৰামৰ্শৰ ভিত্তিত সাল-সলনি কৰি পুথিখন পুনঃ-প্ৰকাশৰ ব্যৱস্থা কৰিব।

১২। ২৪-২৫ জুন ১৯৬১ তাৰিখৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ ৪২শ সিদ্ধান্তৰ পুনৰ আলোচনা কৰা হয়। প্ৰধান সম্পাদকে জনায় যে শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মাৰ ৩ খন সংস্কৃত নাটক এখন কিতাপ কৰি প্ৰকাশ কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ বৈজ্ঞানিক গৱেষণা সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰপৰা প্ৰথম কিস্তি-ৰূপে ৫০০·০০ (পাঁচ শ) টকা আদায় পোৱা গৈছে। কিন্তু ভাৰত চৰকাৰৰ অনুদানৰ পৰিপূৰক-ৰূপে অসম চৰকাৰৰ পৰা বিচৰা অৰ্থ পাবৰ কোনো আশা হোৱা নাই।

সিদ্ধান্ত কৰা হয় যে পৰিপূৰক-ৰূপে দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজিৰ বাঢ়িৰপৰা পুথিখনি ছপা কৰাৰ ব্যৱস্থা কৰিবলৈ উক্ত পুঁজিৰ ন্যাস সমিতিক অনুৰোধ কৰা হওক।

১৩। বৰ্ত্তমান বছৰৰ আগভাগতে হব লগীয়া অসমীয়া ভাষা-জ্ঞান প্ৰমাণ-পত্ৰৰ পৰীক্ষাৰ ব্যৱস্থা সম্পৰ্কে সমিতিৰ চতুৰ্থ অধিৱেশনত নিযুক্ত কৰা পৰীক্ষা সচিব শ্ৰীচৈয়দ আব্দুল মালিকৰ বক্তব্য শুনা হয়।

এপ্ৰিলৰ শেহত এই বছৰত পৰীক্ষা পাতিবলৈ ঠিৰাং কৰি পৰীক্ষা-সচিবক যাৱতীয় ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হ'ল। এই সম্পৰ্কীয় যাৱতীয় খৰচ সাধাৰণ পুঁজিৰপৰা হব।

১৪। দিল্লী বিশ্ববিদ্যালয়ত অসমীয়া ভাষা-শিক্ষণৰ ব্যৱস্থা সম্পৰ্কে অসম চৰকাৰৰ শিক্ষা বিভাগৰ কৰ্ত্তৃপক্ষই জনাইছে যে চৰকাৰে দিল্লী বিশ্ববিদ্যালয়ৰ লগত বিষয়টো সম্পৰ্কে আলোচনা কৰি আছে আৰু বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষৰ সিদ্ধান্তলৈ অপেক্ষা কৰা হৈছে।

অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ এই অধিৱেশনে অসম চৰকাৰক আৰু বিশ্ববিদ্যালয়ৰ কৰ্ত্তৃপক্ষক বিশ্ববিদ্যালয়ত নতুন শিক্ষা বছৰৰ আৰম্ভৰেপৰা অসমীয়া শ্ৰেণী খুলিব পৰাকৈ আশু ব্যৱস্থা লবলৈ টানি অনুৰোধ কৰে।

১৫। চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস সমিতিৰ সদস্য সম্পৰ্কে তৃতীয় অধিৱেশনৰ ৩৪শ সিদ্ধান্ত পুনৰ বিবেচনা কৰা হয়। এই সম্পৰ্কত প্ৰধান সম্পাদকে ন্যাস সমিতি দাতাৰ প্ৰতিনিধি, পুঁজিৰ ধনভঁৰালী আৰু এজন বিশিষ্ট অধিবক্তাৰ মতামত দাঙি ধৰে।

সিদ্ধান্ত কৰা হয় যে শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাৰ পৰিৱৰ্ত্তে সহকাৰী সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগক মনোনীত কৰা হওক।

১৬। চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস সমিতিৰ প্ৰাক্তন সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰপৰা ১৯৬০-৬১ৰ হিছাপ পৰীক্ষকৰ আপত্তিসমূহৰ উত্তৰ (২৬।১১।৬১ তাৰিখৰ) সভাত উত্থাপন কৰা হয়। প্ৰধান



সম্পাদকে জনায় যে ১৯৬১-৬২ৰ হিছাপ পৰীক্ষকে সমিতিৰ জমা-খৰচৰ বহী চাই ১৯৬০-৬১ৰ সামৰণীৰ উদ্বৃত্তৰ পৰিমাণ বহীত থকা মতে ঠিকেই আছে বুলি জনাইছে। বাকীবোৰ বিষয়ে হিছাপ-পৰীক্ষকৰ প্ৰতিৱেদন আশা কৰি থকা হৈছে।

সিদ্ধান্ত কৰা হয় যে ১৯৬১-৬২ৰ হিছাপ আৰু হিছাপ-পৰীক্ষকৰ প্ৰতিবেদনৰ লগত বিষয়টো আলোচনা কৰা হব আৰু সেইমতে পূৰ্ব্বৰ হিছাপৰ আৱশ্যকীয় সংশোধন সমিতিয়ে অনুমোদন কৰিব।

১৭। অসম সাহিত্য সভাৰ নিয়মাৱলীৰ ১০ম বিধি অনুসৰি তলত নাম দিয়া অসমীয়া ভাষা-সাহিত্যৰ অনুৰাগী লোকসকলক সভাৰ আজীৱন সভ্যৰূপে ভুক্ত কৰা হ'ল।

(১৪৯) অধ্যাপক শ্ৰীখগেন্দ্ৰনাথ শইকীয়া, গুৱাহাটী বিশ্ব-বিদ্যালয়।

(১৫০) শ্ৰীজিতেন্দ্ৰগোপাল বৰপূজাৰী, যোৰহাট।

১৮। নাজিৰা সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ ৬।২।৬২ তাৰিখৰ চিঠি আৰু লগতে ১০।১২।৬১ তাৰিখৰ নাজিৰা সাহিত্য সভাৰ সাধাৰণ সভাৰ কাৰ্য্যবিৱৰণী আৰু ৭।১।৬২ তাৰিখৰ প্ৰতিনিধিমূলক ৰাজহুৱা সভাৰ কাৰ্য্য-বিৱৰণী পাঠ কৰা হয়। শ্ৰীবেদনাথ বৰঠাকুৰক সভাপতি আৰু শ্ৰীপাৰ্ব্বতীনাথ ফুকনক সাধাৰণ সম্পাদক লৈ অসম সাহিত্য সভাৰ ত্ৰিংশ বাৰ্ষিক অধিৱেশনৰ বাবে এখনি অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে এই ব্যৱস্থাৰ সমৰ্থন জনায় আৰু সন্তোষ প্ৰকাশ কৰে; আৰু অভ্যৰ্থনা সমিতিক প্ৰধান সম্পাদকৰ কাৰ্য্যালয় আৰু কেন্দ্ৰীয় কাৰ্য্যালয়ৰ ঘন সংযোগ ৰাখিবলৈ অনুৰোধ জনায়।

১৯। নলবাৰী সংস্কৃত কলেজৰ অধ্যাপক শ্ৰীপুৰুষোত্তম ভট্টাচাৰ্য্যৰ ১৯।১।৬২ তাৰিখৰ পত্ৰ পাঠ কৰা হ'ল। অসমীয়া পঞ্জিকা সম্পৰ্কে কাকতে-পত্ৰয় হোৱা বাদানুবাদৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি শ্ৰীভট্টাচাৰ্য্যই কৈছে যে অসমত পূৰ্ব্বৰেপৰা প্ৰচলিত খণ্ডসাধ্য পদ্ধতি অনুসাৰে অসমৰ পঞ্জিকা গণনা হব লাগে। বঙ্গদেশত প্ৰচলিত দিনচন্দ্ৰিকামতে হব নালাগে। শ্ৰীভট্টাচাৰ্য্যৰ মতে খণ্ডসাধ্যৰ নিয়মবোৰ সূৰ্য্যসিদ্ধান্তৰ লগত মিলে। এইবোৰ প্ৰশ্ন লৈ বাদানু-বাদ হোৱাত অসম চৰকাৰে পঞ্জিকা প্ৰণয়ন আৰু প্ৰকাশনৰ বাবে অনুদান দিবলৈ সঙ্কোচ বোধ কৰিছে। শ্ৰীভট্টাচাৰ্য্যই অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ মতামত জনাবলৈ আৱেদন জনাইছে।

সিদ্ধান্ত কৰা হয় যে অসমীয়া পঞ্জিকা এখন প্ৰকাশৰ আৱশ্যকতালৈ লক্ষ্য কৰি উপযোগী চাই এখনি পঞ্জিকা প্ৰকাশৰ বাবে সাহায্য দিবলৈ অসম চৰকাৰক অনুৰোধ কৰা হওক।

২০। অসম সাহিত্য সভাৰ হাইলাকান্দি শাখাৰ সম্পাদকৰপৰা কাছাৰৰ অন্তৰ্গত মৰাকদমাতুৰা নিম্ন প্ৰাথমিক অসমীয়া পঢ়াশালিৰ মঞ্জুৰী বিচাৰি পঠোৱা ৰাজহুৱা সভাৰ প্ৰস্তাৱ আদি পাঠ কৰা হয়।

সিদ্ধান্ত কৰা হয় যে সভাৰ বৰ্ত্তমান আৰ্থিক অৱস্থা বিবেচনা কৰি এই বিষয়টো পিছত বিচাৰ কৰিবলৈ থোৱা হওক।

২১। গুৱাহাটী বিশ্ববিদ্যালয় অধিনিয়ম নতুনকৈ সংশোধিত হোৱাত বিশ্ববিদ্যালয় কোৰ্ট সভা পুনৰ গঠিত হব লগা বাবে স্বীকৃত অনুষ্ঠান হিছাপে অসম সাহিত্য সভাৰ প্ৰতিনিধি নতুনকৈ মনোনয়ন কৰিবলগীয়া হয়। সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ২৬-২৭ আক্টোবৰ ১৯৬০ তাৰিখৰ ৫ম প্ৰস্তাৱত শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাক তিনি বছৰৰ বাবে প্ৰতিনিধি মনোনীত কৰা আছিল। প্ৰধান সম্পাদকে জনায়, সভাপতিৰ নিৰ্দ্দেশ অনুসৰি পুনৰ গঠিত কোৰ্ট সভালৈ অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ নাম ১৮ জানুৱাৰী ১৯৬২ তাৰিখে দিয়া হৈছে।

সিদ্ধান্ত কৰা হয় যে শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাক গুৱাহাটী বিশ্ব-বিদ্যালয় কোৰ্ট সভালৈ অসম সাহিত্য সভাৰ প্ৰতিনিধি ৰূপে মনোনীত কৰা হল।

২২। অসম ৰাজ্যিক সংগ্ৰহালয়ৰ অধ্যক্ষ অধ্যাপক শ্ৰীপ্ৰেমধৰ চৌধুৰীৰ ২৫ নবেম্বৰ তাৰিখৰ পত্ৰত সংগ্ৰহালয়ৰ চিত্ৰ ৰাখিব পৰা প্ৰাক্-জোনাকী আৰু জোনাকী যুগৰ প্ৰধান সাহিত্যিকসকলৰ নাম অনুমোদন কৰাৰ অনুৰোধ বিবেচনা কৰা হ'ল। কাৰ্য্যনিৰ্ব্বাহক সমিতিৰহৈ নামখিনি বাছি পঠাবলৈ শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীনৰেন্দ্ৰনাথ শৰ্ম্মা আৰু প্ৰধান সম্পাদকেৰে এখনি সমিতি গঠন কৰা হল।

২৩। অসম সাহিত্য সভাৰ প্ৰকাশন 'মিকিৰ জনজাতি'ৰ লেখক শ্ৰীলংকাম টেৰনে তেওঁ পুথিখনি লিখি দিয়াৰ বাবদ আৰ্থিক সাহায্য মঞ্জুৰী, আৰু পুথিখনৰ ১০০ (এশ) কপি বিচাৰি আবেদন জনাইছে। সিদ্ধান্ত কৰা হয় যে শ্ৰীলংকাম টেৰনক ২০০ খন 'মিকিৰ জনজাতি' দিয়া হওক।।

২৪। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰপৰা জানিব পৰা গৈছে যে ১৯৬১ চনৰ প্ৰবেশিকা পৰীক্ষাত উত্তৰ-পূব সীমান্ত অঞ্চলৰ উচ্চ বিদ্যালয়-সমূহৰপৰা পাছিঘাট হাইস্কুলৰ পৰীক্ষাৰ্থী শ্ৰীটামি কায়ে নামৰ ছাত্ৰই ( ৰোল পাছি নং ১৬ ) অসমীয়া বিষয়ত উচ্চতম অঙ্ক লাভ কৰিছে। সিদ্ধান্ত কৰা হয় শ্ৰীটামি কায়েক কেইখনিমান অসমীয়া পুথিৰ ৰূপত 'হৰিহৰ চৌধুৰী বঁটা ১৯৬১' দিয়া হওক!

২৫। ২৪-২৫ জুন ১৯৬১ তাৰিখে কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে কমলাদেৱী স্মাৰক পুঁজিৰ বাঢ়িৰপৰা এখনি শিশুৰ পুথি প্ৰকাশ কৰিবলৈ ঠিৰাং কৰে আৰু এই পুথিৰ বাবে অসমৰ পাৰ্ব্বত্য অঞ্চলৰ সাধুকথা গোটাবৰ ব্যৱস্থা দিয়ে। ভাৰত চৰকাৰৰ অনুদানৰ-পৰা প্ৰকাশ কৰিব লগীয়া 'অসমৰ জনজাতীয় সাধু'ত এনে ধৰণৰ বস্তু সন্নিবিষ্ট হৈছে। গতিকে কমলাদেৱী স্মাৰক পুঁজিৰ বাঢ়িৰে শিশুৰ উপযোগী জীৱনী-বিষয়ক এখনি পুথি প্ৰকাশ কৰিবলৈ সিদ্ধান্ত কৰা হয়।

২৬। কেন্দ্ৰীয় কাৰ্য্যালয়ৰ অস্থায়ী কাৰ্য্যালয়-সচিব শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰীক ১৬ জানুৱাৰী '৬২ তাৰিখৰপৰা এমাহৰ কাৰণে সহকাৰী সম্পাদকে প্ৰধান সম্পাদক আৰু সভাপতিৰ সম্মতিৰে অৰ্জ্জিত ছুটী দিয়ে বুলি জনায়। ১৬ জানুৱাৰীৰপৰা ২৮ ফেব্ৰুৱাৰী ১৯৬২ তাৰিখলৈকে শ্ৰীবৰপূজাৰীক ছুটীৰ সম্প্ৰসাৰণ দিয়া হয় বিশেষ বিবেচনাত।

১৯ জানুৱাৰী ১৯৬২ তাৰিখৰপৰা সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ কাম চলাবৰ কাৰণে শ্ৰীমহেন্দ্ৰচন্দ্ৰ বৰুৱা বি. এ, মাহে ১০০'০০ এশ টকা দৰ্ম্মহাত কাৰ্য্যালয়ৰ সহকাৰী-ৰূপে নিয়োগ কৰা হয়।

অস্থায়ী কাৰ্য্যালয়ৰ সহকাৰী শ্ৰীমহেন্দ্ৰনাথ বৰুৱাই পদত্যাগ কৰাত শ্ৰীগোলাপচন্দ্ৰ গোস্বামীক ৬ ফেব্ৰুৱাৰী ১৯৬২ তাৰিখৰপৰা অস্থায়ী কাৰ্য্যালয় সহকাৰী-ৰূপে মাহে ১০০ (এশ) টকা দৰ্ম্মহাত নিয়োগ কৰা হয়।

২৮ ফেব্ৰুৱাৰী ১৯৬২ তাৰিখে অস্থায়ী কাৰ্য্যালয় সচিব শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰীৰ কাৰ্য্যকাল অন্ত পৰাত সিদিনাৰপৰা শ্ৰীবৰপূজাৰীৰ, সেৱাৰ আৱশ্যক নহব বুলি সহকাৰী সম্পাদকে জাননী দিয়ে।

সিদ্ধান্ত কৰা হয় যে ওপৰত দিয়ামতে ছুটী নিয়োগ আৰু অৱসৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে অনুমোদন কৰে। ১৫০'০০ টকা দৰ্ম্মহাত মুখ্য কাৰ্য্যালয় সহকাৰী পদৰ জাননী দি নিয়োগৰ ব্যৱস্থা কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হ'ল। নতুন নিযুক্তি পৰ্য্যন্ত ১ মাৰ্চ্চ ১৯৬২ তাৰিখৰপৰা মাহে ১৫০'০০ টকা দৰ্ম্মহাত শ্ৰীগোলাপ-চন্দ্ৰ গোস্বামীক মুখ্য কাৰ্য্যালয় সহকাৰী-ৰূপে নিয়োগ দিয়া হ'ল।

২৭। প্ৰধান সম্পাদকে জনায় যে চন্দ্ৰকান্ত-



ইন্দ্ৰকান্ত ন্যাস সমিতি পুনৰ্গঠিত নোহোৱাৰ কাৰণে ন্যাস সমিতিৰ ধন-ভঁৰালীৰ অনুৰোধক্ৰমে চন্দ্ৰকান্ত সন্দিকৈ ভৱনত স্থাপিত ৰাধাকান্ত সন্দিকৈৰ মূৰ্ত্তিৰ ওপৰত বিজুলী চাকি দিয়া খৰচৰ কিছু দিন পৰি থকা 'বিল' ঋণ সৰ্ত্তত আদায় কৰি দিয়া হয়। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে এই কাৰ্য্য অনুমোদন কৰে।

২৯। অসম সাহিত্য সভাৰ প্ৰকাশিত গ্ৰন্থসমূহৰ বিক্ৰী আৰু মূল্য হ্ৰাসকৰণ আদি সম্পৰ্কে আলোচনা কৰি সিদ্ধান্ত দিবৰ কাৰণে যোৱা সন্মিলনত গঠিত নিয়মাৱলী সংশোধন সমিতিক ভাৰ দিয়া হওক।

| | |
|---|---|
| মহেশ্বৰ নেওগ | শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী |
| প্ৰধান সম্পাদক, | সভাপতি |
| অসম সাহিত্য সভা, | ২৮।২।৬২ |
| গুৱাহাটী, ২৮ ফেব্ৰুৱাৰী ১৯৬২ | |

---

# সম্পাদকৰ দুআষাৰ

## জাতীয় সংহতি সাধনত লেখকৰ ভূমিকা

যোৱা ১।৪।৬২ তাৰিখে সাহিত্য একাডেমীয়ে জাতীয় সংহতি সাধনত লেখকৰ ভূমিকা সম্পৰ্কে আয়োজন কৰা এদিনীয়া আলোচনা-চক্ৰ (চেমিনাৰ) উদ্বোধন কৰি উপ-ৰাষ্ট্ৰপতি ডঃ ৰাধাকৃষ্ণণে কয়, "...লেখকসকলে তেওঁলোকৰ লিখনীত যদি মহৎ আৰু সততাপূৰ্ণ আদৰ্শ দাঙি ধৰে তেন্তে তেওঁলোকে জনসাধাৰণৰ মাজত পোহৰ আৰু ঐক্যৰ ভাব প্ৰচাৰ কৰা হ'ব।...আমাৰ আজুকাল হৈছে ভিতৰৰ; বিভেদ আৰু সংঘৰ্ষৰ মূল আমাৰ মাজত পুঞ্জীভূত হৈ আছে। আমি আমাৰ প্ৰকৃতিৰ পৰিবৰ্ত্তন সাধিব নোৱাৰিলে এইবোৰৰ পৰা অব্যাহতি পাব নোৱাৰোঁ।..."তেওঁ আৰু আশা কৰে যে আধুনিক অৱস্থাৰ লগত খাপখোৱাকৈ মানুহৰ প্ৰকৃতি পৰিবৰ্ত্তন কৰাত লেখকসকলে ভূমিকা গ্ৰহণ কৰিব। ডঃ ৰাধাকৃষ্ণনে ৰাষ্ট্ৰীয় ঐক্য সাধনত বৰঙণি যোগাবলৈ লেখকসকলক জনোৱা আহ্বান প্ৰণিধানযোগ্য। লেখকসকলে "বিভেদ আৰু সংঘৰ্ষৰ" বিৰুদ্ধে স্পষ্ট মত প্ৰকাশ কৰি বিভিন্ন গোষ্ঠী বা বিভিন্ন জাতিৰ মাজত আন্তৰিক ঐক্য স্থাপন কৰিব পাৰে। যদিও লেখকৰ ওপৰত সমাজৰ অনুশাসন জাপি দিব নোৱাৰি তথাপি তেওঁ অসৎ শক্তিবোৰৰ বিৰুদ্ধে ব্যক্তিগত মত প্ৰকাশ কৰি মানুহৰ প্ৰকৃতিৰ পৰিবৰ্ত্তন সাধনত অৰিহণা যোগাব পাৰে।

## চিত্ৰকলাৰ দায়িত্ব

যোৱা ২১ ফেব্ৰুৱাৰী তাৰিখে ললিত কলা একাডেমীৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয় প্ৰদৰ্শনীখন উদ্বোধন কৰি উপৰাষ্ট্ৰপতি ডঃ ৰাধাকৃষ্ণনে কয়, "আজিৰ পৃথিবীয়ে বিজ্ঞান আৰু টেকনলজিৰ ক্ষেত্ৰত ক্ষিপ্ৰ গতি কৰিছে যদিও আধ্যাত্মিক ক্ষেত্ৰত এতিয়াও দুখীয়া হৈ আছে। আজি আমাৰ অনেকেই পঙ্গু— শাৰীৰিক ভাবে নহয়, মানসিক আৰু আধ্যাত্মিক অৰ্থত। চিত্ৰকলা আৰু তাৰ সমাদৰৰ শক্তিয়েহে আমাৰ পূৰ্ণাঙ্গ পৰিপুষ্টিত সহায় কৰিব।" আধ্যাত্মিক আৰু মানসিক উন্নতিত চিত্ৰকলাৰ অৱদান অনস্বীকাৰ্য্য। বৰ্ত্তমান সময়ত চিত্ৰকলাক ব্যৱসায়বৃত্তি হিচাপে ব্যৱহাৰ কৰা দিখা গৈছে, আৰু এই প্ৰসঙ্গত উপ-ৰাষ্ট্ৰপতিয়ে শিল্পীসকলক সকীয়াই দিছে, "শিল্পীসকলে মানুহক তেওঁলোকে যি বিচাৰে তাক দিয়া অনুচিত; কিন্তু তেওঁলোকক তেওঁলোকৰ বাবে যি ভাল তাক বিচৰাৰ যোগ্য কৰি তোলা উচিত।"

## অসমীয়া বোলছবি মহোৎসৱ

যোৱা ২৫ ফেব্ৰুৱাৰীৰপৰা ২ মাৰ্চলৈ গুৱাহাটীৰ মধুচয়নিকাৰ উদ্যোগত অনুষ্ঠিত হোৱা অসমীয়া বোল-ছবি মহোৎসৱে দেশত এক জাগৰণৰ সূচনা কৰিলে। অসমীয়া বোলছবিৰ স্ৰষ্টা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই ১৯৩৩ চনত পোনতে জয়মতী নিৰ্ম্মাণৰ অৰ্থে ভোলাগুৰি চাহ বাগিচাত পতা নিজস্ব ষ্টুডিঅ' 'চিত্ৰবনৰ' পৰাই ১৯৩৫ চনত ওলোৱা জয়মতী বোল-ছবিয়ে অসমত বোলছবি শিল্পৰ যুগান্তৰ আনিলে; আৰু তেতিয়াৰ পৰা বোলছবিৰ মহোৎসৱলৈকে ওলোৱা একুৰি আঠখন বোলছবিৰ লেখ বৰ গৌৰৱপূৰ্ণ নহলেও, অসমীয়া বোলছবি মহোৎসৱে এই চালুকীয়া শিল্পক দৃঢ়ভাৱে স্থাপন কৰাৰ কাৰণে অনুপ্ৰেৰণা যোগাব বুলি আমাৰ বিশ্বাস। 'চিত্ৰবন' ষ্টুডিঅ' পাতি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে অসমত ষ্টুডিঅ' নিৰ্ম্মাণৰ যি সপোন দেখিছিল সেই সপোন কেতিয়া বাস্তৱত পৰিণত হ'ব?

## একাডেমী বঁটা

১৯৬১ চনৰ শ্ৰেষ্ঠ সাহিত্যিক ৰচনাৰ বাবে ভাৰতীয় ভাষাসমূহৰ যিকেইটা ভাষাৰ সাহিত্যিকলৈ একাডেমীয়ে পুৰস্কাৰ আগবঢ়াইছে তাৰ ভিতৰত শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যদেৱৰ 'ইয়াৰুইঙ্গম' উপন্যাসো পৰিছে। ইয়াৰ আগতে সাহিত্য একাডেমীৰ এই পাঁচ হেজাৰ টকীয়া বঁটা দুজন অসমীয়া সাহিত্যিকে— শ্ৰীযতীন্দ্ৰনাথ দুৱৰা (বনফুল) আৰু শ্ৰীবেনুধৰ শৰ্ম্মা (কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত) পাইছে। নগা বিদ্ৰোহৰ পটভূমিত ৰচিত বৃহৎ উপন্যাসখনিয়ে একাডেমীৰ বঁটা পোৱাৰ কাৰণে আমি শ্ৰীভট্টাচাৰ্য্যদেৱক সম্বৰ্দ্ধনা জনাইছোঁ।

—::০::—

## পত্ৰিকাৰ নিয়মাৱলী

১। অসম সাহিত্য সভা পত্ৰিকা বছেৰেকত তিনিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকে প্ৰথম সংখ্যাৰপৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছৰেকীয়া বৰঙণি ৪৹ আগ ধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা। সাহিত্য সভাৰ কাৰণে বছেৰেকীয়া বৰঙণি ৩৹।

৩। **ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি** (একবিংশ বছৰৰ কাৰণে) এপিঠিত ফটফটীয়াকৈ লিখি "শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট"—এই ঠিকনাত পঠাব। সকলো টকাকড়ি আৰু কাকত সম্পৰ্কে চিঠি "সহকাৰী সম্পাদক, অসম সাহিত্য সভা, যোৰহাট"—এই ঠিকনাত পঠাব।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিয়া নহয়।

৫। মৌলিক আলোচনা, অনুসন্ধান আদিৰ গৱেষণামূলক প্ৰবন্ধইহে ইয়াত ঠাই পাব।

পত্ৰিকা সম্পাদক

## অসম সাহিত্য সভা পত্ৰিকাৰ জাননী ছপোৱাৰ বেচ

| | | | |
|---|---|---|---|
| ভিতৰৰ এপিঠিত | ৪০'০০ | আধা পিঠিত ২২'০০ | সিকি পিঠিত ১২'০০ |
| বেটুপাতৰ তৃতীয় পিঠিত | ৪৫'০০ | আধা পিঠিত ২৪'০০ | সিকি পিঠিত ১৩'০০ |
| বেটুপাতৰ চতুৰ্থ পিঠিত | ৪০'০০ | আধা পিঠিত ২৬'০০ | সিকি পিঠিত ১৪'০০ |

প্ৰধান সম্পাদক
অসম সাহিত্য সভা

অসম সাহিত্য সভাৰ হৈ পত্ৰিকা সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, এম-এ, বি-টিৰ দ্বাৰা কলিকতাৰ শ্ৰীকান্ত প্ৰেছ প্ৰাইভেট লিমিটেডত মুদ্ৰিত আৰু প্ৰকাশিত।

# অসম সাহিত্য সভাৰ প্ৰকাশন

১। **অসম সাহিত্য সভাৰ ভাষণাৱলী** (প্ৰথম ভাগ)—প্ৰথমৰপৰা দ্বাদশ মূল সন্মিলনৰ সভাপতিৰ অভিভাষণ। ৮'০০, সভ্যৰ বাবে ৬'০০।

২। **অসম সাহিত্য সভাৰ ভাষণাৱলী** (দ্বিতীয় ভাগ)—ত্ৰয়োদশৰপৰা পঞ্চবিংশ মূল সন্মিলনৰ সভাপতিৰ অভিভাষণ। ৮'০০, সভ্যৰ বাবে ৬'০০। দুই ভাগ ১৪'০০, সভ্যৰ বাবে ১০'০০।

৩। **অসম সাহিত্য সভাৰ ভাষণাৱলী** (তৃতীয় ভাগ) - প্ৰথম ৰাৰথন বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ। ৭'০০ সভ্যৰ বাবে ৪'০০।

৪। **অসম সাহিত্য সভা বাৰ্ষিকী** (প্ৰথম ভাগ)—ত্ৰয়োবিংশ সন্মিলনৰ অভিভাষণসমূহ। ২'০০, সভ্যৰ বাবে ১'০০।

৫। **অসম সাহিত্য সভা বাৰ্ষিকী** (দ্বিতীয় ভাগ)—চতুৰ্বিংশ সন্মিলনৰ অভিভাষণসমূহ। ২'০০, সভ্যৰ বাবে ১'০ ।

৬। **হৰিবৰ বিপ্ৰৰ লৱ-কুশৰ যুদ্ধ**—ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ২'০০, সভ্যৰ বাবে ১'০০।

৭। **ভাগৱত মিশ্ৰৰ সাত্বত-তন্ত্ৰ**—শৰৎচন্দ্ৰ গোস্বামী সম্পাদিত। ০'৬০, সভ্যৰ বাবে ০'৩০।

৮। **বলোৰাম দ্বিজৰ শ্ৰীশ্ৰীব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ**—দেৱেশ্বৰ চলিহা সম্পাদিত। ১'০০, সভ্যৰ বাবে ০'৫০।

৯। **ৰমাকান্ত দ্বিজৰ শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ**—০'৭৫, সভ্যৰ বাবে ০'৩৮।

১০। **অসমীয়া ভাষা** (আনন্দৰাম ঢেকিয়াল ফুকনৰ A Few Remarks on the Assamese Language, and on Vernacular Education in Assam পুথিৰ অনুবাদ)—ডঃ মহেশ্বৰ নেওগ অনূদিত আৰু সম্পাদিত। ০'৫০।

১১। **মোৰ জীৱন-সোঁৱৰণ** (লক্ষ্মীনাথ বেজবৰুৱা)—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সংগৃহীত আৰু ডঃ মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত। ৫'০০। সভ্যৰ বাবে ৩'০০।

১২। **অসমীয়া খণ্ডবাক্য-কোষ** (বেণুধৰ ৰাজখোৱা)।—ডঃ মহেশ্বৰ নেওগ সম্পাদিত সংবৰ্দ্ধিত আৰু পৰিশিষ্ট-সম্বলিত। ৯'০০, সভ্যৰ বাবে ৫'০০।

১৩। **কামিনীকান্তৰ চৰিত্ৰ** (এ. কে. গাৰ্ণী)—ডঃ প্ৰফুল্লদত্ত গোস্বামী সম্পাদিত। ২'০০, সভ্যৰ বাবে ১'০০।

১৪। **অসমীয়া লোকগীতি-সংগ্ৰহ** (শ্ৰীযোগেশচন্দ্ৰ তামুলী-সংগৃহীত)—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সম্পাদিত। ৬'০০, সভ্যৰ বাবে ৩'০০।

১৫। **পবিত্ৰ অসম**—মঠ-মন্দিৰ, তীৰ্থ-পীঠ, সত্ৰ-থান, দৰগাহ, গীৰ্জ্জা আদিৰ বিৱৰণ। ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ১১'০০, সভ্যৰ বাবে ৬'০০।

১৬। **বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা**—ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত। ২'০০, সভ্যৰ বাবে ১'০০।

১৭। **চাহ-বাগিচাৰ বনুৱা**—শ্ৰীনকুলচন্দ্ৰ ভূঞা। ১'২৫, সভ্যৰ বাবে ০'৭৫।

১৮। **আনন্দৰাম ঢেকিয়াল ফুকন**—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সম্পাদিত। ০'৩৬।

১৯। **ৰাধাকান্ত সন্দিকৈ**—শ্ৰীহৰিপ্ৰসাদ নেওগ—০'৭৫, সভ্যৰ বাবে ০'৩৮।

২০। **কবি চৌধাৰী আৰু চৌধাৰীদেৱৰ কবিতা**—শ্ৰীকমলেশ্বৰ শৰ্মা—২'৫০, সভ্যৰ বাবে ১'২৫।

২১। **সীমান্তৰ সন্দেশ**—শ্ৰীপৰাগধৰ চলিহা সম্পাদিত—২'০০, সভ্যৰ বাবে ১'০০।

২২। **The Outlook on NEFA**—শ্ৰীপৰাগধৰ চলিহা সম্পাদিত—২'০০, সভ্যৰ বাবে ১'০০।

২৩। **This is Assam**—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত। ২'০০, সভ্যৰ বাবে ১'০০।

২৪। **নীলাচল পাঠ** (আওনগা ভাষা শিকা পুথি)—শ্ৰীমহেন্দ্ৰনাথ সভাপণ্ডিত —১'০০, সভ্যৰ বাবে ০'৫০।

২৫। **Assam's Language Question : A Symposium** (কেইবাজনো প্ৰথিতযশা লেখকৰ আলোচনা) ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ১'০০, সভ্যৰ বাবে ০'৫০।

২৬। **ৰাধাকান্ত সন্দিকৈ ভাওৰীয়া**—শ্ৰীনকুলচন্দ্ৰ ভূঞা। ৩'০০।

২৭। **মিকিৰ জনজাতি**—শ্ৰীলংকাম টেৰণ। ১'০০, সভ্যৰ বাবে ০'৫০।

২৮। **উদয়াচলৰ সাধু**—শ্ৰীনুমেৰ দাই ২'০০। সভ্যৰ বাবে ১'০০।

সহায়কাৰীক নিওঁতাৰে কমিছনৰ ব্যৱস্থা কৰা হৈছে। এজেন্সিৰ নিয়মাৱলীৰ বাবে লিখক।

প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট, অসম।